
১৯৯১ - ৯২ চন



# আলোচনী

## মঙলদৈ মহাবিদ্যালয়

সম্পাদিকা

শ্ৰীপবিত্ৰা কুমাৰী মাজু ডেকা

# মঙ্গলদৈ মহাবিদ্যালয় আলোচনী

ঊনবিংশ সংখ্যা

১৯৯১-৯২

তত্বাৱধায়ক অধ্যাপক :
অধ্যাপক ইদ্ৰিছ আলী

সম্পাদিকা :
শ্ৰীববিতা কুমাৰী মাজুডেকা

**সম্পাদনা সমিতি ঃ**

অধ্যাপিকা উষা বৰা ঃ সভানেত্ৰী

অধ্যাপক নগেন শৰ্মা ঃ উপ-সভাপতি

অধ্যাপক ভাৰত চন্দ্ৰ শৰ্মা

অধ্যাপক ডিম্বেশ্বৰ বৰুৱা

অধ্যাপক ড° মহেন্দ্ৰ প্ৰসাদ বৰুৱা

অধ্যাপক ইদ্ৰিছ আলি ঃ তত্বাৱধায়ক

ৰবিতা কুমাৰী মাজু ডেকা ঃ সম্পাদিকা

**সদস্যবৃন্দ ঃ**

শ্ৰীৰমেন ডেকা
শ্ৰীদিব্যজ্যোতি চহৰীয়া
শ্ৰীমালা ডেকা
শ্ৰীনিভাৰাণী দেৱী
শ্ৰীনিৰুপমা ডেকা
শ্ৰীদিলীপ কুমাৰ ডেকা
শ্ৰীঅৰুণ ডেকা
শ্ৰীহিৰকজ্যোতি শৰ্মা

শ্ৰীঘনকান্ত বৰুৱা ঃ কাৰ্য্যালয় সহায়ক

বেটুপাতৰ শিল্পী ঃ

অঙ্গসজ্জা ঃ সম্পাদিকা


**কৃতজ্ঞতা স্বীকাৰ ঃ**

সম্পাদনা সমিতি, প্ৰতীতি, স্বপ্না, মনোৰঞ্জন, দাহুল, প্ৰসন্ন, পদ্ম, দিলীপ (মুন), ধীবিশ, জয়ন্ত, হৰি; অৰুণ, অমূল্য, দুৰ্লভ, চিকন, নৃপেন, হিমা, সবিতা, খিমি, নৰ, জুতিকা, নিভা, কামিনী, ৰাজীৱ, কন্দৰ্পদা, ভূৱনেশ্বৰদা, হেমন্ত দা, খগেন দা, দাহুল দা, হৰেণ দা, মদন দা, ধ্ৰুৱ দা, দিলীপ দা, প্ৰসন্ন দা, জীৱেশ খুৰা, বিশ্বজিৎ খুৰা, ছাত্ৰ আৰু ছাত্ৰী নিবাসৰ বন্ধু বান্ধৱীসকল, মণি-মাণিক ছপাশালৰ স্বত্বাধীকাৰী শ্ৰীপঙ্কজ দত্তদেৱ লগতে সমূহ কৰ্মীবৃন্দ।

# মঙলদৈ মহাবিদ্যালয় সঙ্গীত

ৰচনা : প্ৰভাত নাৰায়ণ চৌধুৰী



মহাজীৱনৰ মহাসাধনাৰ
আশাৰ গঙ্গালি তুমি,
জ্ঞান গৰিমাৰ ধ্যান-ধাৰণাৰ
মহান পুণ্যভূমি ॥ ১ ॥
অজ্ঞানতাৰ তমসা ৰাতিত
জনতা আছিল ডুবি,
জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা
সুধা সঞ্জীৱনী।
বিকশিত আজি শত শত দল
তোমাৰ চৰণ চুমি ॥ ২ ॥
বিয়পি পৰিছে চৌদিশে আজি
তোমাৰ জ্যোতিৰ ৰাগ,
শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান।
তোমাৰ আভাও হওঁক প্ৰতিভাত
নব প্ৰতিভাৰ খনি ॥ ৩ ॥

মঙলদৈ মহাবিদ্যালয়ৰ সংগীতটি আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন আলোচনী সম্পাদক শ্ৰীপ্ৰভাত নাৰায়ণ চৌধুৰীদেৱে ৰচনা কৰিছিল। গীতটোৰ সুৰ দিছিল শ্ৰীআনন্দ নাৰায়ণদেৱে। কিন্তু গীতটোৰ স্বৰলিপি স্থায়ী ভাৱে ৰাখি নোথোৱাত ইয়াৰ পূৰ্বৰ সুৰৰ ভালেখিনি পৰিবৰ্তন হৈছে। সেয়েহে গীতটোৰ স্বৰলিপি প্ৰকাশ কৰা হ'ল।

সম্পাদিকা

# ঃ মহাবিদ্যালয় সংগীত ঃ

(ক)

ৰচনা : শ্ৰীপ্ৰভাত নাৰায়ন চৌধুৰী,

তাল : দাদৰা

সুৰ আৰু স্বৰলিপি : কুমাৰ আনন্দ নাৰায়ন দেৱ

(ভাতখাণ্ডে পদ্ধতিত স্বৰ লিপি কৰা হৈছে)

## স্থায়ীঃ

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| × | | | ০ | | | × | | | ০ | | |
| গ | গ | গপ | গৰ | গৰ | ম | গ | গ | –প | গৰ | গৰ | স |
| ম | হা | জী | ৰ্য্য | ন্য্য | ৰ | ম | হা | ্সা | ধ্য | ন্যা | ৰ |
| স | ৰগ | ম | ম | মধ | প | স | ম | ধ | — | — | — |
| আ | শাS | ৰ | গ | জাS | লি | তু | মি | S | S | S | S |
| ধ | ধ | ধ | ধন | ধ | প | প | প | প | মধ | স | গ |
| জ্ঞা | ন | গ | ৰিS | মা | ৰ | ধ্যা | ন | ধা | ৰS | না | ৰ |
| ৰ | ৰ | ৰ | ৰগ | মপ | প | নৰ | স | — | — | — | — |
| ম | হা | ন | পুS | SS | ণ্য | ভূS | মি | S | S | S | S |

## ১ম অন্তৰা ঃ

| | | | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| × | | | ০ | | | × | | | ০ | | |
| প | প | ধন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধপ |
| অ | S | জ্ঞাS | নS | তাS | Sৰ | ত | ম | সাS | ৰাS | তিS | Sত |
| প | ধন | ন | ধন | পধ | গ | প | ধ | — | নধ | পধ | — |
| জ | নS | তাS | আS | ছিS | ল | ডু | বি | S | S | S | S |
| ন | ন | নৰ | নধ | পধ | প | প | প | — | — | — | — |
| জ | নS | তাS | আS | ছিS | ল | ডু | বি | S | S | S | S |
| প | পধ | ন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধপ |
| জ্ঞা | নS | ৰ | প্ৰ | দীS | Sপ | শি | খা | ৰেS | বিS | লাS | লাS |

| × | | | ° | | | × | | | ° | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| প | সন | — | ধন | পধ | গপ | প | ধ | ন | নধ | পধ | ন |
| সু | ধাঽ | ঽ | সন | ঽঽ | জীঽ | ৰ | নী | ঽ | ঽঽ | ঽঽ | ঽ |
| ন | ন | নৰ | নধ | পধ | প | ধ | প | — | — | — | — |
| সু | ধা | সন্ | ঽঽ | জী | ঽঽ | ৰ | নী | ঽ | ঽ | ঽ | ঽ |
| প | প | প | পধ | র্ম | র্মৰ | ম | ম | ঽম | মপ | গমপ | ৰ |
| বি | ক | শি | তঽ | আ | জিঽ | শ | ত | ঽশ | তঽ | দঽঽ | ল |
| ৰ | ৰ | ৰ | ৰ | গম | প | নৰ | স | — | — | — | — |
| তো | মা | ৰ | চ | ৰঽ | ণ | চুঽ | মি | ঽ | ঽ | ঽ | ঽ |

## ২য় অন্তৰা:

| × | | | ° | | | × | | | ° | | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| ম | ৰ | গপ | গ | ৰ | গৰস | স | ৰ | গপ | গ | ৰগ | ৰস |
| বি | য় | পিঽ | প | ৰি | ছেঽঽ | চৌ | ঽ | দিঽ | শে | আঽ | জিঽ |
| স | ধ | ধ | পধ | গপ | ধ | — | — | — | — | — | — |
| তো | মা | ৰ | জ্যোঽ | তিঽ | ৰ | বা | ঽ | ঽ | ঽ | ঽ | নঽ |
| ন | ন | ন | ধন | পধ | গধ | প | — | — | — | — | — |
| তো | মা | ৰ | জ্যোঽ | তিঽ | ঽৰ | বা | ঽ | ঽ | ঽ | ঽ | ন |
| স | ৰ | গপ | গৰ | ৰগ | ৰস | স | ৰ | গপ | গৰ | ৰগ | ৰস |
| শ | ত | প্রঽ | দীঽ | পঽ | ঽৰ | চৌঽ | ঽ | দিঽ | শেঽ | আঽ | জিঽ |
| স | ধ | ধ | পধ | গ | প | ধ | — | — | — | — | — |
| তু | মি | যে | দ্বীঽ | প্ | তি | আ | ঽ | ঽ | ঽ | ঽ | ন |
| ন | ন | ন | ধন | পধ | গধ | ধ | প | — | — | — | — |
| তু | মি | যে | দ্বীঽ | ঽপ্ | তিঽ | মা | ঽ | ঽ | ঽ | ঽ | ন |

(পুনৰ স্থায়ীলৈ এবাৰ গায় শেষ কৰিব)

# স্মৃতি-তৰ্পণ




দেশ আৰু স্বজাতিৰ হকে প্ৰাণাহুতি দিয়া জাতীয় বীৰসকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

— সম্পাদনা সমিতি

# শ্ৰদ্ধাৰে সোঁৱৰিছোঁ



অৱসৰ প্ৰাপ্ত অধ্যক্ষ
ডঃ পূৰ্ণ চন্দ্ৰ বৰা



অৱসৰ প্ৰাপ্ত অধ্যক্ষ
শ্ৰীগোপীকান্ত শৰ্মা



অৱসৰ প্ৰাপ্ত অধ্যাপক
দেবী দাস নেওঁগ।



৺ভজন লাল যাদব

মৃত্যু—১৯৯২ চন



৺অৰুণ ডেকা

জন্ম—২৭-৪-৭৪

মৃত্যু—৮-১০-৯২

# তত্ত্বাৱধায়ক অধ্যাপকৰ একেষাৰ ঃ


ইদ্ৰিছ আলি
প্ৰবক্তা, অসমীয়া বিভাগ

১৯৯০-৯১ চনৰ মহাবিদ্যালয় আলোচনী প্ৰকাশ নেপালে। ১৯৮৯-৯০ কালৰ আলোচনী-খন গুৱাহাটীৰ ছপাশালত ছপাই উলিয়াই সেই সংখ্যাৰ সম্পাদিকাই এক অভিলেখ ৰচনা কৰিছিল। সেই বছৰৰ আলোচনীখনে এক নতুন ৰূপত আত্ম প্ৰকাশ কৰিছিল। কবলৈ গলে পূৰ্বৰ সকলো অভিলেখ ভঙ্গ কৰি উক্ত বছৰৰ আলোচনীখনে এক নতুন পৰম্পৰা আনি দিলে। তাৰ পৰৱৰ্ত্তী বছৰত মহাবিদ্যালয় আলোচনীৰ বাবে সংগৃহীত ধন আলোচনা চক্ৰৰ বাবে খৰচ কৰা হ'ল। আলোচনীৰ শিতানৰ টকা পূৰ্বৰ একতা সভাই অধিককৈ খৰচ কৰাৰ বাবে এই বছৰলৈ টকাৰ ঘাটী পৰিল। ১৯৯০-৯১ চনৰ আলোচনী খনৰ তেতিয়া যিমান খৰচ পৰিছিল এতিয়া তাতকৈ বহু বেছি খৰচ পৰে। আনহাতে এইবাৰ আলোচনীৰ শিতানত ধন আছে বহুত কম। গতিকে মানদণ্ড বজাই ৰাখি (অন্ততঃ বাহ্যিক ৰূপৰ ফালৰ পৰা) সেই ধনেৰে আলোচনী প্ৰকাশ কৰাটোৱেই অসম্ভৱ হৈ পৰিছিল। তথাপি অশেষ প্ৰচেষ্টাৰে বিশেষকৈ সম্পাদিকাৰ একাগ্ৰতাৰ ফলতে আলোচনীখনৰ প্ৰকাশ সম্ভৱ হ'ল! সম্পাদনা সমিতিৰ সন্মানীয় সদস্যসকলৰ লগতে অধ্যক্ষ শ্ৰীশিৱ শৰ্মাদেৱৰ পূৰ্ণ সহযোগ এইবাৰ আলোচনী প্ৰকাশৰ ক্ষেত্ৰত বিশেষভাৱে উল্লেখনীয়।

মহাবিদ্যালয়ৰ আলোচনীখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লেখনীৰে সমৃদ্ধ হোৱা উচিত! কিন্তু কবিতাৰ বাহিৰে অন্য লেখনীৰ সংখ্যা ইমান কম পোৱা হৈছে যে তাৰে এখন আলোচনী প্ৰকাশ কৰি উলিওৱা মুঠেই সম্ভৱ নহয়। বিশেষকৈ প্ৰৱন্ধ একেবাৰে পোৱাই নাছিলোঁ বুলি ক'লেও অত্যুক্তি কৰা নহয়। যি দুই চাৰিটা প্ৰৱন্ধ পোৱা হৈছিল তাৰ মানদণ্ড ইমান নিম্ন আছিল যে আলোচনীত কোনো পধ্যে প্ৰকাশ কৰিব নোৱাৰি। গল্পৰ ক্ষেত্ৰটো প্ৰায় একেটা কথাকে কব পাৰি। সেয়ে অধিক সংখ্যক শিক্ষকৰ লেখনীৰে আলোচনীৰ পৃষ্ঠা পূৰাবলৈ সম্পাদিকা বাধ্য হৈছে। আমি আশা ৰাখিছো ছাত্ৰ-ছাত্ৰীসকলে প্ৰবন্ধ ৰচনা কৰাত অধিক মনোনিবেশ কৰিব।

'নাই মোমাইতকৈ কণা মোমাই ভাল' এই মনোভাৱেৰেহে এইবাৰৰ আলোচনী প্ৰকাশ কৰা হৈছে। এফালে আৰ্থিক দৈন্য আনফালে প্ৰৱন্ধ আৰু গল্পৰ নাটনি। এনে অৱস্থাত এখন সৰ্বাঙ্গ সুন্দৰ আলোচনী প্ৰকাশ কৰিবলৈ লোৱাটো এক দুঃসাহসিক কাম। সম্পাদিকাই সেই দুঃসাহ কৰিছে। গতিকে আলোচনীখনৰ অপূৰ্ণতা আৰু দুৰ্বলতাৰ বাবে আমি সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

# মোৰ কথাৰে.........



## সম্পাদকৰ কলম

**অ**সমৰ অস্তিত্ব ৰক্ষাৰ বাবে জীৱন আহুতি দিয়া জ্ঞাত অজ্ঞাত মহান বীৰ শ্বহীদসকললৈ শত সহস্ৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিছোঁ। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু শিক্ষাগুৰু সকলৰ প্ৰতি আন্তৰিক কৃতজ্ঞতাৰে মোৰ এই সম্পাদকীয় শুভাৰম্ভণি কৰিছোঁ।

দশোদিশৰ পৰা অহা বাৰুদৰ শব্দ আৰু হাঁহি-কান্দোনৰ কলধ্বনি শুনি স্তব্ধ হব খোঁজে কলম। অসমত যেন ৰাক্ষস বোৰেই ভাই ভাইৰ মাজত সংঘৰ্ষ লগাই তেজৰ ফাকু খেলিছে। চাৰিওফালে হত্যা, লুণ্ঠন আৰু ধৰ্ষণ। অসমী মাতৃয়ে উচুপিছে, কিন্তু সেই উচুপনি কোনোৱেই শুনা নাই, কোনোৱেই বুজা নাই। আজি বিশ্বত বাজি উঠিছে মাথোন সংঘৰ্ষৰ কোলাহল। আমি বিচাৰিছো বিশ্ব শান্তি আৰু ভ্ৰাতৃত্ব— যাৰ দ্বাৰা সৃষ্টি হব সোণ-সেৰীয়া সাহিত্য। এই সৃষ্টিয়ে বিশ্ববাসীক বান্ধিব একতাৰ সোণোৱালী দোলেৰে।

দৰং জিলাৰ ভিতৰতে একমাত্ৰ ঐতিহ্যমণ্ডিত উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান, জ্ঞানৰ মন্দিৰ সদৃশ এই মঙলদৈ মহাবিদ্যালয়। আলোচনী বিভাগৰ সম্পাদিকা হিচাবে নিৰ্বাচিত কৰি দায়িত্ব গ্ৰহণৰ সুবিধাকণ দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱী সকললৈ এই খিনিতে কৃতজ্ঞতা তথা ধন্যবাদ জনাইছোঁ।

মই সম্পাদিকা হিচাবে দায়িত্ব গ্ৰহণ কৰাৰ পিছতেই মহাবিদ্যালয় সপ্তাহ উপলক্ষে আলোচনী বিভাগৰ পৰা 'মুকলি প্ৰশ্নোত্তৰ প্ৰতিযোগিতা' (Open quiz) পতা হৈছিল। এই অনুষ্ঠানটো

ভৱাতকৈও বেছি সাফল্যমণ্ডিত হৈছিল। ইয়াৰ মূলতে আছিল আলোচনী বিভাগৰ তত্বাৱধায়ক মাননীয় ইদ্রিছ আলি চাৰ। তেওঁ অনুষ্ঠানটো বৰ আমোদজনক কৰি তুলিছিল। মাননীয় শ্ৰীডিম্বেশ্বৰ বৰুৱা চাৰেও এই অনুষ্ঠানটিত উপস্থিত থাকি সক্রিয় সহায় আগবঢ়াইছিল। এই সুযোগতে মই মাননীয় আলি চাৰ আৰু বৰুৱা চাৰৰ লগতে যিসকল ছাত্র-ছাত্রী, বন্ধু-বান্ধৱীয়ে উপস্থিত থাকি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰিছিল তেওঁলোক সকলোটিলৈকে কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

"সাহিত্যই জাতিৰ দাপোন"। গতিশীল সময়ৰ হাত বুলনিত কেতিয়াবা এটা জাতিৰ মৃত্যু ঘটিব পাৰে, কিন্তু যদি চহকী সাহিত্য আৰু সংস্কৃতি থাকে, বিশ্বৰ ইতিহাসৰ পাতত সেই জাতি-টোৰ নাম সোণালী আখৰেৰে জিলিকি থাকে। ঠিক সেইদৰে মহাবিদ্যালয় আলোচনীখনৰ জৰিয়তে মহাবিদ্যালয়ৰ সমূহ ছাত্র-ছাত্রীৰ সাহিত্যিক তথা ব্যক্তিত্বৰ প্ৰতিভা পৰিস্ফুট হৈ উঠে।

মই আলোচনীখন ইয়াতোকৈ উন্নত মানদণ্ডৰ কৰা প্ৰয়াস কৰিছিলোঁ। ইয়াৰ পাতত বিলুপ্ত দৰঙী ক'লা সংস্কৃতিৰ আলোচনা দাঙি ধৰাৰ লগতে হাস্য-ব্যঙ্গাত্মক ৰচনা, গল্প, প্ৰৱন্ধাদিৰে আলোচনীখন সুখ-পাঠ্য কৰি তোলাৰ প্ৰয়াস কৰিছিলো। কিন্তু পৰিতাপৰ বিষয় তেনে প্ৰকাশোপযোগী বিশেষ গল্প, প্ৰৱন্ধ আদি হাতত নপৰিল। বহু যত্ন কৰিও ছাত্র-ছাত্রী সকলৰ পৰা সুলিখিত লেখনি বিচাৰি উলিয়াব নোৱাৰিলোঁ। ই মোৰেই অক্ষমতা নে মহা-বিদ্যালয়ৰ ছাত্র-ছাত্রীসকলৰ সাহিত্যিক প্ৰতিভাৰে দৈন্য নাজানো। যি সীমিত সংখ্যক লেখনি হাতত পৰিছিলহি তাৰেই আলোচনীখন পোহৰলৈ আনিলো। আলোচনী খনৰ কলেৱৰ বৃদ্ধি কৰাৰ লগতে উন্নত মানদণ্ডৰ লিখনিৰে ইয়াক সমৃদ্ধ কৰিম বুলি ভাবিছিলো। কিন্তু তাকে কৰিবলৈ লওঁতে পদে পদে উজুতি খাব লগীয়া হ'ল। বিশেষকৈ আৰ্থিক দিশত মানান সমস্যাৰ সন্মুখীন হবলগীয়া হ'ল। সৌভাগ্য বশতঃ স্থায়ী অধ্যক্ষ মহোদয়ে আমাৰ মিনতি শুনি আৰ্থিক সমস্যা সমাধান কৰিবলৈ আগবাঢ়ি আহি আলোচনীখন অনুষ্টুপীয়াকৈ হ'লেও প্ৰকাশ কৰাত সহায় আগবঢ়ালে। সেয়ে মই অধ্যক্ষ মহোদয়ৰ ওচৰত চিৰ কৃতজ্ঞ। যি সকল ছাত্র-ছাত্রী, বন্ধু-বান্ধৱী, লিখনিৰে আলোচনী প্ৰকাশ কৰা হ'ল, তেওঁলোকৰ নিস্বাৰ্থ সেৱাৰ স্বাক্ষৰ আলোচনীৰ পাতে পাতে জিলিকি আছে। এই স্বতস্ফূৰ্ট সহযোগৰ বাবে তেওঁলোকৰ ওচৰত মই চিৰঋণী। ভৱিষ্যতে প্ৰত্যেক বছৰে আলোচনীখন প্ৰকাশিত হৈ ছাত্র-ছাত্রীৰ সুপ্ত সাহিত্যিক প্ৰতিভা প্ৰতিফলিত হোৱাত তাৎপৰ্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰক তাকে কামনা কৰিলোঁ।

আলোচনী প্ৰকাশৰ ক্ষেত্ৰত এজন তত্বাবধায়ক হিচাবে যিমান সহায় কৰিব লাগে তাতোকৈ অধিক সহায় কৰা বাবে শ্ৰদ্ধাৰ আলি চাৰ, বিভিন্ন পাণ্ডুলিপি পৰীক্ষা কৰি দিয়া বাবে মোৰ শিক্ষাগুৰু মাননীয় শ্ৰীমণিমুগ্ধ বৰঠাকুৰ চাৰ আৰু শ্ৰীডিম্বেশ্বৰ বৰুৱা চাৰক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মোক প্ৰতিটো ক্ষেত্ৰতে সহায় কৰা মোৰ বন্ধু ৰমেন, নৃপেন, দিব্য আৰু বান্ধৱী মালা, প্ৰতীতি, স্বপ্না লৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

মোৰ এই গধুৰ দায়িত্ব আদিৰ পৰা অন্তলৈ মৰম চেনেহেৰে দিহা-পৰামৰ্শ আগবঢ়োৱা ভাৰপ্ৰাপ্ত অধ্যক্ষ ( অৱসৰ ) মাননীয় ডঃ পূৰ্ণ চন্দ্ৰ বৰা আৰু বৰ্ত্তমানৰ স্থায়ী অধ্যক্ষ শ্ৰদ্ধেয় শ্ৰীশিৱ কান্ত শৰ্ম্মা দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ।

আপোনালোকেই যিহেতু মোক নিৰ্বাচিত কৰিছিল গতিকে মোৰ আলোচনী প্ৰকাশৰ প্ৰতি থকা ৰাগ, অনুৰাগ প্ৰচেষ্টাৰ বিচাৰো আপোনালোকৰ হাতত তুলি দিলোঁ। কিছুমান সমস্যাৰ বাবে বিশেষকৈ বিভিন্ন বিভাগীয় সম্পাদক সকলৰ প্ৰতিবেদন সমূহ যথাসময়ত নোপোৱাৰ বাবে আলোচনীখন প্ৰকাশত কিছু পলম হোৱাত আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছোঁ। আনকি একাধিক বাৰ প্ৰচেষ্টা চলায়ো মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ এখন সমূহীয়া ছবি তুলিব নোৱাৰাটো অকল পৰিতাপৰ কথাই নহয়, লজ্জাজনকো বুলি বাৰুকৈ উপলব্ধি কৰিছোঁ।

মেলানী মগাৰ প্ৰাগমুহূৰ্তত জ্ঞাত অজ্ঞাত ভুল ক্ৰটীৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিলোঁ। লগতে মোৰ সহপা আৰু অনুজ সকলৰ শিক্ষা জীৱনৰ কৃতকাৰ্য্যতা কামনা কৰি নতুন বছৰৰ প্ৰীতি আৰু শুভেচ্ছাৰে সম্পাদিকাৰ বুলনিৰ সামৰণি মাৰিলো।

জয় আই অসম।

নমস্কাৰেৰে
ববিতা কুমাৰী মাজু ডেকা
সম্পাদিকা, আলোচনী বিভাগ
১৯৯১-৯২

# প্ৰবন্ধ

## প্ৰবন্ধৰ শৰাই ঃ

১। কতিপয় দেৱ দেৱীৰ পূজা আৰু তাৎপৰ্য,– অধ্যাপক ড° ৰমেন ৰয় ॥ ১ ॥
২। ঢেপা-ঢুলীয়া—শ্ৰীহীৰেণ ডেকা ॥ ৫ ॥
৩। মঙ্গলদৈ মহাবিদ্যালয়ৰ জীয়া ইতিহাস ভজনলাল—ইদ্ৰিচ আলি ॥ ৭ ॥
৪। অসমত প্ৰাপ্তবয়স্ক শিক্ষা আৰু ইয়াৰ গতিধাৰা—শ্ৰীসুৰজিৎ কলিতা ॥ ৮ ॥
৫। অসতো মা সদগময়—অধ্যাপক শ্ৰীশৰৎ চন্দ্ৰ শৰ্মা ॥ ১২ ॥
৬। "ইতিহাসে গৰকা ৰহস্যঘন ধলপুৰ পাহাৰ"—শ্ৰীক্ষিৰিতি বৰা ॥ ১৫ ॥
৭। নেপাল ভ্ৰমণ এক চমু অভিজ্ঞতা—শ্ৰীহিমাংশু নাথ ॥ ১৭ ॥
৮। "কিবা লিখিলো ?"—শ্ৰীসাধিৰাম বৰা ॥ ২১ ॥
৯। ভুৱনেশ্বৰত দুদিন—শ্ৰীহেমন্ত বৰুৱা ॥ ২৩ ॥

# কতিপয় দেৱ দেৱীৰ পূজা আৰু তাৎপৰ্য

ড° ৰমেন ৰয়
অধ্যাপক, বঙালী বিভাগ

ভাৰতবৰ্ষ ধৰ্মৰ দেশ। ইয়াত বিভিন্ন দেৱ-দেৱীৰ পূজা হয়। এই সমস্ত দেৱ-দেৱীৰ পূজা এনেই কৰা নহয় ; ইয়াৰ তাৎপৰ্য আছে। 'পূজা' শব্দটোৰ অৰ্থ সম্বৰ্ধন, অৰ্থাৎ নিজক সম্যক ৰূপে বৰ্ধিত কৰা। কোনো দেৱতাৰ পূজা কৰা মানে সংশ্লিষ্ট দেৱতাৰ গুণবোৰ আহৰণ কৰি নিজৰ চৰিত্ৰক সমৃদ্ধ কৰা।

সৰ্ব প্ৰথম 'নাৰায়ণ' পূজাৰ কথাই কোৱা যাওঁক। 'নাৰায়ণ' শব্দটোত 'নৰ' আৰু 'অয়ন' এই দুটা শব্দ আছে। 'নৰ'ৰ লগত 'অন্' প্ৰত্যয়যুক্ত হৈ 'নাৰ' শব্দটো হৈছে। 'নাৰ' মানে নৰসমূহ আৰু 'অয়ন' মানে পথ। সেয়ে 'নাৰায়ণ' শব্দৰ অৰ্থ মানুহৰ জীৱন পথ। অৰ্থাৎ নাৰায়ণ হ'ল সেই পথ, যি পথ অনুসৰণ কৰি চলিলে এজন মানুহে সুস্থ, স্বাস্থ্য আৰু দীৰ্ঘ জীৱন লাভ কৰিব পাৰে।

'নাৰা' বুলি এটি শব্দ আছে। এই শব্দটোৰ অৰ্থ 'পানি'। এই পানি যাৰ আশ্ৰয়, তেৱেঁই নাৰায়ণ। প্ৰাণৰ উৎপত্তিৰ কাৰণে ৰস বা জলৰ প্ৰয়োজন। সেয়ে জলেই হ'ল সৃষ্টিৰ প্ৰথম বস্তু। এককোষী প্ৰাণী পোন প্ৰথম পানিতেই দেখা যায়।

'নাৰায়ণ' চতুৰ্ভুজ। চতুৰ্ভুজৰ তাৎপৰ্য নাৰায়ণৰ দৃষ্টি সৰ্বত্ৰ। অৰ্থাৎ সকলো ফালে তেওঁৰ চকু। বিশ্ব দুনিয়াৰ মালিক তেৱেঁই। নাৰায়ণৰ চাৰি হাতত শঙ্খ, চক্ৰ, গদা আৰু পদ্ম। 'শঙ্খ' শব্দটোত আছে 'শম্' ধাতু' যাৰ অৰ্থ মঙ্গল। 'চক্ৰ' শব্দটোত 'চক্' ধাতু আছে ; চক্ ধাতুৰ অৰ্থ তৃপ্তি। 'চক্ৰ' শব্দৰ অৰ্থ এনেকুৱা কৰ্ম যাৰ দ্বাৰা সকলোৰে সত্বেও তৃপ্তি সাধিত হয়। এই 'চক্ৰ'ৰ নাম 'সুদৰ্শন' যাৰ অৰ্থ সম্যক দৰ্শন। 'গদা' শব্দটোত আছে 'গদ্' ধাতু। 'গদ্' ধাতুৰ অৰ্থ কথা কোৱা আৰু মেঘধ্বনি। তেনেহ'লে 'গদা' শব্দৰ অৰ্থ হয়, বাক্য আৰু কৰ্মৰ সুসঙ্গতি পূৰ্ণ বিন্যাস। 'পদ্ম' শব্দটোত আছে 'পদ্' ধাতু, যাৰ অৰ্থ গতি, স্থৈৰ্য্য প্ৰাপ্তি।

'নৰ' শব্দটোত 'নৃ' ধাতু আছে। 'নৃ' ধাতুৰ অৰ্থ বৰ্দ্ধন। আৰু 'অয়ন' মানে পথ। সেয়ে 'নাৰায়ণ' মানে 'বৰ্দ্ধনৰ

পথ'। —এনেও হয়। 'নাৰায়ণ'ক বিষ্ণুও কোৱা হয়। 'বিষ্ণু'ত 'বিশ্' ধাতু আছে, যাৰ অৰ্থ ব্যাপ্তি। সমগ্ৰ জগত বিষ্ণুময়।

শালগ্ৰাম শীলাক নাৰায়ণ ৰূপে কল্পনা কৰা হয়। এই শালগ্ৰামশীলা ব্ৰহ্মাণ্ডৰ প্ৰতীক। 'নাৰায়ণ পূজা' মানে নাৰায়ণৰ প্ৰীতিকৰ কৰ্ম কৰা। অৰ্থাৎ আমাৰ সত্তা পৰি-পোষিত হয় এনে কৰ্ম কৰা।

দেৱতাসকলৰ মাজত মহাদেৱৰ এটি বিশিষ্ট স্থান আছে। 'দেৱতা' শব্দটোৰ মূলতে আছে 'দিৱ' ধাতু। এই দিৱ, ধাতুৰ অৰ্থ 'দীপ্তি'। তেঁৱেই দেৱতা যিজনে ইষ্টানুগ সাধনা, কৰ্ম আৰু লোকসেৱাৰ যোগেদি দীপ্তিমান চৰিত্ৰৰ অধিকাৰী হৈছে। পুৰাকালে এনেকুৱা এজন চৰিত্ৰৰ মানুহ আছিল যিজনৰ চৰিত্ৰ আৰু ব্যক্তিত্বই তৎকালীন জনসমাজত প্ৰভাৱ বিস্তাৰ কৰিছিল। এওঁৰ আদৰ্শ আৰু ভাৱধাৰা দেশত সুপ্ৰচাৰিতও হৈছিল।

'শিৱ' শব্দটোৰ অৰ্থ মঙ্গল। 'শিৱ' শব্দটোত 'শী' ধাতু আছে। 'শী' ধাতুৰ অৰ্থ শয়ন কৰা। তেনেহলে 'শিৱৰ' অৰ্থ হয় যিজনৰ মাজত সকলো শায়িত অৰ্থাৎ যিজনে সকলোৰে আশ্ৰয়। 'শিৱ'ক 'শম্ভু'ও বোলা হয়। 'শম' ধাতু আছে শম্ভু শব্দটোত। 'শম্' ধাতুৰ অৰ্থ 'কল্যাণ'। ভূ' ধাতুৰ অৰ্থ হোৱা। সেয়ে শম্ভু শব্দটোৰ অৰ্থ হ'ল, যিজনে কল্যাণ ৰূপী হৈ আছে, তেৱেঁই শম্ভু।

'শিৱ'ৰ দুজন অনুচৰৰ নাম নন্দী আৰু ভৃঙ্গী। আচলতে এই দুটা হ'ল শিৱৰ শক্তি। 'নন্দী' শব্দটোত 'নন্দ' ধাতু আছে। 'নন্দ' ধাতুৰ অৰ্থ আনন্দ। ভৃঙ্গী শব্দটোত আছে 'ভৃ' ধাতু। 'ভৃ' ধাতুৰ অৰ্থ ভৰণ, পোষণ আৰু ধাৰণা কৰা। শিৱৰ মাজত এই দুটা শক্তি স্বতঃস্ফূৰ্ত।

শিৱক 'পশুপতি'ও বোলা হয়। পশু বোলোতে সাধাৰণতে জন্তু, ইতৰ প্ৰাণীকে বুজায়। 'পশু' শব্দটোত আছে 'পশ' ধাতু–পশ্ ধাতুৰ অৰ্থ দৰ্শন কৰা সেয়ে 'পশুপতি' শব্দৰ অৰ্থ—যিজনে সকলো বিশেষ ভাৱে দৰ্শন আৰু বোধ কৰিব পাৰে।

শিৱ পূজাত বেলৰ পাত অপৰিহাৰ্য্য। বেল, বেলপাত, বেলগছৰ মূল, বাকলি, আদিৰ ভেষজ গুণ অসীম। বিহিত ভাৱে এইবোৰ ব্যৱহাৰ কৰিলে জ্বৰ, বাত, উদৰ ঘটিত পীড়া আদি ৰোগৰ নিৰাময় হয়। সেয়ে বিল্ব পত্ৰ শিৱৰ বৰ প্ৰিয়বস্তু।

শিৱৰ অপৰ নাম 'বৈদ্য নাথ'। 'বৈদ্য' শব্দটোত 'বিদ্' ধাতু আছে। 'বিদ' ধাতুৰ অৰ্থ জনা ; অস্তিত্ব বৰ্তমান থকা। তেৱেঁই বৈদ্য যিজনে ভালদৰে জীয়াই থকাৰ নিয়মনীতিবোৰ সম্যকৰূপে জ্ঞাত। এই বৈদ্য সকলৰ নাম–বৈদ্যনাথ। শিৱৰ অপৰ নাম বানেশ্বৰ, 'বান' শব্দৰ অৰ্থ বিস্তাৰ। শিৱ এই বিশ্ব ব্ৰহ্মাণ্ডৰ অধীশ্বৰ বিশ্বনাথ।

কিছুমানে শিৱব্ৰত পালন কৰে। 'ব্ৰত' শব্দটোত 'বৃ' ধাতু আছে। 'বৃ' ধাতুৰ অৰ্থ বৰণ কৰা। 'শিৱব্ৰত' পালন কৰা মানে শিৱক বৰণ কৰা। 'ব্ৰত'টোৰ মূলত 'ব্ৰজ্ ধাতু ও থাকিব পাৰে। 'ব্ৰজ্' ধাতুৰ অৰ্থ চলা। এই অৰ্থত 'শিৱব্ৰত' হ'ল, শিৱই ভাল পোৱা কামবোৰ কৰা, অৰ্থাৎ শিৱৰূপী গুৰুৰ ইচ্ছামতে চলা। গুৰু স্তোত্ৰত আছে গুৰুৰেৱ মহেশ্বৰ। গুৰুই মহেশ্বৰ। কিছুমানে শিৱৰ উপবাস কৰে। 'উপবাস' শব্দটোত 'উপ' - পূৰ্বক 'বস্' ধাতু আছে। অৰ্থ – ওচৰত থকা। শিৱৰ উপবাস মানে হ'ল শিৱৰ ওচৰত থকা—অৰ্থাৎ শিৱচিন্তা পৰায়ণ হৈ থকা। শিৱ মঙ্গল সত্তাপোষী কৰ্ম কৰাই মঙ্গল। সেয়ে শিৱৰ উপবাস হ'ল সত্তাপোষী কৰ্মত লিপ্ত থকা।

শিৱৰ শক্তি দুৰ্গা। দুৰ্গ স্বৰূপ। দুৰ্গত থকা মানুহবোৰ সুৰক্ষিত। দুৰ্গাই আশ্ৰিতক দুৰ্গাৰ দৰেই ৰক্ষা কৰে দুৰ্গা 'দশভুজা'। দুৰ্গাৰ হাত দুটায়েই কিন্তু দুহাতেৰে তেওঁ দহ হাতৰ কাম কৰে। সেয়ে 'দশভুজা'। বস্তুত দুৰ্গা পূজা আমাৰ প্ৰতি প্ৰত্যেকৰ গৰ্ভ ধাৰিণী জননীৰে পূজা। আমাৰ গৰ্ভ ধাৰিণী জননীয়ে আমাক দহ-হাতৰ কাম কৰে আমাৰ ৰক্ষাৰ কাৰণে।

দুৰ্গাৰ আন এটি নাম 'শাৰদা'। দুৰ্গা পূজা শৰৎ কালত হয়, সেয়ে দুৰ্গা শাৰদা। 'শৰৎ' শব্দটোত 'শৃ' ধাতু আছে। শৃ' ধাতুৰ অৰ্থ বধ আৰু হিংসা। সেয়ে শাৰদা পূজা মানে হিংসাত্মক কৰ্ম আৰু চিন্তাক নিহত কৰি ৰক্ষাক সম্বোধিত কৰা। সেয়ে শাৰদা পূজা মানে অসৎ-নিৰোধী পৰাক্ৰম অৰ্জন কৰা।

দুৰ্গাৰ নাম ভগৱতী। 'ভগৱতী'ত 'ভগ' শব্দ আছে। ঐশ্বৰ্য্য, বীৰ্য্য, যশ, শ্ৰী, জ্ঞান আৰু বৈৰাগ্য —এই ছটা ঐশ্বৰ্য্যৰ নাম 'ভগ'। দুৰ্গা ভগৱতী —অৰ্থাৎ এই ষড় ঐশ্বৰ্য্যৱতী।

দুৰ্গা মহামায়া। 'মায়া' শব্দটোত 'মা' ধাতু আছে। 'মা' ধাতুৰ অৰ্থ পৰিমাপ কৰা। তেওঁ বিশ্বৰ প্ৰতিটো বস্তু পৰিমাপিত কৰি সৃষ্টি কৰিছে। সেয়ে পাহাৰ পাহাৰ, নদী নদী, মানুহ মানুহ।

মা দুৰ্গাৰ বীজ মন্ত্ৰ 'হ্ৰীং'। 'হ্ৰী' মানে লজ্জা। লজ্জা নাৰীৰ ভূষণ। দুৰ্গা দেৱীৰ লগতে থাকে নৱ-পত্ৰিকা। নৱ পত্ৰিকাত থাকে নবিধ শস্য। এইবোৰ হ'ল—কল, কচু, হালধি, জয়ন্তী, বেল, ডালিম, অশোক, মানকচু আৰু ধান। এই আটাইবোৰ আমাৰ জীৱনীয় শস্য। সেয়ে দুৰ্গা পূজা কৃষিৰ অধিষ্ঠাত্ৰী দেৱতাৰো পূজা। দুৰ্গা পূজাত বিল্ব বৃক্ষত 'বোধন' উৎসৱ অনুষ্ঠিত হয়। 'বোধন' হ'ল সম্যক বোধৰ জাগৰণ। সত্তা পোষী কৰ্মত হেপাহ, সত্তাৰ পৰিপন্থি কাৰ্য্যত নিবৃত্তি—এই বোধেই হ'ল সম্যক বোধ।

দুৰ্গা পূজাত 'বলি' হয়। 'বলি' শব্দৰ অৰ্থ উৎসৰ্গ। 'বলি' শব্দত আছে 'বল' ধাতু। 'বল' ধাতু মানে বৰ্দ্ধন। সেয়ে দুৰ্গা পূজা কৰি পূজকে সম্যক ৰূপে বৰ্দ্ধিত হব পাৰে। পশুবলি নহয়, বলি দিব লাগে আমাৰ ইষ্ট বিৰোধী সত্তা— অপৰিপোষী প্ৰবৃত্তিক।

দুৰ্গা দেৱীক বিসৰ্জন দিয়া হয়। 'বিসৰ্জন' শব্দটোত আছে 'বি' পূৰ্বক 'সৃজ' ধাতু। অৰ্থ — বিশেষ ভাৱে সৃষ্টি। সেয়ে বিসৰ্জন মানে দুৰ্গাদেৱীক সপৰিয়াল পানীত পেলাই দিয়া নহয় দুৰ্গা পূজকে দিব্য চেতনা সম্পন্ন হয়। পূজকৰ অন্তৰত অসতক পৰাভূত আৰু নিৰস্ত কৰাৰ শক্তি জাগ্ৰত হয়।

দুৰ্গা আমাৰ নিজৰ গৰ্ভধাৰিণী জননীৰ প্ৰতীক। সেয়ে নিজৰ মাতৃক সেৱা শুশ্ৰূষা আদৰ যত্নই আচল দুৰ্গা পূজা তাকে নকৰাকৈ আড়ম্বৰে দুৰ্গা পূজা নিষ্ফল।

দুৰ্গা পূজাৰ লগত লক্ষ্মী পূজাও হয়। 'লক্ষ্মী' শব্দটোত আছে 'লক্ষ' ধাতু। 'লক্ষ' ধাতুৰ অৰ্থ অঙ্কন; জ্ঞান; দৰ্শন; আলোচনা; চিহ্নিত কৰণ। 'লক্ষ্মী' শব্দৰ অৰ্থ - বিজ্ঞমে দেখে, আলোচনা কৰে, শুভা-শুভ বিচাৰ কৰি সকলো কাম সম্যক ভাৱে কৰাৰ বাবে চিহ্নিত কৰি ৰাখে। লক্ষ্মীৰ বাসভূমি বৈকুণ্ঠ। 'বৈকুণ্ঠ' শব্দৰ অৰ্থ বিগত কুণ্ঠা অৰ্থাৎ কুণ্ঠাবিহীন মানসিক অৱস্থা। কুণ্ঠা হ'ল সংকোচ; শঙ্কীৰ্ণতা হীনতা আদি। এইবোৰ বি খনত নাই সেই খনেই বৈকুণ্ঠ। এনেকুৱা মনোভাৱ সম্পন্ন মানুহ ইষ্টমুখী ঈশ্বৰ মুখী ধৰ্ম নিষ্ঠ হয়। এনেকুৱা মানুহৰ ঘৰতেই লক্ষ্মীৰ বাস।

লক্ষ্মী 'জলধিজা' —সমূদ্ৰ সম্ভূতা। এই সমূদ্ৰ ভৱ-সমূদ্ৰ। বিহিত চেষ্টা আৰু অনলস পৰিশ্ৰমৰ মাধ্যমেই সৌভাগ্য অৰ্থাৎ 'লক্ষ্মী' লাভ হয়। চেষ্টা আৰু পৰিশ্ৰমেই মন্থন আৰু মন্থন দণ্ড হ'ল ইষ্টনিষ্ঠ সত্তাপোষী নীতি।

লক্ষ্মীৰ আন এটি নাম ইন্দিৰা। 'ইন্দ' ধাতুৰ পৰা 'ইন্দিৰা' হৈছে। 'ইন্দ' ধাতুৰ অৰ্থ পৰমেশ্বৰ্য। লক্ষ্মী কমতাৰ বা কান্তিৰ প্ৰতীক, সেয়ে, এই দেৱীৰ নাম 'কমলা'। এই দেৱী সন্তান সকলৰ প্ৰতি স্নেহ পৰায়ণা; তেওঁলোকৰ কল্যাণ সাধনত নিয়ত ৰত বা তৎপৰ।

লক্ষ্মী পূজাত ধান আৰু দূৰ্ব্বা অপৰিহাৰ্য্য। ধান আমাৰ প্ৰধান খাদ্য। দূৰ্ব্বা ঘাহ সহজতে নমৰে। সেয়ে দূৰ্ব্বা সঞ্জীৱতা আৰু অমৰতাৰ প্ৰতীক।

দুৰ্গাৰ লগতে সৰস্বতীও আছে। সৰস্বতী শব্দটোত আছে 'সৃ' ধাতু। 'সৃ' ধাতুৰ অৰ্থ গতি, চলা; বিকশিত হোৱা। সেয়ে 'সৰস্বতী' শব্দটোত বিকাশৰ আকুলতা আছে। সেয়ে সৰস্বতী বিকাশৰ দেৱী; গতিৰ প্ৰতীক। সৰস্বতীৰ বাহন হংস হ'ল কল নাদী। 'কল' ধাতুৰ অৰ্থ গতি, শব্দ। 'হংস'ত গতি আৰু শব্দ দুয়ো বিদ্যমান। সৰস্বতী শব্দৰো দেৱী–সেয়ে তেওঁ বাকদেৱী।

সৰস্বতীৰ বীজমন্ত্ৰ 'ঐং'। এই 'ঐং' ধ্বনি বিহীত ভাৱে উচ্চাৰণ কৰিলে বীণা ধ্বনিৰ দৰে লাগে। সেয়ে সৰস্বতী 'বীণা হস্তা'। সৰস্বতী শুক্ল বৰ্ণাৰ। শুক্ল বৰ্ণ পবিত্ৰতাৰ প্ৰতীক। সত্ত্ব গুণৰ ৰং শুভ্ৰ। সত্ত্ব = সৎ + ত্ব। সত্ত্ব গুণ হ'ল, অস্তিত্ব যাতে বজায় থাকে তাৰ চৰ্চা।

এইবাৰ সিদ্ধিদাতা গণেশৰ কথাত অহা যাওঁক। 'গণেশ' শব্দটোত 'ঈশ্' ধাতু আছে। 'ঈশ্' ধাতুৰ অৰ্থ 'অধিপত্য'। আকৌ 'অধিপত্যত' আছে 'অধিপতি'। অধিপতিত আছে দুটা শব্দ 'অধি' আৰু 'পতি'। 'অধি'ত আছে 'ধা' ধাতু। যাৰ অৰ্থ ধাৰণ কৰা। 'পতি' শব্দটোত আছে 'পা ধাতু— 'পা' ধাতুৰ অৰ্থ পালন। অধিপতি শব্দৰ অৰ্থ হ'ল যিজনে ধাৰণ আৰু পালন কৰে। সেয়ে গণেশ শব্দৰ অৰ্থ হ'ল —এনেকুৱা এগৰাকী দেৱতা যিজনে সকলোকে ধাৰণ পালন আৰু পোষণ কৰে।

গণেশ 'গজানন'। 'গজ' শব্দটোৰ অৰ্থ হাতী, শ্ৰেষ্ঠ। গণেশ 'গজানন' মানে, গণেশ শ্ৰেষ্ঠ মস্তিস্কৰ অধিকাৰী। যিজনে সৃষ্টিৰ সকলোকে ধাৰণ পালন আৰু পোষণ কৰে; তেওঁতো শ্ৰেষ্ঠ মস্তিস্কৰ অধিকাৰী হবই। গণেশৰ প্ৰণাম মন্ত্ৰত আছে 'একদন্তং মহাকায়ং'। 'দন্ত' শব্দটোত দম ধাতু আছে। 'দম্' ধাতু মানে দমন কৰা, নিয়ন্ত্ৰণ কৰা। গণেশ এনেকুৱা ব্যক্তিত্ব, যিজনে সুদক্ষ লোক পালক। গণেশৰ চাৰি হাত। গণেশ 'চতুৰ্ভুজা'। 'চতুৰ্ভুজা'ত 'চতুৰ' শব্দ আছে। 'চতুৰ্' শব্দৰ অৰ্থ চাৰি, চাৰিদিশ। সেয়ে, গণেশ এনেকুৱা দেৱতা যাৰ চাৰিওফালে তীক্ষ্ণ নজৰ।

● ● ●

---

-ঃঋণ স্বীকাৰ ঃ-
শ্ৰীশ্ৰী ঠাকুৰৰ দৃষ্টিতে দেৱদেৱী-

# ঢেপা-ঢুলীয়া

শ্ৰীহীৰেণ ডেকা
স্নাতক, চূড়ান্ত বৰ্ষ।

জাতি-উপজাতিৰ মহামিলনৰ তীৰ্থ এই অসম ভূমিৰ লোক-সংস্কৃতিৰ বৰপেৰাত দৰঙী কলা-সংস্কৃতিৰ স্থান অন্যতম। দৰঙৰ ঢেপা-ঢুলীয়া বিশেষ ভাৱে উল্লেখযোগ্য এবিধ লোক-কলা। ই প্ৰধানত: জনজাতীয় অৱদান যদিও দৰঙী কোঁচ ৰজাসকলৰ পৃষ্ঠপোষকতাত সংস্কৃত ৰূপ লাভ কৰি এখন স্বকীয় আসন অধিকাৰ কৰিবলৈ সক্ষম হৈছে।

ঢেপা-ঢুলীয়া অনুষ্ঠানটো দুটা ঢোলেৰে সৈতে দুজন ঢুলীয়া আৰু ভোৰ তালেৰে সৈতে চাৰিৰ পৰা ছয়জন তালুৱৈৰ সমষ্টি। প্ৰতিটো ঢোল প্ৰায় চাৰিফুট দীঘল আৰু মুৰ দুটা ছাগলীৰ ছালেৰে দুই তৰপ দি ছিওৱা। ঢোলটোৰ এটা বিশেষ বৈশিষ্ট্য হ'ল—ছিওৱাৰ সময়ত ওপৰৰ তৰপটোত সৰু ফুটা এটা ৰখা হয়, যিটোৰে ঢোল বজোৱাৰ সময়ত পানী ভৰাই দিয়া হয় আৰু যাৰ ফলত ছালখন সেমেকি বজাওঁতে শব্দটো মেঘৰ গাজনিৰ দৰে হয়। আনহাতে, ফুটাটোৰ বাবেই জয়ঢোল, মাদল, বৰঢোল আদিৰ লগত ঢেপাঢোল পৃথক হৈ পৰে।

'ঢেপা-ঢুলীয়া'ৰ এটা বিশেষ বৈশিষ্ট্য হ'ল ইয়াৰ সাজ-পোছাক। অনুষ্ঠান পৰিবেশনৰ সময়ত ঢুলীয়া দুজনে একাধিক ৰঙীন কাপোৰেৰে বনোৱা আঠুমূৰীয়া জামা পিন্ধে। ঢোলৰ চেৰে-চেৰে ঢুলীয়াই ঘূৰোঁতে ই জাপি এটাৰ দৰে চক্ৰাকাৰ হয় আৰু দৰ্শকৰ মন আকৰ্ষণ কৰিবলৈ সক্ষম হয়। আনহাতে অতীতত ঘাই ঢুলীয়াজনে হাতত খাৰু, কাণত কাণফুল পিন্ধাৰ প্ৰমাণো পোৱা যায়। অৱশ্যে বৰ্ত্তমান ইয়াৰ ব্যৱহাৰ নাই। সেইদৰে, বৰ্ত্তমান ঢেপা-ঢুলীয়া অনুষ্ঠানত এখন সাধাৰণ গামোছা আৰু আঠুমূৰীয়া চুৰিয়া পোছাক হিচাপে ব্যৱহাৰ কৰা দেখা যায়।

'ঢেপা-ঢ্ুলীয়া' নামটোৰেই বিশেষ বৈশিষ্ট্যপূৰ্ণ যেতিয়া ইয়াক 'বাদী' (বাজনা) প্ৰধান অনুষ্ঠান বুলি কলে ভুল কৰা নহ'ব। বজাওতে ঢেপ্-ঢেপ কৈ উঠে বাবেই হয়তো ইয়াক ঢেপা-ঢ্ুলীয়া কোৱা হয়। ঢোল আৰু তালৰ অপূৰ্ব্ব সমন্বয়ত দৰ্শকৰ মন আকৰ্ষণ কৰিব পৰা দেৱবাদী, গোৰবাদী, খৰবাদী, খেদাবাদী, খুন্দাবাদী, কাণকটাবাদী ইত্যাদি এই অনুষ্ঠানৰ 'বাদী'। ঢ্ুলীয়াই তালৰ লগত সঙ্গতি ৰাখি বজোৱা এনে বাদীৰ উদাহৰণ হ'ল—

খিত-গিৰি-গিন্-তেই-তেই-গিন্-ইত্-তেই, (গিন্),
খিত-তেই-তেই-গিন ইত্-তেই, (গিন্),
গিন্-খিত্, গিন্-খিত্
গিন্-তেই-তা-গিন্-ইত্-তেই-গিন্
গিন্-তেই-তেই-গিন্-ইত-তেই
তেই-তেই-খিত্-তেই-গিন্-ইত্-তেই-ধেই ॥ ইত্যাদি

অৱশ্যে বাদীৰ লগে লগে ঢ্ুলীয়া আৰু তালুৱৈৰ নাচনো এটা উল্লেখ কৰিবলগীয়া বিষয়। এই নাচন প্ৰধানকৈ তিনিপ্ৰকাৰৰ—(১) খুটিনাচন, (২) গড়িয়া নাচন আৰু (৩) সৰ্কি নাচন।

(১) খুটিনাচন ঃ— ইয়াত ঢ্ুলীয়াজনক খুটিৰ দৰে মাজতে ৰাখি তালুৱৈ কেইজনে বিশেষ ভঙ্গিমাৰে নাচে। ঢ্ুলীয়া

ডুজনে তেতিয়া ঢোলটোক বুকুত সাৱটি লৈ ঘূৰে। বোধহয় ঢ্লীয়াজনক মূল বা খুটি কৰি লৈ বৃত্তাকাৰে ঘূৰি-ঘূৰি নচাৰ বাবেই ইয়াক খুটি নাচন বোলে।

**(২) গড়িয়া নাচন** ঃ—এই নাচনত কেইজনমানে শাৰী হৈ গড় বা প্ৰাচীৰৰ দৰে থিয় হৈ ঢোল বজাই থাকে। আনকেইজনমানে বিচনীৰ মোখনিৰ দৈ বা কাপোৰৰ জিভাৰ গড়িয়াৰ সূতাৰ দৰে থিয় হৈ থকা কেইজনক অতিক্ৰম কৰে। সেয়ে সম্ভৱ ইয়াক গড়িয়া নাচন বোলে।

**(৩) সৰ্কি নাচন** ঃ—এই নাচনত ঘাই ঢ্লীয়াৰ কথামতে কাপোৰৰ দীঘ আৰু বাণিৰ 'মোৰ'ৰ দৰে নৃত্যৰ আকৃতিত কণীয়া 'মোৰ' বা যিকোনো এটা 'মোৰ' লগাই প্ৰত্যেকে প্ৰত্যেকৰ মাজেৰে সৰ্কি (পাৰ হৈ) যায়। তালৰ ছেৰে-ছেৰে উলাহতে লয়লাস পূৰ্ণ ভৰিৰ বুলনিৰে শৃংখলা-বদ্ধভাৱে সৰ্কি গৈ প্ৰদৰ্শন কৰা হয় কাৰণে ইয়াক সৰ্কি নাচন বোলা হয়।

ইয়াৰ বাহিৰেও তমাল-মুচৰা, উধাঘূৰণি, ভেকুলী জঁাপ, শিয়াল ভূমুকি বা নেউল বুলনি, বহি নাচন, বোৱনী নাচন, চকোৱা নাচন, বোন্দাপাক আদি নাচন আছে—য'ত তাল সঙ্গতেৰে লয়যুক্ত আঙ্গিক অভিনয়ৰ যোগেদি নামৰ দ্বাৰা সূচিত কাৰ্য্যৰ প্ৰকাশ কৰা হয়।

ঢেপা-ঢ্লীয়া অনুষ্ঠানটোৰ আন এটা বিশেষ আকৰ্ষণীয় দিশ হ'ল ইয়াৰ গান (গাহান)। ঢ্লীয়াৰ বিভিন্ন কলা-কৌশলৰ আনুষ্ঠানিক প্ৰদৰ্শনৰ আৰম্ভণিতে দৰ্শকৰ অনুৰোধ মৰ্মে নৃত্য-গীত বিশাৰদ ঘাই ঢ্লীয়াজনে এটা গানৰ দিহা লগাই দিয়ে। আনবোৰে তালৰ ছেৱে-ছেৱে নাচি সমস্বৰে গায়। গীতবোৰ বহু ক্ষেত্ৰত বিপক্ষ দলক উদ্দেশ্যি গোৱা হয়। সেয়ে ই কেতিয়াবা নিন্দাসূচক হৈ পৰে। যেনে---

১ম পক্ষ ঃ---অ'-মোৰ বুঢ়া হালোৱা ঐ,
গলিত চেৰেই মৰা,
হালত কামেৰি কাৰা,
গাড়ীত বাগেৰি পৰা,
ঐ মোৰ বুঢ়া হালোৱা ঐ ॥ ইত্যাদি

আনহাতে বিপক্ষৰ দলটোৱে তেতিয়া গাই---

অ'-মোৰ ঢেকুৰা-ঐ,
কাৰুঘৰক আহিছা,
চুৱাপাত চেল কিছা,
আৰুনো কি আশা কৰিছা,
ঐ-মোৰ ঢেকুৰা ঐ ॥ ইত্যাদি

ঢ্লীয়া অনুষ্ঠানটো কোনো বিয়া-সবাহ, উৎসৱ পাৰ্ব্বন বা তেনে মাঙ্গলিক অনুষ্ঠানত পৰিবেশন কৰা হয়। বহু-ক্ষেত্ৰত দুইজোৱা ঢ্লীয়াৰ মাজত ঢ্লীয়া যুঁজো দেখা যায়। তেনে যুঁজ দৰ্শক সমাজে লগাই দিয়ে। তাত নাচ-গান-বাজনাৰ দ্বাৰা এদলে আনদলক পৰাস্তিত কৰি জয়ী হোৱাৰ প্ৰচেষ্টাত বাদী প্ৰতিবাদীৰূপে সাল-বদলকৈ ঢোল তালৰ কলা-কৌশল প্ৰদৰ্শন কৰে। এনে কলা-কৌশলৰ যুঁজে দৰ্শকৰ মনত বিমল আনন্দৰ সোঁত বোৱাই আনে। কিন্তু এনে জনপ্ৰিয় অনুষ্ঠানটো বৰ্ত্তমান কালৰ সোঁতত নিচিহ্ন হোৱাৰ উপক্ৰম হৈছে। উপযুক্ত সংৰক্ষণৰ অভাৱত ই বৰ্ত্তমান মুমূৰ্ষু। সেয়ে প্ৰতিজন সংস্কৃতি প্ৰেমী ব্যক্তিয়ে ইয়াক জীয়াই ৰখাটো অপৰিহাৰ্য্য হৈ পৰিছে।

---

[‘দৰঙী কলা-কৃষ্টি’ আৰু ‘দৰঙী কলা-কৃষ্টিৰ চমু কথা’ শীৰ্ষক গ্ৰন্থৰ পৰা সহায় লৈ প্ৰবন্ধটো লিখা হৈছে।]

লিখক

# মঙ্গলদৈ মহাবিদ্যালয়ৰ জীয়া ইতিহাস ঃ ভজনলাল

## স্মৃতি তৰ্পণ

ইদ্ৰিছ্ আলি
প্ৰবক্তা, অসমীয়া বিভাগ

মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰবক্তা ৰূপে যোগদান কৰাৰ কিছুদিন পিচতে মানুহজন চকুত পৰিল। বুঢ়া, কগ্ন আৰু এক উদাসীন স্বভাৱৰ মানুহজন। শিক্ষকৰ জিৰণি কোঠাত সোমাই ঘনে ঘনে এবাৰ দেৱাল ঘড়ীটোৰ পিনে এবাৰ নিজৰ ঘড়ীটোৰ পিনে চাই ওলাই যায়। পুৱাৰে পৰা আবেলিলৈ এটাই কাম। দেৱাল ঘড়ী আৰু নিজৰ হাত-ঘড়ী চোৱা। ওচৰত পালে কোনোবা শিক্ষকক সঠিক সময় সোধা। তাৰ পিচতে নিবিষ্ট মনে গৈ কেণ্টিনৰ সমুখত ওলমাই থোৱা কাঁহৰ ঘন্টাটো কোবাই দিয়া। এয়াই আছিল মানুহজনৰ শেষ বয়সৰ কাম। কলেজখন যেন তেওঁৰ ঘন্টাধ্বনিৰ নিৰ্দেশতহে চলি আছিল।

কলেজত লগ পাওঁ কিন্তু কথা পতা নহয়। কথা পতাৰ প্ৰয়োজনো হয়তো নাছিল। কিন্তু অপ্ৰয়োজনতে এদিন কথা পাতিছিলোঁ বুঢ়া মানুহজনৰ লগত। কথাৰ পৰা গম পালোঁ—তেওঁৰ নাম ভজনলাল—ভজনলাল যাদৱ। আহিছিল অসমৰ বাহিৰৰ পৰা। কিবাসূত্ৰে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক গৰাকীৰ সতে সংযোগ ঘটিছিল। শ্মশানৰ বুকুত কলেজ গঢ়ি তোলাৰ সপোন দেখা সম্পাদক গৰাকীয়ে কলেজৰ চকিদাৰ নিযুক্তি দিবলৈ মানুহ বিচাৰিছিল। ভয়ত কোনো নাহে সেই চাকৰি কৰিবলৈ। সম্পাদক গৰাকীয়ে ভজনলালক কলে—" হেৰ তয়ে হ কলেজৰ চকিদাৰ। অসমীয়া কোনো নাহে। ভয়তে মৰে—" ভজনলাল তেতিয়া পূৰঠ ডেকা। ভজনলালে সেই প্ৰত্যাহ্বান গ্ৰহণ কৰিলে। শ্মশানত পতা কলেজৰ তেওঁ চকিদাৰ কামত সোমাল।

সিদিনা কথা পতা আৰম্ভ কৰোঁতে সেই অতীত ইতিহাসৰ এখিলা পাত মেল খাইছিল নাথোন। এনেতে ঘন্টা কোবোৱাৰ সময় হৈছিল বোধহয়। হাতঘড়ীটোলৈ চাই ভজনলালে পোনে পোনে শিক্ষকসকলৰ জিৰণি কোঠাৰ পিনে কোঁকোঁ কৈ খোজ লৈছিল। সিদিনা মঙ্গলদৈ মহাবিদ্যালয়ৰ জন্মলগ্নৰ কথা শুনা আৰু নহল। গতিকে ভাবিলো এদিন কলেজ বন্ধৰ দিনত আহি ভজন-লালক নিৰলে লগ ধৰি শুনিম। কলেজৰ তোৰণৰ লগতে সজা সৰু কোঠালীটোতে ভজনলাল থাকে। লৰা-তিৰোতাবে তাৰ এখন ঘৰ আছে কলেজৰ পৰা দুই কিলোমিটাৰ দূৰত। ভজনলাল অসমৰ বাহিৰৰ আছিল—কিন্তু বিয়া কৰাইছিল অসমীয়া ছোৱালী। ভয়াতুৰ অসমীয়াই নোৱাৰা কাম এটা কৰাৰ বাবে অনা-অসমীয়া হিচাপে কলেজত চাকৰি লোৱা ভজনলালে অসমীয়া ছোৱালী বিয়া কৰাই অসমীয়া হৈছিল। তিনিটা দশক মঙ্গলদৈ মহাবিদ্যালয়লৈ অকৃত্ৰিম সেৱা আগবঢ়াই সৌ সিদিনা ভজনলালে চিৰ বিদায় মাগিলে। ভজনলালে মই তেওঁৰ মুখে মঙ্গলদৈ মহাবিদ্যালয়ৰ অতীত কাহিনী শুনিবলৈ থোৱা দিনটোলৈ বাট নেচালে। ভজনলাল গুচি গ'ল। চিৰদিনৰ বাবে গুচি গ'ল। মঙ্গলদৈ মহাবিদ্যালয়ৰ জীয়া ইতিহাসৰ আৰু এখিলা পাত সৰি পৰিল। তেওঁৰ আত্মাই চিৰ শান্তি লাভ কৰক।

# অসমত প্ৰাপ্তবয়স্ক শিক্ষা আৰু ইয়াৰ গতিধাৰা

শ্ৰীসুৰজিৎ কলিতা ( মুন )
উঃ মাঃ ২য় বাৰ্ষিক ( কলা )

কোনো কাৰণবশত সৰু কালত শিক্ষা দীক্ষা লাভ কৰিব নোৱাৰিলে তেনে লোকক শিক্ষা দিবৰ কাৰণেই ঘাইকৈ বয়স্ক শিক্ষাৰ কেন্দ্ৰ স্থাপন কৰা হয়। প্ৰাপ্ত-বয়স্ক বিদ্যালয়ৰ প্ৰধান লক্ষ্য হ'ল নিৰক্ষৰতা দূৰ কৰা। আমাব দেশত গণতান্ত্ৰিক শাসন পদ্ধতি বহন কৰাৰ পাছত জনগণৰ নিৰক্ষৰতা দূৰ কৰাৰ উপৰিও অন্যান্য শিক্ষাৰ প্ৰয়োজনীয়তা উপলদ্ধি কৰা হ'ল। গতিকেই বৰ্ত্তমানৰ সামাজিক শিক্ষাই আক্ষৰিক জ্ঞান, স্বাস্থ্য, বিজ্ঞান নাগৰিক শিক্ষা অৰ্থনৈতিক আৰু সাংস্কৃতিক বিকাশ আদি বিভিন্ন উদ্দেশ্য সামৰি লৈছে। এনে উদ্দেশ্য সমূহ সাধনৰ কাৰণে প্ৰাপ্তবয়স্কৰ কাৰণে নৈশ শ্ৰেণী, সাংস্কৃতিক, ঔদ্যোগিক শিক্ষাকেন্দ্ৰ মহিলাৰ কাৰণে মহিলানুষ্ঠান আৰু শিক্ষাকেন্দ্ৰ পুথিভঁড়াল, শিক্ষামূলক প্ৰদৰ্শনী, আলোচনা চক্ৰ আদি অনুষ্ঠানৰ ব্যৱস্থা কৰা হয়।

এখন দেশৰ উন্নতি আৰু সুখ সমৃদ্ধিৰ বাবে দেশখনৰ সকলো নাগৰিক শিক্ষিত হোৱা আৱশ্যক। বিশেষকৈ গণতান্ত্ৰিক দেশত নাগৰিক সকলৰ এটা বৃহৎ অংশ নিৰক্ষৰ হৈ থাকিলে গণতন্ত্ৰ স্থাপনৰ উদ্দেশ্য হয়তো কোনো দিনেই সাধন নহব। কাৰণ নিৰক্ষৰ লোক নিজৰ অধিকাৰ প্ৰয়োগ কৰাত বা দেশৰ প্ৰতি থকা দায়িত্ব পালন কৰাত কৃতকাৰ্য্য নহয়। গণতান্ত্ৰিক ৰাষ্ট্ৰত প্ৰতিজন বয়োবৃদ্ধ নাগৰিকে প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে দেশ শাসন ব্যৱস্থাত বা ৰাষ্ট্ৰীয় উন্নয়ন পৰিকল্পনাবোৰত অংশ গ্ৰহণ কৰিব লাগে। নাগৰিকৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধি সকলেই প্ৰত্যক্ষভাৱে দেশ শাসন কৰে আৰু উন্নয়ন পৰিকল্পনা ৰচনা কৰে। গতিকে যদি জনসাধাৰণ নিৰক্ষৰ হৈ থাকে আৰু নিজৰ ক্ষমতা সম্পৰ্কে সচেতন নহয় তেতিয়া হলে প্ৰকৃতাৰ্থত গণতন্ত্ৰ স্থাপন হোৱা বুলি কব নোৱাৰি। আনহাতে নিৰক্ষৰ লোকে জীৱনটোক বহল দৃষ্টি ভংগীৰে গ্ৰহণ কৰিব নোৱাৰে। তেওঁলোকে নিজৰ সাংস্কৃতিক পৰম্পৰা সম্পৰ্কে অজ্ঞ হৈ থাকে। সমাজৰ বহু চতুৰ শিক্ষিত লোকে নিৰক্ষৰ লোক সকলক নিজৰ সুবিধাৰ বাবে গ্ৰহণ কৰে। লিখা পঢ়া কৰিলে মানুহৰ চিন্তা শক্তিৰ বিকাশ হয় আৰু তেতিয়া ব্যক্তিয়ে নিজৰ প্ৰয়োজন মতে উপযুক্ত সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। কিন্তু নিৰক্ষৰ লোকৰ চিন্তা শক্তিৰ উপযুক্ত পৰিমানে বিকাশ নঘটাৰ বাবে তেওঁলোকে নিজস্ব প্ৰয়োজনতো নিজে সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰে। আৰু কোনো বিষয়ত সিদ্ধান্ত গ্ৰহণ কৰিব লগা হলে তেওঁলোকে আনৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। এনে নিৰ্ভৰশীলতাৰ বাবে তেওঁলোকৰ ব্যক্তিত্বৰ বিকাশত বাধাপ্ৰাপ্ত হয়। গতিকে দেখা যায় নিৰক্ষৰতাই এহাতে ব্যক্তি জীৱনক নানা দিশৰ পৰা

পঙ্গু কৰে আৰু আনহাতে সমাজ জীৱনৰ বিকাশতো বাধা দান কৰে। এখন দেশৰ নিৰক্ষৰলোকৰ সংখ্যা যিমান বেছি হয়, সেই দেশ সিমানে বেছি অনুন্নত হয়। ইয়াৰ পৰিপ্ৰেক্ষিততেই কোঠাৰী আয়োগে মত পোষণ কৰিছিল যে—"Illiteracy as a mass phenomenon blocks economic and social Progress."

অসমত ১৯৩৯ চনতে কিছুমান বেচৰকাৰী অনুষ্ঠানৰ দ্বাৰা প্ৰাপ্তবয়স্কৰ শিক্ষাৰ পাতনি মেলা হয়। কিন্তু ইংৰাজ চৰকাৰৰ আমোলত এই আঁচনি সঠিকভাবে ৰূপায়িত হোৱা নাছিল। দেশ স্বাধীন হোৱাৰ পিছত হে এই আঁচনিৰ কাম কিছু আগবাঢ়ে। ১৯৪৭ চনত ৰাজ্যিক জনশিক্ষা অভিযান আঁচনি ( Mass literacy campaign ) আৰম্ভ হয়। সেই বছৰত ৪৭০ টা সাক্ষৰতা দান কেন্দ্ৰত ১০২০৮ জনে শিক্ষা গ্ৰহণ কৰে। আৰু ১৯৪৯ চনৰ পৰা প্ৰাপ্তবয়স্কৰ শিক্ষাৰ আঁচনি অসমৰ পাহৰীয়া অঞ্চললৈও সম্প্ৰসাৰিত কৰা হয়। তাৰ আগলৈকে এই আঁচনি অসমৰ ভৈয়ামৰ অঞ্চলতে আৱদ্ধ আছিল। প্ৰথম পৰিকল্পনাৰ কালছোৱাত দেশত বহুতো সামূহিক উন্নয়ন খণ্ড ( Community Development Block ) স্থাপন কৰা হৈছিল। অসমৰ উন্নয়ন খণ্ডবোৰত সামাজিক শিক্ষা বিষয়া, গ্ৰামসেৱক আৰু গ্ৰাম সেৱিকা নিয়োগ কৰা হৈছিল। এওঁলোকে ভিতৰুৱা গাওঁবোৰলৈ গৈ সামাজিক শিক্ষাৰ প্ৰচাৰৰ বাবে কাম কৰিছিল। প্ৰতি উন্নয়ন খণ্ডৰ সামাজিক বিষয়াৰ তত্বাৱধানত গাওঁবোৰত কিছুমান সামূহিক কেন্দ্ৰ ( Community centre ) গঢ়ি উঠিছিল। এই কেন্দ্ৰবোৰৰ লগতে ঠায়ে ঠায়ে গাৱলীয়া পুথিভঁড়াল স্থাপন কৰি প্ৰাপ্তবয়স্ক সকলৰ বাবে প্ৰয়োজন হোৱা কিতাপ পত্ৰ আলোচনী আদিৰ যোগান ধৰা হৈছিল। অৱশ্যে উন্নয়ন খণ্ডবোৰৰ জৰিয়তে সামাজিক শিক্ষা প্ৰচাৰৰ বাবে এইদৰে প্ৰচেষ্টা চলোৱা হৈছিল যদিও আশা কৰামতে এই শিক্ষা অভিযানে কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰিলে।

পুনৰ ১৯৭৮ চনত ভাৰত চৰকাৰে প্ৰাপ্তবয়স্কসকলৰ শিক্ষাৰ অধিক উন্নতি সাধনৰ লক্ষ্যৰে 'জাতীয় প্ৰাপ্তবয়স্ক শিক্ষা আচনি ( National Adult Education Programme ) প্ৰস্তুত কৰে। ১৯৭৮ চনৰ ২ অক্টোবৰ তাৰিখে গোটেই ভাৰতবৰ্ষতে এই আঁচনি ৰূপায়নৰ বাবে কাম আৰম্ভ কৰা হৈছিল। অসমতো এই আঁচনিৰ যোগেদি ১৯৯০ চনৰ ভিতৰত ৩১.৪৫ লাখ নিৰক্ষৰ প্ৰাপ্তবয়স্ক লোকক সাক্ষৰ কৰাৰ লক্ষ্য স্থিৰ কৰিছিল। ভাৰতৰ নতুন শিক্ষা নীতি মতে ১৯৯৫ চনৰ ভিতৰত প্ৰাপ্তবয়স্ক ১০০ নিযুত লোকক সাক্ষৰ কৰিব লাগে। এই ক্ষেত্ৰত চৰকাৰে স্বেচ্ছাসেৱী অনুষ্ঠান, ছাত্ৰ-ছাত্ৰী আৰু মহিলা সকলৰ সহযোগিতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে।

প্ৰাপ্তবয়স্ক শিক্ষা আঁচনিৰ মূল উদ্দেশ্য হ'ল তিনিটা। ১। সাক্ষৰতা, ২। সচেতনতা আৰু ৩। বৃত্তিমূলক শিক্ষা দান। এই উদ্দেশ্য আগত ৰাখি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান তথা চৰকাৰে বিভিন্ন ধৰণৰ আঁচনিৰে এই শিক্ষা দ্ৰুতগামি কৰি তোলাত কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছে। এই ব্যৱস্থাবোৰৰ ভিতৰত :—

১। **প্ৰশাসনীয় ব্যৱস্থা :-** প্ৰাপ্তবয়স্ক শিক্ষা আঁচনিৰ কাম সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে কেন্দ্ৰীয় শিক্ষা বিভাগৰ অধীনত প্ৰাপ্তবয়স্ক শিক্ষা সঞ্চালকালয় গঠন কৰা হৈছে। অসমত ৰাজ্যিক শিক্ষা বিভাগৰ অন্তৰ্গত প্ৰাপ্তবয়স্ক শিক্ষাৰ অতিৰিক্ত সঞ্চালকৰ ( Aditional Director ) তত্বাৱধানত এই আঁচনি পৰিচালনা কৰা হৈছে।

২। **অসমৰ ৰাজ্যিক প্ৰাপ্তবয়স্ক শিক্ষা প্ৰকল্প :-** এই আঁচনি অনুসৰি অসমত প্ৰথমতে ১০ খন জিলাত ১৬ টা ৰাজ্যিক শিক্ষা প্ৰকল্প গঠন কৰা হৈছিল। প্ৰত্যেক প্ৰকল্পৰ অধীনত ১০০ টাকৈ কেন্দ্ৰ স্থাপন কৰি প্ৰতি কেন্দ্ৰত একোজনকৈ নিৰ্দেশকৰ তত্বাৱধানত ৩০ জনকৈ প্ৰাপ্তবয়স্ক লোকক শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছিল।

৩। **গ্ৰাম্য ব্যৱহাৰিক স্বাক্ষৰতা প্ৰকল্প :-** ৰাজ্যিক প্ৰকল্পবোৰৰ উপৰিও কেন্দ্ৰীয় চৰকাৰৰ আৰ্থিক সাহাৰ্য্যত শিক্ষা প্ৰকল্প গঠন কৰা হৈছে। ইয়াত এজন প্ৰকল্প বিষয়া আৰু

১২ জনকৈ সহকাৰী প্ৰকল্প বিষয়াৰ অধীনত ৩০০ টাকৈ কেন্দ্ৰ থাকে। এই কেন্দ্ৰসমূহ পৰ্য্যবেশনৰ বাবে ১০ জনকৈ পৰ্য্যবেশক নিযুক্ত কৰা হয়।

**৪। স্বেচ্ছাসেৱী অনুষ্ঠানৰ যোগেদি প্ৰাপ্তবয়স্কৰ শিক্ষা :-** কিছুমান স্বেচ্ছাসেৱী অনুষ্ঠানে কেন্দ্ৰীয় চৰকাৰৰ আৰ্থিক সহযোগত বয়স্ক শিক্ষাৰ কেন্দ্ৰ প্ৰতিষ্ঠা কৰি অসমৰ নিৰক্ষৰতা দূৰীকৰণত সহায় কৰিছে। ১৯৮৭ চনত এনে স্বেচ্ছাসেৱী অনুষ্ঠানৰ যোগেদি ১২ টা প্ৰকল্পৰ অধীনত প্ৰাপ্তবয়স্ক শিক্ষা কেন্দ্ৰ প্ৰতিষ্ঠা কৰি স্বাক্ষৰ কৰিবলৈ বিচৰা প্ৰাপ্তবয়স্ক লোকৰ সংখ্যা ১৬,৯৭৩ জন।

কিন্তু দুৰ্ভাগ্যৰ কথা ওপৰত উল্লেখিত আঁচনি তথা ব্যৱস্থা সমূহ গ্ৰহণ কৰা স্বত্বেও আজি আমাৰ দেশত প্ৰাপ্তবয়স্ক শিক্ষাই বিশেষ সফলতা লাভ কৰিব পৰা নাই। কিয় এই শিক্ষাই সফলতা লাভ কৰিব পৰা নাই সেই বিষয়ে আমি কেইটামান সমস্যা দেখিবলৈ পাও। সেই সমস্যাবোৰ তলত উল্লেখ কৰা হ'ল :-

**ক) বয়সস্থ লোকৰ শিক্ষাৰ প্ৰতি ধাউতিৰ অভাৱ :-** প্ৰাপ্তবয়স্ক সকলৰ লিখা পঢ়াৰ প্ৰতি ধাউতি সৃষ্টি কৰা এটি ডাঙৰ সমস্যা। পৰিয়ালৰ ভৰণ পোষণৰ বাবে অত্যাধিক দৈহিক পৰিশ্ৰম কৰিব লগা হোৱা বয়স্ক লোকে লিখা পঢ়া কৰিবলৈ টান পায়।

**খ) শিক্ষিত লোকৰ উদাসীনতা :-** আমাৰ দেশৰ শিক্ষিত লোকসকল সামাজিক শিক্ষাৰ প্ৰতি আগ্ৰহহীন। শিক্ষিত ৰাইজৰ অৱহেলাৰ কাৰণেই নিৰক্ষৰ লোকসকলে সামাজিক শিক্ষাৰ প্ৰতি আগ্ৰহ বোধ কৰা দেখা নাযায়।

**গ) সা-সঁজুলিৰ অভাৱ :-** সামাজিক শিক্ষাৰ সাফল্য নিৰ্ভৰ কৰে বিভিন্ন ধৰণৰ সদৃশ্য উপকৰণৰ ওপৰত। কথাছবি, ৰেডিঅ' চলন্ত পুথিভঁৰাল ইত্যাদিয়ে গাঁৱলীয়া নিৰক্ষৰ জনগণৰ মাজত শিক্ষা বিস্তাৰত যথেষ্ঠ সহায় কৰে। কিন্তু আমাৰ অসমৰ ভিতৰুৱা অঞ্চলত এনেবোৰ সা-সৰঞ্জামৰ অভাৱত জনতা শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত হৈ থাকিবলগীয়া হৈছে। চৰকাৰৰ তৰফৰ পৰা সামাজিক আঁনাতাৰ যন্ত্ৰ দিয়া হৈছে যদিও জনসংখ্যা অনুপাতে এইবোৰৰ সংখ্যা যথেষ্ঠ নহয়। আনহাতে দুখীয়া ৰাইজে টকা পইচাৰ অভাৱত নিজৰ সামৰ্থ্যৰ এনেবোৰ বস্তু কিনি উপকৃত হব পৰা নাই।

**ঘ) ৰক্ষণশীল মনোভাৱ :-** আধুনিক সভ্যতাই স্পৰ্শ নকৰা আৰু পিছপৰা অঞ্চল বিলাকৰ বাসিন্দাসকল এতিয়াও ৰক্ষণশীল অৱস্থাতে আছে। গতিকে বৰ্ত্তমান সমাজলৈ যি পৰিবৰ্ত্তনৰ সোঁত বহিছে তাৰ প্ৰতি তেওঁলোক উদাসীন আৰু উন্নত জীৱন যাপনৰ প্ৰতিও নিৰ্বিকাৰ হৈ থকা দেখা যায়। এই ৰক্ষণশীলতাৰ কাৰণে সামাজিক শিক্ষা সিমান ফলৱতী হ'ব পৰা নাই।

**ঙ) উপযুক্ত কিতাপৰ অভাৱ :-** সামাজিক শিক্ষাৰ আন এটা সমস্যা হ'ল শিক্ষাৰ্থীৰ কাৰণে উপযুক্ত কিতাপ পত্ৰ আলোচনী তথা প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ অভাৱ দেখা যায়। সামাজিক শিক্ষাৰ সাফল্য নিৰ্ভৰ কৰে প্ৰাপ্তবয়স্ক লোক সকলক স্বাক্ষৰ কৰি তোলাৰ লগতে তেওঁলোকক উপযুক্ত নাগৰিকত্বৰ জ্ঞান দান কৰাত। কিন্তু দুখৰ বিষয় অসমত পৰ্য্যাপ্ত পৰিমাণৰ কিতাপ পত্ৰৰ অভাৱত এই ক্ষেত্ৰত আগবাঢ়িব পৰা হোৱা নাই।

**চ) বৰ্ধিত জনসংখ্যাৰ তুলনাত শিক্ষা সংক্ৰান্ত সা-সুবিধাৰ অভাৱ :-** আমাৰ দেশত বৰ্ধিত জনসংখ্যাৰ তুলনাত শিক্ষা সংক্ৰান্ত সা-সুবিধাৰ অত্যন্ত অভাৱ। এখন দেশৰ বৃহৎ সংখ্যক প্ৰাপ্তবয়স্ক নিৰক্ষৰ লোকক সামাজিক শিক্ষাৰ দ্বাৰা শিক্ষিত কৰি তোলা কাৰ্য্যত যথেষ্ঠ পৰিমাণৰ ধন তথা উপযুক্ত কৰ্মীৰ প্ৰয়োজন। আমাৰ ৰাজ্যত দুয়োটাৰে অভাৱ। গতিকে সামাজিক শিক্ষাই ইয়াত গা কৰি উঠিব পৰা নাই।

এই সমস্যাবোৰৰ সমাধান কল্পে কেইটামান ব্যৱস্থাও দাঙি ধৰা হ'ল—

১। বয়স্ক লোকৰ কাৰণে ঠায়ে ঠায়ে নৈশ বিদ্যালয় নাইবা নৈশ শ্ৰেণী স্থাপন কৰি সেই এলেকাৰ নিৰক্ষৰ লোক সকলক আখৰৰ জ্ঞান দান কৰা।

২। সময়ে সময়ে ন-শিকারু আৰু বয়সস্থ শিক্ষাৰ্থীৰ উপযোগী অনাতাঁৰ ভাষণ প্ৰচাৰ।
৩। স্বাধীন ৰাষ্ট্ৰৰ বিবিধ সমস্যা সম্পৰ্কে নাটক আদি সংগঠন কৰা।
৪। শিক্ষা মূলক কথাছবিৰ প্ৰদৰ্শন।
৫। ভিতৰুৱা গাওঁ অঞ্চলত কোনো হস্তশিল্পৰ শিক্ষাদান।
৬। আলোচনী প্ৰকাশ।
৭। বয়স্ক শিক্ষাৰ্থীৰ উপযোগী কথিকা প্ৰচাৰৰ ব্যৱস্থা কৰা।
৮। প্ৰদৰ্শনী আৰু মেলাৰ মাধ্যমত লোক শিক্ষা প্ৰচাৰৰ দিহা কৰা।
৯। শিক্ষক সকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা।
১০। চলন্ত পুথিভঁৰালৰ ব্যৱহাৰ ইত্যাদিয়েই প্ৰধান।

মুঠৰ ওপৰত এই শিক্ষা ব্যৱস্থাৰ প্ৰতি চৰকাৰ তথা জনসাধাৰণ আমি সকলোৱে সচেতন হোৱা উচিত। আমাৰ দেশত প্ৰাপ্তবয়স্কৰ শিক্ষাৰ গুৰুত্ব যথেষ্ঠ। আমাৰ দেশৰ অধিকাংশ লোকেই নিৰক্ষৰ। নিৰ্বাচনৰ সময়ত তেওঁলোকে কাক ভোট দিব সেইটো শুদ্ধ ভাবে বিচাৰ কৰিব নোৱাৰে। যদি আমাৰ দেশৰ পৰা নিৰক্ষৰতা দূৰ কৰিব পৰা নাযায় তেনে হলে দৰিদ্ৰতা দূৰ কৰাটো সম্ভৱ নহব। সেয়ে চৰকাৰে প্ৰাপ্তবয়স্ক শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত। এই ক্ষেত্ৰত শিক্ষিত ব্যক্তি, দেশৰ নেতা, শিক্ষক আৰু আনকি কলেজ আৰু মাধ্যমিক স্কুলৰ ছাত্ৰসকল তথা আমি সকলোৱে সৰ্বান্তকৰণেৰে প্ৰাপ্তবয়স্ক শিক্ষা কাৰ্য্যত সহযোগ আগবঢ়োৱা উচিত।

বিঃ দ্ৰঃ— প্ৰবন্ধটি বিভিন্ন আলোচনী আৰু পাঠ্যপুথিৰ আলমত যুগুতোৱা হৈছে।

# অসতো মা সদ্গময়

অধ্যাপক, শ্ৰীশৰৎ চন্দ্ৰ শৰ্মা, এম. এ., বি. টি

আগকথা :-

মঙ্গলদৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মাননীয় শ্ৰীযুত প্ৰবোধ চন্দ্ৰ গোস্বামী ডাঙৰীয়াই মহাবিদ্যালয়ৰ মূল তোৰণ খনিত কেইটিমান আপ্ত বাক্য লিখাইছিল। মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তীৰ স্মৃতি গ্ৰন্থত উক্ত আপ্তবাক্য কেইটিৰ ব্যাখ্যা প্ৰকাশ কৰিবলৈ ইচ্ছা কৰি এগৰাকী পণ্ডিতক লিখিবলৈ কৈছিল, যদিও সময়ত ই হৈ নুঠিল। গোস্বামী ডাঙৰীয়া মোৰ শিক্ষাগুৰু আৰু সহকৰ্মীও। শিক্ষাগুৰু গৰাকীৰ ইচ্ছা যাতে পূৰ্ণ হয়, সেয়ে প্ৰপন্ন শিষ্য হিচাবে মযেই শক্তি অনুসৰি বাক্য কেইটিৰ ব্যাখ্যা কৰিবলৈ আগবাঢ়িলো। মহাবিদ্যালয়ৰ অধ্যাপক বন্ধুবৰ ডঃ ৰমেন্দ্ৰ কুমাৰ ৰয়ৰ লগত এই প্ৰসংগত আলোচনা কৰা হৈছিল।

১। অসতো মা সদগময়,

বৈদিক ঋষিয়ে অসৎৰ পৰা সৎলৈ, অন্ধকাৰৰ পৰা পোহৰলৈ আৰু মৃত্যুৰ পৰা অমৰত্বলৈ নিবলৈ ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰিছে। যিবোৰ অস্থায়ী সিয়েই অসৎ (অসত্য) যি চিৰসত্য সিয়ে সৎ (সত্য)। সত্য, ব্ৰহ্ম আৰু আত্মা সমাৰ্থক। ব্ৰহ্মত বাদে একো সত্য নাই কাৰণ যেতিয়া জগত প্ৰপঞ্চ সৃষ্টি হোৱা নাছিল, ব্ৰহ্ম তেতিয়াও আছিল; এতিয়াও আছে আৰু প্ৰলয় কালৰ পিচতো অকল ব্ৰহ্মহে থাকিব। ব্ৰহ্ম স্বপ্ৰকাশক আৰু আনন্দময়। ঋষিয়ে প্ৰাৰ্থনা কৰিছে অসাৰ সাংসাৰিক ক্ষেত্ৰৰ পৰা মুক্তি লাভ কৰি, চৰম সত্য ব্ৰহ্মৰ লগত নিমজ্জিত হবলৈ।

ঋষিয়ে ভগৱানক অন্ধকাৰৰ পৰা পোহৰলৈ আগুৱাই নিবলৈ প্ৰাৰ্থনা জনাইছে। এই অন্ধকাৰ, অজ্ঞতাৰ অন্ধকাৰ; অজ্ঞতা আতৰিলে জ্ঞানৰ উদয় হয়, প্ৰেয় আৰু শ্ৰেয়ৰ মাজত কোনটো গ্ৰহণ কৰিব লাগিব তাৰ সন্ধান দিয়ে; মুক্তিৰ পথত আগুৱাই নিয়ে। ভগৱান কৃষ্ণই গীতাত কৈছে :

"ন হি জ্ঞানেন সদৃশং পবিত্ৰ মিহ বিদ্যতে।
তৎ স্বয়ং যোগ সংসিদ্ধঃ কালে নাত্মনি বিন্দতি॥ ৪।৩৯
শ্ৰদ্ধাবান লভতে জ্ঞানং তৎপৰঃ সংযতেন্দ্ৰিয়ঃ।
জ্ঞানং লব্ধা পৰাং শান্তিমচিৰেনাধি গচ্ছতি॥ ৪।৪০

ইহলোকত জ্ঞানৰ দৰে পবিত্ৰ (চিত্ত শুদ্ধিকৰ) আৰু একো নাই। কৰ্ম্মযোগানুষ্ঠানৰ দ্বাৰা যোগ্যতা প্ৰাপ্ত ব্যক্তি যথা সময়ে জ্ঞান নিজ অন্তঃকৰণতেই লাভ কৰে। শ্ৰদ্ধাৱান গুৰু উপদেশ বিশ্বাসী; ব্ৰহ্মনিষ্ঠ আৰু জিতেন্দ্ৰিয় পুৰুষ আত্ম জ্ঞান লাভ কৰে, তাৰ ফলত সোনকালে মুক্তি ৰূপ পৰম শান্তি লাভ কৰে।

ঋষিয়ে প্ৰাৰ্থনা কৰিছে, "মৃত্যু মা অমৃতং গময়" অৰ্থাৎ মৃত্যুৰ পৰা অমৃতলৈ নিবলৈ। যাৰ মৃত্যু নাই সেয়ে অমৃত। পাৰ্থিব জগত বিনাশশীল অৰ্থাৎ মৃত্যুশীল; কিন্তু ব্ৰহ্ম চিৰসত্য অৰ্থাৎ অমৃত। ব্ৰহ্ম প্ৰাপ্তী হলেই আত্মাই জৰা মৃত্যুৰ হাত সাৰি চৰম শান্তি প্ৰাপ্ত হয়। ঋষিয়ে এই অমৰত্বকেই কামনা কৰিছে।

এই বিশ্বজনীন মন্ত্ৰটি মহামানৱ মহাত্মা গান্ধীৰ বৰ প্ৰিয় আছিল।

২। ত্যাগত ভোগ

এই কথাষাৰি বৰ অৰ্থপূৰ্ণ। ইয়াৰ মূল ঈশ উপনিষদৰ প্ৰথম মন্ত্ৰটিত ধ্বনিত হৈছে। মন্ত্ৰটি এনে ধৰণৰ:

ঈশাবাস্যমিদং সৰ্ব্বং যৎকিঞ্চ জগত্যাং জগৎ।
তেন ত্যক্তেন ভুঞ্জীথা মা গৃধঃ কস্যস্বিদ্ ধনম্॥

অৰ্থাৎ এই গতিশীল বিশ্বত যিবোৰ গতিশীল বস্তু আছে, ইদম্ সৰ্ব্বম্ ঈশা বাস্যম অৰ্থাৎ এই সকলো ঈশ্বৰৰ বাসৰ নিমিত্তে (অথবা ঈশ্বৰৰ দ্বাৰা এই জগতৰ বস্তু সমূহ আচ্ছাদিত বুলি মন কৰা উচিত)। ত্যাগৰ সৈতে ভোগ কৰিবা; কাৰো ধনলৈ লোভ নকৰিবা।

চলমান বিশ্ব গতিশীল তথা পৰিবৰ্ত্তনশীল। ই এক মুহূৰ্ত্তও বৈ নাথাকে, সেয়ে ইয়াক জগৎ বুলি কোৱা হয়। অনুৰূপে জাগতিক প্ৰত্যেক বস্তুৱেই গতিশীল আৰু চলমান; কিন্তু চলমান জগৎ খনিও এক স্থিৰ সত্বাৰ অভিব্যক্তি মাত্ৰ। জগতৰ চঞ্চল প্ৰবাহ; গতিহীন অচঞ্চল এক সত্বাৰ দ্বাৰা নিয়ন্ত্ৰিত। এই স্থিৰ সত্বাই ঈশ্বৰ। ঈশ্বৰে বিশ্বৰ সমগ্ৰকে আচ্ছাদিত কৰি আছে অথবা তেওঁ সকলোৰে অন্তৰত থাকি সকলোকে নিয়ন্ত্ৰিত কৰিছে। ঈশ্বৰে বিশ্বজগতৰ মাধ্যমেৰে নিজকে প্ৰকাশ কৰিছে। মানুহেও ঈশ্বৰৰ অস্তিত্ব অনুভৱ কৰিব লাগিব, কাৰণ ঈশ্বৰৰ সত্বা অবিহনে কাৰো অস্তিত্বই থাকিব নোৱাৰে। তেওঁ সকলোতে যে বিদ্যমান এইটো অনুভৱ কৰিব লাগিব। এই অনুভূতি আহিলে, জগতৰ কোনো বস্তুৰ প্ৰতি আসক্তি নাথাকিব। ত্যাগ আৰু বৈৰাজ্ঞই মন উদ্ভাষিত কৰিব।

সংসাৰত য'ত ত্যাগ নাই তাতেই মোহ, আসক্তি তথা দুখৰ কাৰণ নিহিত আছে। "লোভ মোহ, হুনো বাঘ, সততে নচাৰে লগ"। লোভ মোহে মানুহক বিভ্ৰান্ত কৰি দৈন্য আৰু অশান্তি আনে। লোভৰ দ্বাৰা আকৃষ্ট হৈ ভোগৰ পিচত ধাৱমান হোৱা ব্যক্তিয়ে দুখৰ উপৰি দুখহে ভোগ কৰে।

যিসকল আশক্তিহীন, তেওঁলোকেই প্ৰকৃততে স্বাধীন। প্ৰকৃত সুখ যি সকলে বিচাৰে, তেওঁলোকে কামনা বাসনা নিয়ন্ত্ৰিত কৰি সকলোতে ঈশ্বৰৰ প্ৰকাশ বুলি মনত ৰাখি, ভোগ কাৰ্য্যত লিপ্ত হোৱা উচিত। সেয়ে ঋষিয়ে কৈছে ত্যাগৰ দ্বাৰা ভোগ কৰিবা, "ত্যক্তেন ভুঞ্জীথাঃ"। ধন সম্পত্তি নিজৰেই হওঁক বা আনৰেই হওঁক, তাত আসক্ত নহবলৈ ঋষিয়ে নিৰ্দেশ কৰিছে।

উক্ত মন্ত্ৰটিৰ প্ৰয়োগ সুখ শান্তি কামনা কৰা ব্যক্তি, পৰিয়াল, সমাজ, ৰাষ্ট্ৰ তথা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত প্ৰযোজ্য। ত্যাগৰ মনোভাবেহে শান্তি আনিব পাৰে। আনৰ সম্পদ বা দেশ গ্ৰাস কৰিবলৈ যোৱাৰ ফলত মহাভাৰতৰ যুগৰ পৰাই বিশ্বত কিমান যে বিপৰ্যয় হৈছে তাৰ সীমা সংখ্যা নাই।

মহামানৱ মহাত্মা গান্ধীয়ে ঈশ উপনিষদৰ আলোচ্য মন্ত্ৰটিৰ বিষয়ে কৈছিল যে, "মই চৰম সিদ্ধান্তত উপনিত হৈছো যে, যদি সকলো উপনিষদ আৰু সমস্ত শাস্ত্ৰ সমূহ অকস্মাৎ ভস্মীভূত হৈয়ো যায় আৰু এই মন্ত্ৰটো ৰক্ষা পৰে, তেনেহলে এই মন্ত্ৰটোৰ বাবেই, হিন্দু ধৰ্ম হিন্দুসকলৰ মনত চিৰদিন সজীৱ হৈ থাকিব। মহৰ্ষি দেবেন্দ্ৰ নাথ ঠাকুৰৰ জীৱনতো এই মন্ত্ৰটোৱে প্ৰভাৱ বিস্তাৰ কৰিছিল।

মানৱ সভ্যতাৰ দিক নিৰ্ণয়ক হিচাবে আলোচ্য মন্ত্ৰটো নিঃসন্দেহে বিশ্বজনীন। স্বয়ং ভগবান মুখ নিসৃত গীতাতো কৈছে:

বিহায় কামান্ যঃ সৰ্ব্বান্ পুমাংশ্চৰতি নিস্পৃহঃ।
নিৰ্ম্মমো নিৰহঙ্কাৰঃ স শান্তিমধিগচ্ছতি॥ ২।৭১
এষা ব্ৰাহ্মী স্থিতিঃ পাৰ্থ নৈনাং প্ৰাপ্য বিমুহ্যতি।
স্থিত্বাস্যামন্তকালেহপি ব্ৰহ্ম নিৰ্ব্বাণ মৃচ্ছতি॥ ২।৭২

অৰ্থাৎ, যেয়ে সকলো বিধ কামনা পৰিত্যাগ কৰি নিস্পৃহ নিৰহঙ্কাৰ আৰু মমতাশূন্য হৈ বিষয় ভোগ কৰে, তেওঁ শান্তি লাভ কৰে। হে পাৰ্থ! ব্ৰহ্ম জ্ঞান নিষ্ঠা এই প্ৰকাৰ; ই প্ৰাপ্ত হ'লে বিশুদ্ধ চিত্ত ব্যক্তি সংসাৰত মোহ প্ৰাপ্ত নহয়। মৃত্যু কালেও এই অৱস্থাই অৱস্থিত হ'লে ব্ৰহ্ম নিৰ্বান প্ৰাপ্তি লাভ হয়। এই মহান তত্ত্ব, সাধনা লব্ধ জ্ঞানৰ পূজাৰী ভাৰতীয় সকলৰ Swan Song মহাপ্ৰয়াণৰ সঙ্গীত।

### ৩। কৰ্ম্মত-যোগ

যোগঃ চিত্ত বৃত্তি নিৰোধঃ। চিত্ত বৃত্তি নিয়ন্ত্ৰিত কৰি সুষুম্না নাড়ীত অৱস্থিত ষট্ চক্ৰৰ মাজেৰে কুণ্ডলিনী শক্তি উৰ্ধমুখী কৰি সহস্ৰা শিৰ্ষালৈ আগুৱাই নিব পাৰিলেই শিৱ শক্তিৰ মিলন হয়; ব্যক্তিয়ে সংসাৰ বন্ধনৰ পৰা মুক্ত হয়; পৃথিৱীতেই স্বৰ্গীয় সুখ অনুভূত হয়। যোগত আছে একাগ্ৰতা। কৰ্মত যোগৰ অৰ্থ হৈছে, যাৰ যি কাম তাক একাগ্ৰতাৰে কৰিব লাগিব। কৰ্মই ধৰ্ম। কৰ্ম নকৰিলে, "ন চ সন্যাসনাদেব সিদ্ধিং সমধি গচ্ছতি" অৰ্থাৎ সন্যাসীও সিদ্ধি লাভ কৰিব নোৱাৰে। গীতাত ভগৱন্তই কৈছে:

ন মে পাৰ্থাস্তি কৰ্ত্তব্যং ত্ৰিষু লোকেষু কিঞ্চন।
নানবাপ্তম বাপ্তব্যং বৰ্ত্ত এব চ কৰ্মনি। ৩।২২

হে পাৰ্থ! মোৰ কৰ্ত্তব্য একো নাই কাৰণ ত্ৰিভুবনে মোৰ অপ্ৰাপ্ত বা পোৱাৰ যোগ্য কোনো বস্তুৱেই নাই; তথাপি মই নিয়ত কৰ্ম্মত প্ৰবৃত্ত হৈ আছো।

### ৪। বিকাশত শোভা

বিকাশৰ আভিধানিক অৰ্থ হৈছে প্ৰকাশ, অভিব্যক্তি, ওলোৱা কাৰ্য্য আদি। ফুলৰ কলি এটিৰো সৌন্দৰ্য্য আছে, কিন্তু বিকশিত হৈ ফুল এটিলৈ ৰূপান্তৰিত হলে; ইয়াৰ সৌন্দৰ্য্য আৰু গন্ধে আমাক আত্মহাৰা কৰে আৰু আনকি দেৱতাৰ তৃপ্তিৰ অৰ্থেও ফুল এপাহ আগবঢ়াই আমি নিজকে কৃতাৰ্থ মানো। শিল এটুকুৰাত কোনো শোভা নাই, কিন্তু শিল্পীয়ে তাক কাটি কুটি দেৱতাৰ মূৰ্ত্তি নিৰ্মাণ কৰিলে, আমি তাকে দেৱতা জ্ঞান কৰো।

প্ৰতিজন মানুহৰে জন্মগত ভাবে গুণ সমৃদ্ধ। কিন্তু এই গুণ ৰাজি সুপ্ত অৱস্থাত থাকে। জ্ঞানৰ প্ৰভাই সুপ্ত গুণৰাজি বিকশিত কৰে; যাৰ ফলত ব্যক্তিয়ে নিজৰ আৰু সমাজৰ উন্নয়নত প্ৰভূত বৰঙণি যোগাব পাৰে। য'ত বিকাশ নাই, তাত সৌন্দৰ্য্যও নাই।

বিকাশ কোনো মেজিকৰ দ্বাৰা সম্ভৱ নহয়। ইয়াৰ বাবে লাগিব ঐকান্তিক সাধনা (কঠোপনিষদত ঋষিয়ে কৈছে:

উত্তিষ্ঠিত জাগ্ৰত প্ৰাপ্য বৰন্নিবোধত।
ক্ষুৰস্য ধাৰা নিশিতা দুৰত্যয়া
দুৰ্গং পথস্তৎ কৱয়ো বদন্তি ॥ ১৪

অৰ্থাৎ—তুমি উঠা, মোহ নিদ্ৰা ত্যাগ কৰি জাগ্ৰত হোৱা। শ্ৰেষ্ঠ আচাৰ্য্য সকলৰ ওচৰলৈ গমন কৰি মোক্ষতত্ত্ব জ্ঞাত হোৱা; যিসকল ক্ৰান্তদৰ্শী, তেওঁলোকে কয়—আত্ম জ্ঞানৰ পথ ক্ষুৰৰ ধাৰৰ দৰে দুৰ্গম আৰু দুৰতি ক্ৰমণীয়।

স্বামী বিবেকানন্দই কৈছে, **Awake, arise and stop not till the goal is reached.** অৰ্থাৎ জাগা উঠা আৰু লক্ষ্যত উপনিত নোহোৱা পৰ্য্যন্ত ক্ষান্ত নহবা।

# ইতিহাসে গৰকা ৰহস্যঘন ধলপুৰ পাহাৰ

শ্ৰীকিৰ্ত্তি বড়া
স্নাতক ২য় বাৰ্ষিক (কলা)
বুৰঞ্জী বিভাগ

ধলপুৰ পাহাৰ ইতিহাসৰ এটা ৰহস্যবৃত্ত নাম। মঙ্গলদৈ চহৰৰ দক্ষিণে বুঢ়া লুইত ব্ৰহ্মপুত্ৰৰ কুলবৰ্তি স্থানত আৰু গৰুখুটি অঞ্চলৰ পূৰ্ব দিশত চৰ অঞ্চলৰ অস্তিত্ব বহনকাৰী "ধলপুৰ পাহাৰ" অৱস্থিত। পাহাৰখনৰ উত্তৰফালে মৰানদী তাৰ পাৰত 'ধলপুৰ আৰক্ষী চকী" লগতে অসমীয়া নেপালী, বঙালী আদি বিভিন্ন সম্প্ৰদায়ৰ অসমীয়া মানুহৰ বাসভূমি। পশ্চিম পূৰ দিশটো প্ৰায় এনেবোৰ মানুহৰে বাসস্থান। দক্ষিণ দিশত লুইতে কুলু কুলু ধ্বনিৰে আৱাহমান কালৰ পৰাই নিজৰ স্থিতি বাহাল ৰাখি আহিছে—।

"ধলপুৰ পাহাৰ বেদসিদ্ধ তীৰ্থস্থান। ধলপুৰ চৰ অঞ্চলৰ এটি প্ৰাচীনত্বৰ জ্বলন্ত সাক্ষৰ। গুহাবাসী মানৱৰ দিন ধৰি প্ৰস্তৰ যুগ হৈ কোঁচ বংশোদ্ভূৰ দৰঙী ৰজালৈকে সভ্যতাৰ কেবাটাও স্তৰ অতিক্ৰমি অহা এই অঞ্চল বিশেষকৈ লুইতৰ বন্যা বিচৌত ভঙা গঢ়াৰ ইতিহাস। লুইতৰ পলস উৰ্ব্বৰ প্ৰাকৃতিৰ লীলাক্ষেত্ৰৰ বাসিন্দাৰ যুগে যুগে সংগ্ৰামী।

ৰহস্যৰ এই ধলপুৰ পাহাৰখনক বহুতো কিংবদন্তিয়ে সাক্ষী দিয়ে। এসময়ত হেনো মহাদেৱৰ গৰু ৰখীয়া ভীমে কৈলাশৰ পৰা সোণৰ লৰুত ভাৰ বৈ আনি লৌহিত্যৰ মধ্যত প্ৰতিস্থা কৰিছিল। পৰৱৰ্তী কালত কোনোৱা ধৰমবীৰ নামৰ পলাতক নগা কোঁৱৰে হেনো ইয়াতেই ৰাজ্য পাতি বহিছিল। আৰু তাৰ পৰাই পাহাৰখনৰ নাম ধলপুৰ হ'ল। আন এটা কিংবদন্তি মতে প্ৰাগ্‌দেশাধিপতি শ্ৰীবৎস ৰজাৰ ৰাজধানী হেনো এই ধমাৰণ্য বা ধৰমপুৰ আছিল। ধৰমপুৰ নামটো কালক্ৰমত স্থানীয় মানুহৰ মুখত পৰি ধলপুৰ হোৱা বুলি ভবা হয়। দীনেশ্বৰ শৰ্মাদেৱৰ "মঙ্গলদৈৰ বুৰঞ্জী"ৰ পৰাও এই ৰহস্যৰ পাহাৰখনৰ বিষয়ে বহু তথ্য জানিব পাৰি।

পাহাৰখনৰ শিখৰত শিৱ গোসাঁইৰ স্থান। আধা নিৰ্মিত অৱস্থাত এটি মন্দিৰ এতিয়াও তাত বৰ্তি আছে। আদি কালত কাৰুকাৰ্য্য খচিত শিলেৰেই যে নিৰ্মিত আছিল তাক ভগ্নাৱশেষবোৰে প্ৰমাণ কৰে। প্ৰাকৃতিক বা বহিঃ আক্ৰমণৰ কাৰণবশত মন্দিৰটোত ভগ্নপ্ৰাপ্ত হৈ আনুমানিক পঞ্চদশ শতিকাত। পিচত ষোৰড় শতিকা মানত আহোম ৰজাৰ পৃষ্ঠপোষকতাত মন্দিৰটো শিল, ইটাৰে পুণৰ নিৰ্মাণ কৰা হয়। এই মন্দিৰো ১৮৯৭ চনৰ আগত হোৱা প্ৰলয়নকাৰী ভূমিকম্পত ধ্বংশ হৈ যায়। দেৱালয়ৰ চাৰিওফালে সিচৰিত হৈ পৰি থকা ইটা আৰু শিলাখণ্ডসমূহে তাকেই প্ৰমাণ কৰে।

ধলপুৰ পাহাৰত শক্তি পীঠৰো চিন মোকাম পোৱা হৈছে। নিয়াংশৰ পাদভূমিত তাৰ নিদৰ্শন বিদ্যমান। বুঢ়ী গোসাঁইৰ থান বুলি জনমুখখ্যাত, মন্দিৰৰ গৃহ শিলানিৰ্মিত আছিল। যদিও মূল দেৱালয়ৰ দৰে লয়-প্ৰাপ্ত হৈছে। শিলত খোদিত হস্তী চিত্ৰ, এখন ভীম আৰু বকাসুৰে খেলা শিল খোদিত ঢাল আৰু বিয়াগোম হস্তী

নির্মাণৰ আকৃতিয়ে গণেশ মন্দিৰৰ অস্তিত্বকো মনত পেলাই দিয়ে।

ধলপুৰ বিস্ময় আৰু ৰহস্যৰ যাদুঘৰ, ৩টা গুহা আৰু শিলত খোদিত চিত্ৰ লিপিবোৰে হ'ল তাৰ জলন্ত নিদৰ্শন। পুৰাকালৰ পৰাই অৰণ্য আৰু পথ দুৰ্গমতাই লোকচক্ষুৰ পৰা যোজন দূৰত্বত ধলপুৰ পাহাৰে নিজৰ মহিমাক ৰহস্যৰ ঘন কুঁৱলীৰে ঢাকি ৰাখি আহিছে। সেয়ে ধলপুৰ জনগণৰ বাবে মাত্ৰ পাষাণ শিলৰ এখন পাহাৰ। পাহাৰৰ পশ্চিম আৰু উত্তৰত ২ টা গুহা আছে। দক্ষিণৰ ঠিয় শিলৰ গৰ্ভমুখী গুহা আৰু উত্তৰৰ পাদ শিলত খোদাই কৰা শিলালিপিয়ে লৌহিত্য দেশৰ প্ৰাচীনতম সভ্যতাৰ স্বৰ্ণময় ঐতিহ্যৰ যে সম্ভেদ দিয়ে তাত সন্দেহ নাই। কিন্তু দুটা গুহাৰ সমুখদ্বাৰ নিকপকপীয়াকৈ বন্ধ কৰি থোৱা কাৰ্য্য সচাকৈয়ে আশ্চৰ্য্যজনক। তদুপৰি পাহাৰ চাবলৈ যোৱা তীৰ্থ যাত্ৰীসকলক পশ্চিমত ওলমী থকা প্ৰকাণ্ড শিলটোৱে ৰহস্যৰ ঘন কুঁৱলীলৈ টানি লৈ যায়।

পাহাৰখনৰ আন এটা বিস্ময়কৰ ঘটনা হ'ল পাহাৰখনৰ উত্তৰ কালে থকা ডাঙৰ আম গছ জোপা। খৰিকটীয়াই গছডালৰ গুৰিত কাটি শেষ কৰি দিয়াৰ পিছতো গছডাল ঠিয় হৈ থকাত, বহু পূজা পাতল কৰাৰ অন্তত বাগৰি পৰা ঘটনাটোৱে পাহাৰখনৰ মহিমাক ইতিহাসত চিৰস্মৰণীয় কৰে।

পাহাৰখনৰ আন এটা আশ্চৰ্য্যজনক ঘটনা হ'ল এতিয়াৰ পৰা ২০ বছৰমান আগলৈ পাহাৰখনত থকা বুঢ়া বাঘটো। বহু ব্যক্তি পাহাৰত এই বাঘটোৰ সৈতে মুখামুখী হৈছিল; কিন্তু কোনো দিনে এই বাঘটোৱে কাকো অন্যায় কৰা নাছিল। আনকি বহু চিকাৰীয়ে বাঘটোলৈ গুলী চলাই ব্যৰ্থ হৈছিল। কিন্তু হঠাৎ এই বাঘটো পাহাৰখনৰ পৰা অন্তৰ্ধান হোৱা ঘটনা সচাঁকৈ ৰহস্যজনক।

ধলপুৰ গুহাবাসী মানৱৰ বাসস্থান ভূমি আছিল। আদি কালত পাহাৰখনত থকা গুহা কেইটাত অৰণ্য যুগৰ আদিম মানুহেই বাস কৰিছিল। কেতিয়াবা যদি খনন আৰু অনুসন্ধানৰ শুভদিন উপস্থিত হয় তেনেহলে গুহা কেইটাৰ ভিতৰত অধিক তথ্যচিহ্ন আৰু মানৱ দেহৰ ফচিল আৱিস্কাৰ হোৱাৰ সম্ভাৱনা প্ৰকট। পাহাৰখনত অঙ্কিত 'চিত্ৰ কৰ্ম্ম'' বোৰ ভাবিব লগীয়া বস্তু। প্ৰথমে ইয়াক আৱিকাৰ কৰে অসম ৰাজ্যিক পুৰাতত্ব বিভাগৰ প্ৰত্নতত্ববিদ্ ড° প্ৰদীপ শৰ্মাদেৱে। তাৰ পিছত ১৯৮৪ চনত কেন্দ্ৰীয় পুৰাতত্ব বিভাগৰ বিশেষজ্ঞ এগৰাকীয়ে এই ''চিত্ৰকৰ্ম'' তথা ''লিপি'' খৃষ্ট জন্মৰ আগৰ বুলি মন্তব্য কৰে।

১৯৮৮ চনৰ ''প্ৰাকৃতিক দুৰ্যোগ'' অসম ইতিহাসৰ এটি চিৰ স্মৰণীয় অধ্যায়। বিশেষকৈ চৰ অঞ্চলৰ কাৰণে যেন এই দুৰ্যোগ এটি অভিসাপ। এই প্ৰাকৃতিক দুৰ্যোগত চৰ অঞ্চলৰ প্ৰায় সকলো মানুহে নিজৰ পৰিয়ালৰ সৈতে গৰু, ছাগলী, ভেৰা আৰু মহ আদি লৈ পাহাৰত প্ৰায় ডেৰমাহ বাস কৰিছিল। হঠাৎ এদিন ২ জন মানুহে গা-মুখোৱাকৈ মন্দিৰৰ অন্তৰ্দ্বাৰত প্ৰৱেশ কৰি শিৱ গোসাঁইৰ মূৰ্ত্তিটো লাৰি দিয়াৰ পিছত দুয়োৰে আকস্মিক ভাৱে মৃত্যু হয়। ইয়ে পাহাৰখনৰ অন্তঃনিহিত ৰহস্যক জনমানসত মহিমামন্দিত কৰে।

ৰহস্যৰ জনমুখ-খ্যাত শিৱগোসাঁইৰ স্থান ''ধলপুৰ পাহাৰ'' সোণালী ইতিহাসৰ চৰ অঞ্চলৰ যুগে যুগে সংগ্ৰামী এখনি জীয়ন্ত প্ৰতিমূৰ্ত্তি। সভ্যতাৰ কেবাশতিকা গচকি যোৱা এটি অসমীয়া প্ৰাচীন সংস্কৃতিৰ মেটমৰা ভড়াল। যদি অদূৰ ভৱিষ্যত চৰকাৰ বা আন কোনো ব্যক্তি বিশেষে এই ৰহস্যৰ ধলপুৰ পাহাৰখনৰ বিষয়ে অধ্যয়ন, গৱেষণা আদি কৰিবলৈ আগবাঢ়ি আহে তেতিয়া হলে হয়তো পাহাৰখনত থকা সকলো প্ৰান্তৰ শিলে সাৰ পাই উঠিব আৰু পাষাণে ইতিহাস হব। কিন্তু এই কঠোৰ সাধনাত ব্ৰতি হবলৈ লাগিব একান্ত আগ্ৰহ।

# নেপাল ভ্ৰমণৰ এক চমু অভিজ্ঞতা

শ্ৰীহিমাংশু নাথ
উচ্চতৰ মাধ্যমিক (২য় বাৰ্ষিক) কলা

যোৱাবছৰ শীতকালি শিক্ষামূলক ভ্ৰমণ সূচীৰ অন্তৰ্গত মঙ্গলদৈ মহাবিদ্যালয় ভূগোল বিভাগৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগতে মযো এজন ছাত্ৰ হিচাপে নেপাললৈ যোৱাৰ সুযোগ পাইছিলো। এনে এটা সুন্দৰ সুযোগ গ্ৰহণ কৰি মই মঠ মন্দিৰৰ দেশ নেপাল চাবলৈ ওলাইছিলো।

নেপাললৈ অসমৰ পৰা অহাযোৱা কৰাৰ পৰিবহন ব্যৱস্থাৰ তেনে কোনো অসুবিধা নাই। অসমত যিসকল নেপালী লোক আছে তেওঁলোকৰ বেছি ভাগৰেই নেপালত সম্পৃকীয় লোক আছে। গতিকে তেওঁলোকে সেই সূত্ৰেই ভাৰত আৰু নেপালৰ মাজত অহা যোৱা অথবা আদান প্ৰদানৰ ব্যৱস্থা ৰাখি চলি আহিছে। তেনেকুৱা, প্ৰায়ে নেপাললৈ গৈ থকা, এজন লোকৰ পৰা আমাৰ ভ্ৰমণত পথ-প্ৰদৰ্শক হিচাপে যোৱা অধ্যাপক সকলে নেপাললৈ যোৱাৰ বাবে যাৱতীয় তথ্যপাতি ভালদৰেই জানি ললে। সেয়েহে বিশেষ কোনো অসুবিধা নোপোৱাকৈয়ে আমি টংলা হৈ ৰেলযোগে শিলিগুড়িলৈ আৰু তাৰ পৰা বাচ যোগে পানী-টেংকিলৈ গৈছিলো। শিলিগুড়িৰ পৰা পানী-টেংকিৰ বাচভাড়া তিনি টকা। বাচত প্ৰায় ৪৫ মিনিটৰ বাট। পানী-টেংকিৰ পৰা ১½ কিলোমিটাৰ দূৰত্বত কাকাৰভিটা। পানী-টেংকি ভাৰতৰ ভিতৰত আনহাতে কাকাৰভিটা নেপালৰ অন্তৰ্গত। দুয়োখন ঠাই এখন নদীৰ পকাদলংৰে সংযুক্ত। কাকাৰভিটাৰ পৰা নেপালৰ কাঠমাণ্ডুলৈ বাছ চলে। বাছবোৰ সাধাৰণতে দিনত এবাৰকৈ আবেলি ৩ মান বজাত এৰে। কাকাৰভিটাত ভাৰতীয় মুদ্ৰা নেপালী মুদ্ৰালৈ সলাই লোৱাৰ সুবিধা আছে। অৱশ্যে নেপালত ভাৰতীয় মুদ্ৰা অবাধে ব্যৱহাৰ কৰিব পাৰি। পানীটেংকি আৰু কাকাৰভিটাত শুল্ক বিভাগৰ চেকপোষ্ট আছে। পানী টেংকিত থকা চেকপোষ্ট "Corruption"ৰ মুধত। তাত থকা পিয়নকে ধৰি অফিচাৰ সকলৰ বাহিৰে চৰকাৰৰ অন্য কিবা লাভ হৈছে বুলি মনে নধৰে। যাহওক, কাকাৰভিটাৰ পৰা একেৰাহে ১৮ ঘণ্টামান যোৱাৰ অন্তত কাঠমাণ্ডু পালোগৈ পিছদিনা ৰাতিপুৱা ১০ বজাত।

কাঠমাণ্ডুলৈ ভ্ৰমণ কৰাতো মোৰ বাবে অন্য এক ডাঙৰ অভিজ্ঞতা। হিমালয়ৰ পাদদেশত থকা পৰ্বত পাহাৰ বোৰ কাটি পথ উলিয়াই নেপাল চৰকাৰে পৰিবহনৰ ব্যৱস্থা কৰিছে। কিন্তু বেছিভাগ ৰাষ্টাই উন্নত মানৰ হৈ উঠা নাই। আমি যোৱা ৰাষ্টাটোও সেই পৰ্য্যায়ৰে। সেয়ে গাড়ীত অন্য সকলৰ লগতে আমিও কষ্ট অৱশ্যে নোখোৱাকৈ থকা নাছিলো। কিন্তু নেপালৰ প্ৰাকৃতিক সৌন্দৰ্য্যই লগতে পৰ্বতৰ ঢালবোৰত যথেষ্ট যত্ন সহকাৰে কৰা বেদিকা বা ঢাপ ( Terrace Culti-

vation) কৃষিৰ সৌন্দৰ্য্যই আমাৰ ভ্ৰমণৰ কষ্ট যথেষ্ট পৰিমাণে লাঘব কৰিছিল। কেতিয়াবা আকৌ গাড়ীয়ে লাহে লাহে যেতিয়া পৰ্বতীয়া একাবেকা পথ অতিক্ৰম কৰি ওপৰলৈ উঠিবলৈ ধৰে, তেতিয়া তলৰ ফালে চকু গলেই কোনো এক মুহূৰ্ত্তত গুৱাহাটী-চিলং, জম্মু-শ্ৰীনগৰ অথবা কিমিনজ্বিৰে পথ আৰু তাত মাজে সময়ে সংঘটিত হোৱা বাচ দুৰ্ঘটনাবোৰলৈ মনত পৰি গা শিয়ঁৰি উঠে। সেই অৱস্থাত কব নোৱাৰাকৈয়ে ঈশ্বৰক স্মৰণ কৰি আমাৰ যাত্ৰা সুকলমে পাৰ কৰি নিবলৈ খাটিবলগীয়া হয়। সি যি কি নহওক, মনত নতুন বস্তু চোৱা বা দেখাৰ এসোপা আশা বুকুত বান্ধি লৈ আমি কাঠমাণ্ডু পালোগৈ। শিক্ষাগুৰু সকলে ইতিমধ্যে বিভিন্ন জনৰ লগত থকা-খোৱাৰ বন্দবস্ত সম্পৰ্কে আলোচনা কৰিলে। বন্দবস্ত কৰা হ'ল এখন সাধাৰণ মানৰ হোটেলত-থকাৰ বাবে, (অধ্যাপক সমন্বিতে ভ্ৰমণ সূচীটোৰ সদস্য সংখ্যা যথেষ্ট হোৱা হেতুকে ষ্টাৰ হোটেলত থাকি নেপাল চোৱাৰ সৌভাগ্য নহল)। নেপালত কটোৱা দিন কেইটাত খোৱাবোৱা যতেই সুবিধা পোৱা যায় তাতেই কৰিবলৈ ঠিক কৰা হ'ল। পিছলৈ অৱশ্যে আমি কেইদিনমান ভাতৰ বাবে কাঠমাণ্ডুৰ ৰাজ আলিয়েদি হোটেল বিচাৰি ফুৰিব লগা হোৱাৰ কথা মনত পৰে। কাৰণটো কাঠমাণ্ডু সম্পৰ্কে আমাৰ কাৰো স্পষ্ট ধাৰণা নথকাটোৰেই বুলিব লাগিব। যিকি নহওক, আমাৰ ঠাই ঘূৰা আৰু চোৱা এই দুয়োটা কাৰ্য্য কাঠমাণ্ডু পোৱাৰ পিছদিনাৰ পৰাই আৰম্ভ হ'ল। এটা বেচৰকাৰী সংস্থাৰ পৰা বাছ এখন ঠাই চোৱাৰ বাবে ভাড়ালৈ লোৱা হ'ল। পৃথিৱীৰ যিকোনো ঠাইলৈকে নাযাওঁ কিয় ভাল মানুহৰ যে অভাৱ নাই তাৰ স্পষ্ট প্ৰমাণ আমি নেপালতো পালো। আমি ঠাই চাবৰ (Sight seeing) বাবে ভাড়া কৰা বাচখনৰ ড্ৰাইভাৰজন। তেওঁৰ মানবীয়তাবোধ, সৎ চৰিত্ৰ আৰু আতিথ্যতা অতি কম সময়ৰ ভিতৰতে আমাৰ সকলোকে মোহিত কৰিছিল। কথা কওঁতে অনবৰতে ডাঢ়িয়াল মুখখনত লাগি থকা এটা খোলা হাঁহি আৰু নিভাঁজ হিন্দী কবপৰা এই লোকজনে আমাক গাড়ীৰে ইখন ঠাইৰ পৰা সিখন ঠাইলৈ লৈ ফুৰাৰ উপৰিও সকলো সময়তে আমাৰ পথ প্ৰদৰ্শক (Guide) হিচাপে লগত আছিল। মঠ মন্দিৰবোৰৰ ঐতিহ্য জনাত এই অচিনাকী ব্যক্তি আমাৰ ভাল সহায়ক হৈ পৰিছিল। এইদৰে কেনেকৈ সময়বোৰ পাৰ হৈ গৈছিল আমি কব পৰা নাছিলো। কিন্তু যেতিয়া আমাৰ শিক্ষামূলক ভ্ৰমণ প্ৰায় শেষ প্ৰান্তত উপস্থিত হ'ল তেতিয়াহে আমাৰ এইবিষয়ে জ্ঞান আহিল। নেপালত এনেকৈ প্ৰায় সকলো চাবলগীয়া বস্তু চাই অন্ত পৰিলত, আমি ওভতা গতিপথ ললো আৰু মনত নেপাল বিদায়ৰ এক মধুৰ বেদনা লৈ ঘৰ পালোহি। নেপালত থকা কেইদিনৰ মোৰ অভিজ্ঞতাবোৰ ইয়াৰ ভৌগলিক (Geographical), অৰ্থনৈতিক (Economic), ৰাজনৈতিক (Political), সামাজিক (Social), সাংস্কৃতিক (Cultural) নাইবা ধৰ্মীয় (Religious), ভাবধাৰা নাইবা উপাদানবোৰ স্বকীয়াভাবে ভাগ কৰি থূলমূলকৈ তলত বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰিলো।

**ভৌগলিক বিৱৰণঃ**- কোৱা হয় "Nepal is a Country of amazing extremes" অৰ্থাৎ নেপাল এখন চৰম বিস্ময়কৰ দেশ। এই নেপালতেই পৃথিৱীৰ সৰ্ব্বোচ্চ শৃংগ সাগৰমথ (Mt. Everest) অৱস্থিত। সাৰ্বভৌম ৰাষ্ট্ৰ নেপাল ৮০°৪´ পূঃ ৮৮°১২´ পূঃ দ্ৰাঘিমাংশ আৰু ২৬°২২´ উঃ আৰু ৩০°৪´ উঃ অক্ষাংশৰ মাজত অৱস্থিত। নেপালৰ উত্তৰে তীব্বত থকাৰ বাহিৰে বাকী দিশবোৰত ভাৰতৰ ৰাজ্য যেনে, পূবে চিকিম আৰু পশ্চিমবঙ্গ, দক্ষিণে বিহাৰ আৰু উত্তৰ প্ৰদেশ আৰু পশ্চিমে উত্তৰ প্ৰদেশে আগুৰি আছে। এই ৰাষ্ট্ৰখন পূৱা পশ্চিমাকৈ প্ৰায় ৮৮৫ কিঃ মিঃ আৰু উত্তৰা দক্ষিণাকৈ ১৪৫ ৰ পৰা ২৪১ কিঃ মিঃ জুৰি আছে। জলবায়ুৰ ফালৰ পৰা দেশখনত সাধাৰণতে সমভাবাপন্ন জলবায়ু বিৰাজ কৰা দেখা যায়। বেছি উচ্চতাৰ ঠাইবোৰত বৰফৰ বাবে শীতৰ মাত্ৰা বেছি। আনহাতে দক্ষিণৰ সমভূমিৰ ফালে গ্ৰীষ্মকালি তাপৰ মাত্ৰা বেছি। বৰষুণ যথেষ্ট হয়। তৰাই অঞ্চলক বাদ দিলে নেপালৰ

আন ঠাইবোৰৰ গড় উচ্চতা সমুদ্ৰ পৃষ্ঠতকৈ ১১০০ মিটাৰৰ বেছি নহয়।

**ৰাজনৈতিক ইতিহাস** ঃ- নেপালৰ এক দীঘলীয়া গৌৰৱ-ময় ৰাজনৈতিক ইতিহাস আছে। এই ৰাষ্ট্ৰৰ সভ্যতা (Civilisation) খ্ঃ পূঃ ১০০০ বছৰমান আগতেই গঢ়ি উঠাৰ প্ৰমাণ পোৱা যায়। আধুনিক নেপাল বহু পুৰণি ৰাজ্যৰ এক অপূৰ্ব সন্মিলন। বৰ্ত্তমানৰ ছাহ বংশই খ্ঃ ১৭৬৮ চনত সন্মিলিত নেপালৰ সিংহাসন দখল কৰাৰ আগলৈকে পূৰ্বৰ বহুবিভক্ত নেপালত মালা, গোপাল, আব'হিৰ, কিৰাট আদি বংশৰ ৰজাসকলে ৰাজত্ব কৰিছিল। বৰ্ত্তমান নেপালৰ ৰজা বীৰেন্দ্ৰ বীৰ বিক্ৰম ছাহ হ'ল ছাহ বংশৰ প্ৰতিষ্ঠাতা পৃথিৱী নাৰায়ণ ছাহৰ বংশধৰ। ১৯৯০ চনৰ গণতান্ত্ৰিক বিপ্লৱে সফলতাৰে নেপালত বহু-দলীয় গণতান্ত্ৰিক ব্যৱস্থা (Multi-party democratic system) স্থাপন কৰে যাৰফলত এই ৰাষ্ট্ৰত ৰাজ ক্ষমতা (Royal Power) অথবা ৰজাৰ নিজ ক্ষমতা আগৰ তুলনাত যথেষ্টভাৱে হ্ৰাস পায়। বৰ্ত্তমান ৰজাৰ ক্ষমতা বৃটিছ যুক্তৰাজ্যৰ ৰাণীৰ দৰে বুলি কব পাৰি। অৰ্থাৎ "The king can do no wrong"। ১৯৯০ চনত প্ৰযোজ্য হোৱা নতুন গণ-তান্ত্ৰিক সংবিধানত উল্লেখ কৰা এখন গণ-প্ৰতিনিধিত্ব মূলক চৰকাৰৰ হাতত এতিয়া দেশৰ শাসনৰ বাঘজৰীডাল ন্যস্ত।

**অধিবাসী** ঃ- নেপালৰ বৰ্ত্তমান জনসংখ্যা প্ৰায় ১৮ নিযুতৰ ওচৰাওচৰি। ভাৰতবৰ্ষৰ দৰে নেপালতো ভিন ভিন সম্প্ৰদায়ৰ, জাতি, জনজাতিৰ লোক বিভিন্ন অঞ্চলবোৰত বাস কৰে। এই সম্প্ৰদায়বোৰৰ মাজত ভাষাৰ, সাজপাৰৰ বৈশাদৃশ্য দেখিবলৈ পোৱা যায়। গুৰুঙ, ৰেইচ, লিমবাচ, চোনোৱাৰ, চেৰপা আদি এই ৰাষ্ট্ৰৰ প্ৰধান অধিবাসী জাতি। ব্ৰাহ্মণ, চেত্ৰী, ঠাকুৰিচ্ আদি সম্প্ৰদায়ৰ অধিবাসীৰ সংখ্যা আন জাতিবোৰৰ তুলনাত তাকৰ যদিও এই সম্প্ৰদায়বোৰৰ অধিবাসী গোটেই ৰাষ্ট্ৰখনতে সিচঁৰিত হৈ আছে।

**ধৰ্ম** ঃ- হিন্দু আৰু বৌদ্ধই নেপালৰ প্ৰধান ধৰ্ম যিয়ে দেশখনৰ মুঠ জনসংখ্যাৰ যথাক্ৰমে শতকৰা ৮৫.৫ ভাগ আৰু ৫.৩ ভাগ অধিকাৰ কৰি আছে। যদিও নেপাল পৃথিৱীৰ একমাত্ৰ হিন্দু ৰাষ্ট্ৰ হিচাপে পৰিগণিত তথাপি ইয়াত আনধৰ্মৰ লোকক কোনো অত্যাচাৰ উৎপীড়ন কৰা নহয়। বৰঞ্চ হিন্দু আৰু বৌদ্ধ এই দুয়োটা ধৰ্মই পাৰ-স্পৰিক সহানুভূতি আৰু মিলাপ্ৰীতিৰ এনাজৰীৰে চিৰদিন বান্ধ খাই আছে। এই সহনশীলতাৰ বাবেই কাঠমাণ্ডুকে ধৰি নেপালৰ প্ৰায়বোৰ প্ৰধান ঠাইতে হিন্দু মন্দিৰ আৰু প্ৰকাণ্ড প্ৰকাণ্ড বৌদ্ধ মঠ বা পেগোদাবোৰ গিপ্ গিপাই থিয় হৈ থাকিব পাৰিছে। ধৰ্মীয় গোড়ামিয়ে দুটা ভিন্ন আদৰ্শ-যুক্ত ধৰ্মক কেতিয়াও একেলগে আগবঢ়াই নিব নোৱাৰে। সেই হেতুকেই ধৰ্মীয় এককীকৰণক বিশেষকৈ হিন্দু আৰু বৌদ্ধৰ মাজত গঢ় লৈ উঠা মহামিলনক নেপালৰ এক সামাজিক ৰীতিগত বৈশিষ্ট্য বুলি কোৱা হয়। হিন্দু আৰু বৌদ্ধৰ বাহিৰে এইদেশত বেলেগ ধৰ্মাৱলম্বী লোক আছে যদিও তেওঁলোক সংখ্যাত নিচেই তাকৰ।

**মঠ মন্দিৰ সমূহ** ঃ- মঠ মন্দিৰেৰেই ঠাহ খাই আছে সমস্ত নেপাল। হিন্দু মন্দিৰ সমূহৰ ভিতৰত মচেন্দ্ৰনাথ মন্দিৰ, কুমাৰী মন্দিৰ, পশুপতি মন্দিৰ, কাষ্ঠমণ্ডপ মন্দিৰ, আকাশ-ভৈৰৱ মন্দিৰ, গুহেশ্বৰী মন্দিৰ, জগত নাৰায়ণ মন্দিৰ, কুম্ভেশ্বৰ মন্দিৰ আদি উল্লেখযোগ্য। তেনেকৈ বৌদ্ধ স্তুপবোৰৰ ভিতৰত বৌদ্ধনাথ স্তুপ, সয়ম্ভুনাথ স্তুপ, ৰুদ্ৰবাৰ্ণ মহাবীৰ স্তুপ, "অশোক স্তুপ" আদি উল্লেখযোগ্য।

কিন্তু মঠমন্দিৰবোৰৰ বিশেষত্ব হ'ল এয়ে যে, ইয়াৰ কিছুমানত হিন্দু আৰু বৌদ্ধ ধৰ্মাৱলম্বী উভয় সম্প্ৰদায়ৰ লোকেই পূজা অৰ্চনা কৰা দেখা যায়। গতিকে ইয়াৰ পৰাই বুজা যায় যে নেপালত হিন্দু আৰু বৌদ্ধ ধৰ্মৰ মাজৰ মিলন কিমান সুদৃঢ়।

**সংস্কৃতি** ঃ-- নেপালৰ মঠ মন্দিৰ, দেৱালয়বোৰত দেৱালৰ বাহিৰে ভিতৰে খটোৱা বিভিন্ন কাৰু কাৰ্য্যবোৰৰ পৰা

সেই দেশখনৰ অতীজৰ, উত্তম আৰু আটকধুনীয়া স্থাপত্য বিদ্যাৰ নিদৰ্শন পোৱা যায়। সেই দেশৰ লোকৰ কলা-বিদ্যা সম্পৰ্কে থকা জ্ঞানৰ বিষয়ে আমি ইয়াৰ পৰাই সহজে অনুমান কৰিব পাৰো। মঠবোৰত আটোলটোলকৈ ৰখা ব্ৰঞ্জৰ আৰু শিলৰ মূৰ্ত্তিবোৰে আমাক মহান সৌন্দৰ্য্য-বোধ আৰু লগতে নেপালৰ প্ৰাচীন সভ্যতাসমূহৰ জীৱন যাপনৰ উন্নত মানদণ্ডৰ বিষয়ে আঙ,লিয়াই দিয়ে। সেইদৰে মন্দিৰবোৰত দেখা পোৱা কাঠৰ, লোৰ, শিলৰ বিভিন্ন কাৰুকাৰ্য্য কৌশলবোৰক দেশখনৰ ভাস্কৰ্য্যবিদ্যাৰ ভঁৰাল বুলি কব পাৰি। এই বিৰাট কলা-সংস্কৃতিয়ে নেপাল ৰাষ্ট্ৰখনৰ সাংস্কৃতিক অতুলনীয়তাত গৌৰৱ আৰু মহত্বতা বঢ়াইছে বুলি কোৱা হৈছে।

**ভাষা :--** অধিবাসীৰ কথা আলোচনা কৰোতে নেপালত প্ৰচলিত ভাষাৰ কথাকে কোৱা হৈছিল যে নেপালত বিভিন্ন ভাষাৰ প্ৰচলন আছে। বিভিন্ন সম্প্ৰদায়বোৰৰ প্ৰত্যেকৰে নিজৰ নিজৰ ভাষা আছে। ইয়াত দোৱান ভাষাৰ প্ৰচলনো পোৱা যায়। তথাপিও ৰাষ্ট্ৰখনৰ চৰকাৰী কাম-কাজবোৰকে আদি কৰি আন কাম সুকলমে চলাই নিবলৈ নেপালী ভাষাৰেই প্ৰচলন সৰ্বাধিক, তাৰোপৰি শিক্ষিত নেপালী আৰু বিদেশী লোকৰ লগত বিভিন্ন ক্ষেত্ৰত পথ-প্ৰদৰ্শক হিচাপে কাম কৰা নেপালী লোকে ইংৰাজী ভাষা স্খলিত ভাবে কব পাৰে।

**আচাৰ ব্যৱহাৰ আৰু সাজ-পোচাক :–** আচাৰ ব্যৱহাৰত নেপালী সকলৰ যথেষ্ট সুনাম আছে। সহজ সৰল নেপালী সকলক সততে অতিথি পৰায়ণ বুলি জনা যায়। কিন্তু আমাৰ ভ্ৰমণকাৰী দলটোৰ কেইজনমান নেপালীৰ লগত হোৱা তিতা-অভিজ্ঞতা এই ক্ষেত্ৰত ব্যতিক্ৰম, সাজ-পোচাক সাধাৰণতে ঠাই আৰু সময়ৰ ওপৰতে নিৰ্ভৰ কৰে।

**কৃষি :--** ভাৰতৰ দৰে নেপালখনো এখন কৃষি প্ৰধান দেশ। দেশখনৰ ৯১% লোকেই কৃষিত নিয়োজিত। তথাপি কৃষি ভিত্তিক দেশ হোৱা স্বত্বেও নেপালৰ মুঠ মাটি কালিৰ মাত্ৰ ১৮% মানতহে খেতি কৰা হয়। কাৰণ নেপালৰ মুঠ মাটিকালিৰ বেছি অংশই পৰ্বত পাহাৰেৰে আগুৰা। উৎপন্ন হোৱা খাদ্য শস্যবোৰৰ ভিতৰত ধানেই প্ৰধান। মুঠ উৎপাদনৰ প্ৰায় ৫৫%। ধান প্ৰধানকৈ তৰাই অঞ্চলত আৰু কম পৰিমাণে কাঠমাণ্ডু আৰু পোখৰা উপত্যকাত হয়। যদিও পৰ্বতময় ঢালবোৰ খেতিবাতিৰ বাবে অনুপ-যুক্ত তথাপিও আজিকালি ঢাপ বা বেদিকা ( Terrace ) কৃষিৰ দ্বাৰা পৰ্বতৰ ঢালবোৰত ঢাপৰ সহায়ত পানী জমা কৰি ৰাখি খেতি কৰা হয়। ধানৰ বাহিৰেও ঘেহু, বালি আদি এই দেশৰ উল্লেখযোগ্য শস্য। কাঠমাণ্ডু আৰু ইয়াৰ আশে-পাশে থকা ঠাইবোৰত মানুহৰ ঘৰে ঘৰে বিবিধ ফলমূলৰ খেতি কৰা দেখা যায়।

# কিবা লিখিলোঁ ?

শ্ৰীসাধিৰাম বৰা
কাৰ্য্যালয় সহায়ক
মঙ্গলদৈ মহাবিদ্যালয়

গল্প, প্ৰবন্ধ লিখিবলৈ মোহ নথকা নহয়। কিন্তু লিখা কথাটো বৰ সহজ নহয়। কিয়নো লিখিবলৈ হ'লে লাগিব ভাষা, সাধনা, আবেগ, অনুভূতি, সংঘাত, কল্পনা আৰু অকমান সময়! তথাপি লিখিবলৈ হাতত কাপ তুলি ললোঁ আৰু কল্পনা সাগৰত ভুমুকি মাৰিলোঁ। কল্পনাৰ জগতখন বৈচিত্ৰ্যময়। বহুত কথাই মনৰ গহ্বৰত লুকা-ভাকু খেলিব ধৰিলে। সেয়ে মনৰ সাগৰত চিত্ৰ-বিচিত্ৰ কাহিনী দোলে। মনৰ ইন্দ্ৰ জালত বহুত আবেগ আহিল আৰু আহিল মৰম। এইবোৰ সংলাপ মনত আৱদ্ধ নেৰাখি এটা কিবা লিখোঁ বুলি ভাবিলোঁ।

এদিন চান্দমাৰীৰ চিটি বাছ আস্থানত গাড়ীখন বৈ গ'ল। গাড়ীত মানুহ উঠা উঠিছে নমা নামিছে। কোনোৱে কাকো চাবলৈ সময় নাই। ব্যস্ত পৃথিবী ব্যস্ত মানৱ। গাড়ীখনত হাত বুলাই বুলাই এজন ভিক্ষাৰীয়ে মানুহ পোৱা নোপোৱাৰ আশাৰে বিনালে—"দিয়ক দাদা দহ, পাঁচ পইচা, দিয়ক, দাদা দহ, পাঁচ পইচা ...।" সেই ভিক্ষাৰীজনে আত্ম তৃপ্তিৰে দুসাজ খাব পাইছেনে নাই সন্দেহ, ঠিক তেনেধৰণৰ আন এটা দৃশ্যই মোৰ দৃশ্যপটত আহি ধৰা দিলেহি। এগৰাকী অন্ধ মাইকী মানুহৰ গীতৰ কাকলি—"কিনো মোৰ ভাগ্য বিৰম্বন, অথন্তৰ মিলে ঘোৰ প্ৰাণ সখা কৃষ্ণ মোৰ বৈকুণ্ঠে কৰিলা প্ৰয়াণ......।" এই অন্ধ মানুহ জনীৰো সমস্যা একেটাই, সখী কৃষ্ণ প্ৰাণৱন্ত তেওঁৰ সহায় স্বৰূপ হবনে? এইয়া দুখীয়া ভিক্ষাৰী মানুহৰ হিয়াৰ বিননি। দুখীয়া মানুহৰ ব্যথাভৰা হৃদয়ৰ আবেগ অনুভূতিক লৈ কি লিখিম বাৰু।

আকৌ আন এটা ক্ষণত চাহ বাগানৰ দৃশ্য পটত উদ্ভাসিত হলো চাহ বাগানৰ মজদুৰৰ মুখত শুনা এটি গীত মনত পৰিল "চাহ গছৰ আঁৰত লুকাই দুয়ো দুয়োক চাই—বুধুৱাৰ মৰমতে লচ্মী পমী যায়......।" ৰ'দ বতাহক নেওঁচি বনুৱাহতে চাহ গছত হাত বুলাই আৰু প্ৰখৰ ৰ'দত গাৰ বৰণ কলা কৰে। তথাপি সিহঁতেও মৰম-চেনেহ মিলা-প্ৰীতিৰে খাই বৈ থাকিব বিচাৰে। ঠিক সেইদৰে স্ব-নাম-ধন্য গোৱালপৰীয়া লোকগীতৰ মাতৃ বুলিয়েই কব পাৰি—শ্ৰীমতী প্ৰতিমা পাণ্ডে বৰুৱাৰ এটি গীতৰ কলি মনত পৰিল—'অ' জীৱন চাৰিয়া নাযাচ্ ৰে........ জীৱন চাৰিয়া নাযাচ্ ৰে—এই জীৱন চাৰিয়া গ'লে আমি থাকিব কেমন কৰিয়া ৰে' এইবোৰ হৃদয়স্পৰ্শী গীতে হিয়াত আবেগ জগাই তোলে। পাপী জীৱনৰ পৰমায়ু এবেগত হয়। জীয়াই থকাৰ কামনা-বাসনা আকৌ কলীয়া ডাৱৰ। জীয়াই থকিলে মৰিবলৈ মন নাযায়। ঠিক সেইদৰে মনত আকৌ আজান ফকিৰৰ "জিকিৰ আৰু জাৰীৰ" এটা স্পৰ্শ কাতৰ ভাৱ উদ্গীৰণ হ'ল—গীতটোৰ দুফাঁকি কথাই মনটো বিৰ্ময কৰিলে—কথা দুফাঁকি হৃদয় দলিচাত চিহ্নিত হ'ল—

গীত দুফাঁকি

"কিনো বাবাৰ কিনো হাল

চম্পা ফুল যেন দুই গাল

লহুত মিহলি হ'ল হায় হায় ৰে ···· "এনেবোৰ বাস্তৱ কাহিনীৰ লোকগীত, জিকিৰ আৰু জাৰীৰ স্পৰ্শ মোৰ হিয়াত উঠা-নমা কৰিছে। মৃত্যুৰ গহ্বৰত জাত-পাতৰ চিন নাই। লঙ্‌পহীয়া মানৱ জীৱনটো মৃত্যুৱে সাৱটি ধৰিলে "লহুত" মিহলি হয়।

এইবোৰ কল্পনা পটত অংকিত চিত্ৰ বিচিত্ৰ ছবিয়ে মোৰ মন জুৰুলা কৰিলে। গল্প বা প্ৰবন্ধ এটা লিখিবলৈ সমল যোগাব নোৱাৰিলোঁ। ভাবিছিলো চমুকৈ প্ৰবন্ধ এটা লিখিম বুলি, কিন্তু খেলিমেলি লাগি গ'ল। বিষয় বস্তু এটা বিচাৰি তাক যুগুতাই এটা প্ৰবন্ধৰ সৃষ্টি কৰিব নোৱাৰিলোঁ। সাহিত্যৰ কাননত কবিতা, গল্প, নাটক, গীত, সাঁথৰ, ধেমেলীয়া দৃশ্য নৃত্য-নাটিকাৰ ববচা ফুল ফুলে। সাহিত্যৰ সৌধ নিৰ্মাণ কৰিবলৈ লিখিব লাগে। লিখাতো এটা ধৰ্ম। কিন্তু মই জানো এয়া সঁচাকৈ কিবা লিখিলোঁ?

---

শিতান—

# মহৎ লোকৰ বাণী

১। "পৃথিৱীত মই নিজৰ বাহিৰে আন কাকো সমালোচনা বা ভংসনা কৰিব নোখোজোঁ; কাৰণ মই নিজৰ দোষবোৰ যিমানে ভালকৈ জানো। আন কাৰো দোষ সিমান ভালকৈ নাজানো।" Shakespeare.

২। "যি জনে জীৱন ত্যাগ কৰিব পাৰে, সেইজনেহে জীৱন ভোগ কৰিব পাৰে।" গান্ধীজী।

৩। "যাক প্ৰশংসা কৰিব নোখোজা তাক নিন্দা কৰিবলৈকো কলম হাতত নলবা।" ৰবীন্দ্ৰনাথ।

৪। "খং নকৰিবা, নিজৰেই সৰ্ব্বনাশ হব। অহঙ্কাৰ নকৰিবা পতন হব। ঘৃণা নকৰিবা, নিজেও ঘৃণিত হবা। ফাঁকি নিদিবা নিজেই ফাঁকত পৰিবা।" স্বামী বিবেকানন্দ।

৫। "এখন দেশ আন এখনতকৈ শ্ৰেষ্ঠ হয় দেশখনৰ নাগৰিক সকলৰ চৰিত্ৰৰ শক্তিৰেহে; যুদ্ধ সজ্জাৰে নহয়।" বেডেন পাৱেল।

৬। "সংযম সকলো যুদ্ধ, সকলো মহৎ কামৰ অধ্যায়।" কৰ্মবীৰ নবীনচন্দ্ৰ।

সংগ্ৰাহক—

শ্ৰীযামিনী চৌধুৰী
স্নাতক ৩য় বাৰ্ষিক (কলা)

# ভূৱণেশ্বৰত দুদিন

শ্ৰীহেমন্ত বৰুৱা
স্নাতক চূড়ান্ত বৰ্ষ

১৯৯০ চনৰ ৩ অক্টোবৰ তাৰিখে মঙ্গলদৈ মহাবিদ্যালয়ৰ পৰা দক্ষিণ ভাৰতলৈ এটা Excurtion উলিয়ালো। মই আৰু সেই সময়ৰ সম্পাদক মুণে আগভাগ লৈ। আমাক পৰামৰ্শ দিছিল শ্ৰীনগেন শৰ্ম্মা চাৰে। আমি যোৱা ঠাইসমূহ হ'ল—কলিকতা, ভূৱণেশ্বৰ, মাদ্ৰাজ, কণ্যাকুমাৰী, বাঙ্গালোৰ, মহীশূৰ, বোম্বাই আৰু দিল্লীলৈ। মই আজি এই ভ্ৰমণৰ এটা অংশ ভূৱণেশ্বৰ ভ্ৰমণৰ বিষয়ে লিখিব ওলাইছো।

আমি ভূৱণেশ্বৰ পাওঁ ৭ অক্টোবৰ ৰাতিপুৱা ৬-৪৫ মিনিটত। ভূৱণেশ্বৰ এটা সৰু ৰেল ষ্টেচন। ই বৰ্ত্তমান উৰিষ্যাৰ ৰাজধানী। অক্টোবৰৰ ৰাতিপুৱা অলপ অলপ ঠাণ্ডা পৰিছে। Trian ৰ পৰা নমাৰ পাচতে নগেন শৰ্ম্মা চাৰে আমাক ৰব দি উৰিষ্যাৰ মুখ্য মন্ত্ৰীক ফোন কৰিব গ'ল। চাৰৰ লগত মুখ্য মন্ত্ৰী বিজু পাটনায়কৰ পুৰণি চিনাকী। ষ্টেচনত বেমাৰী মানুহৰ সংখ্যা বেছি। আগতেওঁ শুনিছো উৰিষ্যাত বেমাৰীৰ সংখ্যা বেছি। এইবোৰ বেমাৰী দেখি আমাৰ মনত নানা ভয়। চাৰ ফোন কৰিবলৈ অহাত দেৰি হোৱাত আমাৰ খং উঠে। কাৰণ হল ভূৱণেশ্বৰত ৰোৱাতো আমাৰ মনঃপুত হোৱা নাই। আমি পুৰীত যোৱাৰ হে পক্ষপাতি। মই আৰু দুজন বন্ধুক লৈ চাৰক বিচাৰি গলো। চাৰক লগপোৱাত চাৰে কলে যে মুখ্য মন্ত্ৰীয়ে গা ধুই আছে অলপ ৰব লাগিব। আমাক চাহ তাহ খাই লব দিলে। মই প্ৰত্যেককে একোটা দলত চাহ খাব যাব দিলো। সেই সময়তে ষ্টেচনত থকা উৰিষ্যাৰ পৰ্যটন বিভাগৰ দ্বাৰা লগোৱা ফটোবোৰ চালো। মোৰ ভাল লগাত আৰু দুজন মানক দেখুৱালো। সিহঁতেওঁ চাই ভাল পালে। যত একো চাব নাই বুলি ধাৰণা আছিল তাত সেইবোৰ দেখি চাব মন গল। তাৰ পৰা মই চাহ খাব গলো। ষ্টেচনৰ বাহিৰত হোটেল দুখনমান আছে, তালৈ। বাটতে ফাৰুকে কলে, "এটা বস্তু খালো বৰ ভাল লাগিল।" নামটো কলে, "মচলা উম্মা।" আগতে কোনো দিন এই নাম শুনা নাই। Test কৰাই যাওক বুলি ফ্ৰুৰ মই শৈত্যেন গলো। খাই খুব বেয়া নালাগিল। কিন্তু নাৰিকলৰ তেলেৰে বনোৱা বাবে এটা গোন্ধ পাই। ইয়াতেই প্ৰথম ইদলিওঁ খাওঁ। হোটেলৰ পৰা আহি গম পাওঁ যে মুখ্যমন্ত্ৰীয়ে গাড়ী পঠাব। আমি কোনোৱে ভবাই নাছিলো যে এজন শিক্ষকক এজন মুখ্য মন্ত্ৰীয়ে ইমান আগ্ৰহ দেখুৱাব। মই ভাবিছিলো এটা Guest House ঠিক কৰি দিব, ইযানেই। চাই থাকোতেই "পুল কাৰ" কেইখনমান আহিল, মাৰুতী, এম্বেচেদৰ আদি। আমি প্ৰত্যেকেই দুটা ভাগত ভাগ হৈ আহিলো। উৰি-

ষ্যাৰ জনতা দলৰ কাৰ্য্যালয়লৈ। ইয়াত আমাৰ থকাৰ বন্দবস্ত কৰি দিছে। আমাৰ লগত বিচনা আছেই গতিকে মজিয়াত পৰাৰ ব্যৱস্থা কৰিলো। চাৱৰ বাবে এটা অন্য কোঠা দিলে। তাত বিচনা, টেবুল, চেয়াৰ, ফোন আদিৰ ব্যৱস্থা আছিল। পানীৰ সুবন্দৱস্ত আছিল। তেতিয়া তাত কিন্‌কিনিয়া বৰষুণ আৰম্ভ হৈছিল। আমি গা-ধুই ললো। তাৰ অলপ পাছতে গছৰ পাতত বান্ধি হালুৱা আনি দিলে। খাই ভাল লাগিল। কিন্তু কি বস্তুৰ গম নাপালো। ফাৰুকে নাখাই বেলেগক দিছে। মই সুধি গম পালো যে "মচলা উপ্মা"ৰ গোন্ধে তাৰ ঘিণ ভাৱ আনি দিছে। বমি হব খোজে হেনো। তেতিয়াহে বুজিলো আমাক খাব কিয় ইমান জোৰ কৰিছিল। আমাৰ সহায়ৰ বাবে দিছে মুখ্যমন্ত্ৰীৰ এজন পিয়ন, নাম "নৰোত্তম নাইক", আমি "নৰোত্তম জী" বুলিয়েই মাতো আৰু মুখ্যমন্ত্ৰীৰ P. A. এজন উপাধী "ৰাওঁ"। দুপৰীয়াৰ ভাত তেওঁ-লোকেই খুৱালে। আমাক পইচা দিব নিদিলে। মুখ্যমন্ত্ৰীয়ে চাৱক ফোন কৰি আবেলিৰ চাহ তেওঁৰ বাস ভৱনত খাবৰ বাবে আমাক মাতি পঠালে। হোটেলত আমি ভাত খাব নোৱাৰিলো তাৰ ডালি, তৰ্কাৰী আমাৰ মনঃপুত নহয়। বহুতৰ খোৱা নহল, বহুতে দৈৰে অলপ খালে। ময়ো দৈৰে অলপ খালো।

ভাত খাই আমি খোজ কাঢ়ি মুখ্যমন্ত্ৰীৰ বাসভৱন অভিমুখে যাত্ৰা কৰিলো। আজি ৰবিবাৰ ভূৱনেশ্বৰ বন্ধ বুলি জানিলো। নহলে বজাৰ কৰাৰ ইচ্ছা অলপ আছিল। ৰাস্তাত যাওঁতে "নৰোত্তম জী"ক আমি কোন বুলি বহুতে সোধা শুনিলো। তেওঁৰ উত্তৰ, – "C.M. কা খাচ মেহমান"। আমাক তাত এই বুলিয়েই জনা হৈছিল। আমি যাওঁতে বাটত লক্ষ্য কৰিলো ভুৱনেশ্বৰৰ ৰাস্তা পথুলীবোৰ, নতুন আৰু বহল। ভূৱনেশ্বৰ উৰিষ্যাৰ নতুন ৰাজধানী। চহৰ খন নতুনকৈ বনাই আছে। গতিকে ধুনীয়া হৈছে। আমাৰ গুৱাহাটীৰ দৰে লেতেৰা নাপালো। মুখ্যমন্ত্ৰীৰ বাসভৱনটো তেওঁৰ নিজা ঘৰ। আমি তেওঁক লগ কৰিলো। তেওঁ বিশেষ কামত কৰবাত যাব ওলাইছে। গতিকে আমাৰ লগত চাহ খাব নাপালে। আমাক বেয়া পাব বাধা কৰিলে আৰু কলে যে অহাকালি ৮ অক্টোবৰ ৰাতি-পুৱা ভূৱনেশ্বৰ Site seeing আৰু পুৰী চাব যাব কলে। আমি যোৱাৰ বাবে উৰিষ্যাৰ পৰ্যটন বিভাগৰ বাচ এখন দিয়া বুলিও কয়ে। কৈছে তেওঁ যাব ওলাল। আমি ফটো উঠাৰ কথা কব সংকোচ কৰিছিলো। কিন্তু ধ্ৰুৱই আমাক ৰক্ষা কৰিলে। সি ইংৰাজীতেই কলে আমি তেওঁৰ লগত ফটো উঠিব বিচাৰিছো বুলি। তেওঁ হাঁহি হাঁহি আহি আমাৰ লগত ফটো উঠিল। যাবৰ সময়ত কলে যে সন্ধিয়া চাৱক তেওঁৰ বাসভৱনত যাবৰ বাবে। পিছত চাৱৰ পৰা গম পালো যে তেওঁ আমাক লগ পাই ভাল পাইছে আৰু চাহ খাব সময় নোপোৱাত দুখ কৰিছে। আমি তেওঁৰ ঘৰৰ পৰা আহি ওচৰ-পাজৰৰ ঠাইবোৰ খোজ কাঢ়ি ঘূৰিলো। আমি যত আছো সেয়া ৰাজধানীৰ মাজ। ইয়াৰ চাৰিওফাল মন্ত্ৰী, M.L.A ৰ বাসভৱন আৰু এফালে সংসদ ভৱন। অন্যান্য অফিচে মাজত আছে। আমি সন্ধিয়ালৈকে ঘূৰি ক্ৰমলৈ আহিলো।

ৰুমত আহি গম পালো ৰাতি আমাৰ কাৰণে ভাত বনাবৰ বাবে এজন মানুহ ঠিক কৰিছে। তাৰ মানে ৰাতিও Free। তেওঁ বোলে অসমত "ৰেল লাইন" বনোৱাত কাম কৰিছিল। গতিকে অসমীয়াৰ মুখত লগাকৈ ভাত বনাব পাৰিব। ৰাতি মাছৰ সৈতে ভাত খালো। চাৱে মাছ নাখালে ৰাক্ষস বোলে বুলি। কাৰণ কাতি মাহত মাছ মাংস তাৰ মানুহে নাখায়। তাতে চাৱ ব্ৰাহ্মণ। মানুহ জনে সচাই ভাল বনাইছিল। ভাত খোৱাৰ আগলৈকে "ৰাওঁ" আমাৰ লগত আছিল। নৰোত্তম জী ৰাতি ওচৰৰ ঘৰ এটাতে থাকিল। ৰাওঁৱে গৈ ফোন কৰিছিল। আমাৰ শোৱাত অসুবিধা হৈছে নেকি সুধি।

৮ অক্টোবৰত ৰাতিপুৱা ৫ বজাত চাৱে উঠাই দিলে। আমি গা-পা ধুই সাজু হৈছো। আজি Site seeing কৰিব যোৱাৰ কথা। চাৱে মোক আৰু মুনক মাতি নি সুধিলে গাড়ীৰ পইচা দিব লাগিবনে নাই। মই কলো,

নালাগে চাগে। "যদি লাগে" -- চাৰে কলে। আমি পেটে পেটে ভয় খাইছো। কাৰণ এই দীঘলীয়া যাত্ৰাৰ পইচাতো বহুত হব। তেতিয়া আমাৰ পইচা কমি যাব। ৭ বজাত গাড়ী আহিল। ধুনীয়া গাড়ী Video coach। মই নৰোত্তম জীক টকা কিমান লাগিব সুধিয়েই দিলো। যেতিয়া নালাগে বুলি কলে চাৰক কলোগৈ। চাৰে হাঁহি হাঁহি কলে--"দেখিছ মোৰ ফিল।" আমিও কথাটো আলোচনা কৰিছিলো। গাড়ী ষ্টাট দিলে, আমাৰ লগত নৰোত্তম জী ওলাল। গাড়ীৰ মাইকত গানৰ সলনি এটা কণ্ঠস্বৰ বাজি উঠিল। তেওঁ আমাক সম্ভাষণ জনালে আৰু তেওঁৰ পৰিচয় দিলে। তেওঁৰ নাম নৰেন্দৰ আৰু তেওঁ আমাৰ "গাইড"। তেওঁ বৰ্ণনা দিব ধৰিলে – ভুৱনেশ্বৰৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু বুৰঞ্জী প্ৰসিদ্ধ ঠাই সমূহৰ। তেওঁ আমাক খণ্ডগিৰি আৰু উদয়গিৰি পাহাৰ দুখন গাড়ীৰ পৰাই দেখুৱালে আৰু আমি তালৈকে যাম বুলি কলে। অলপ পাছতে এটা ভাজ ঘূৰি আমি সেই ঠাই পালো। নামিয়েই দেখিলো বহুত বান্দৰ। বৰ ধুনীয়া দেখিবলৈ। আমাৰ ইয়াত দেখা নাই। বাদাম দিলে ওচৰলৈ আহে। তাৰ পাছত আমি "হাথী গুম্ফা" চাওঁ। ই অতি প্ৰাচীন শিলত কটা গুহা। ইয়াত বহুতো কোঠা আছে। এইবোৰ বৌদ্ধ ভিক্ষুসকলৰ জিৱনীৰ কাৰণে বনোৱা। ইয়াত এখন শিলালিপি আছে। যত কলিংগ ৰাজ "শৰভেলৰ" ৰাজত্ব কালৰ বিষয়ে লিখা থকা বুলি জানিব পাৰিলো। "হামীগুম্ফা" চোৱাৰ পাছত "লিংগৰাজ" মন্দিৰলৈ যাম বুলি গাইড জনে কলে। বাটত গাইড জনৰ পৰা জানিব পাৰিলো যে ভুৱনেশ্বৰত প্ৰায় ৫০০ শ সৰু ডাঙৰ মন্দিৰ আছে। সেয়ে ইয়াক temple city বোলে। আমি "লিংগৰাজ" মন্দিৰ পোৱাৰ আগতে গাইড জনে ইয়াৰ বৰ্ণনা দিলে এই দৰে, এই মন্দিৰটো খৃ: ১১ শ শতিকাত কেশৰী বংশৰ যমুহেনন্দু কেশৰীয়ে নিৰ্মান কৰাইছিল। ইয়াত শিৱৰ পূজা কৰা হয়। বাহিৰত জোতা, চেন্দেল থৈ মন্দিৰত সোমালো। পূজা দিবৰ বাবে এজন পাণ্ডা ললো। গোটেই বোৰৰ মাজত। ভিতৰলৈ যোৱাত আচৰিত হলো কাৰণ তাতে থকা প্ৰত্যেকজন পূজাৰীয়ে নাম সোধে আৰু মন্ত্ৰ মাতে আৰু পাচ টকা খোজে। বহুতে দিলেওঁ। মই নিদিলো। তেতিয়া মোৰ ওপৰত খং তেওঁলোকৰ। তেতিয়া আমাৰ পাণ্ডা জনে ধমকি দিয়াত মনে মনে থাকিল। মন্দিৰত পূজা কৰি উঠি প্ৰসাদ লৈ আহি গাড়ীত উঠিলো। এইবাৰ আমি পুৰী অভিমুখে যাত্ৰা কৰিলো। সময় কম বাবে বহুতো মন্দিৰ আতৰৰ পৰাই চাব লগা হল। সেই-বোৰৰ ভিতৰত ভুৱনেশ্বৰৰ ধৱলগিৰিৰ বৌদ্ধ মন্দিৰ, পুৰীৰ সাক্ষীগোপাল মন্দিৰ, গুণ্ডিচা ঘৰ, শংকৰাচাৰ্য্য মন্দিৰ, লোক-নাথ মন্দিৰ। এই সকলোবোৰ ওচৰৰ পৰা চাব লাগিলে আমাৰ পাছদিন যান লাগিল হেতেন।

আমি গৈ যেতিয়া পুৰী পালো তেতিয়া প্ৰায় ১২ বাজিছে। পুৰী এখন সৰু নগৰ। জগন্নাথ মন্দিৰক লৈ এই ঠাইখনত বেপাৰ বানিজ্যই গঢ় লৈ উঠিছে। ইয়াত বেমাৰী ভিক্ষাৰীৰ সংখ্যা বেছি। সকলোৱে জগন্নাথৰ কৃপা লাভ কৰিব আহিছে। আমি নামি যাওতে এজন পাণ্ডাই আমাক হিন্দীতে কৰ পৰা আহিছো সুধিলে। যেতিয়া অসমৰ বুলি গম পালে তেতিয়া তেওঁ আমাৰ লগত অসমীয়াত কথা কব ধৰিলে। তেওঁ জনালে যে তেওঁ অসমৰ মানুহৰে পাণ্ডা। তেওঁ আমাক টিকট লৈ ভিতৰলৈ লৈ গল। আমাৰ কেমেৰাবোৰ নিব নিদি ৰাখি থলে। আমাক যিজনে বাটৰ পৰা লৈ গৈছিল তেওঁ সহকাৰীহে। মূল জনক ভিতৰত পালো। তেওঁ মংগলদৈৰ ওচৰৰ জলজলি, চপাই আদি ঠাইত থাকি যোৱা বুলি কলে। পাণ্ডা জনৰ পুতেক দুজনেও শুদ্ধ অসমীয়া কব জানে। প্ৰথমতে তেওঁলোকৰ ঘৰ দেখুৱালে। এই পাণ্ডাজনৰ ডাঙৰ ঘৰ আছে। সেইবোৰত মানুহ থাকিব দিয়ে। টকা নোখোজো। কিন্তু থকা বিলাকে মাননি হিচাবে কিছু টকা দি আহে। তেওঁ আমাক মন্দিৰৰ বাহিৰ খন দেখুৱাই প্ৰসাদ দিয়া ঘৰলৈ লৈ গল। ইয়াত বিভিন্ন দামৰ বিভিন্ন প্ৰসাদ আছে। আমি ৩২ টকা দামৰ শুকান প্ৰসাদ ললো। প্ৰসাদৰ কাম কৰি থাকোতেই সহকাৰী পাণ্ডা জনে মোক, ধ্ৰুৱক, বাবলুক আৰু জুৰেলক জগন্নাথ দৰ্শন কৰিবলৈ

মন্দিৰৰ ভিতৰলৈ লৈ গল। বাকীবোৰ ওচৰত নাছিল। ভিৰৰ মাজেদি বাট উলিয়াই তেওঁ আমাক ভিতৰ পোৱালে। তেওঁ জগন্নাথ, বলোভদ্ৰ আৰু সুভদ্ৰাৰ মূৰ্ত্তি চিনাকী কৰি দি সেৱা কৰিব দিলে। আমি সেৱা কৰিছো মাত্ৰ দুৱাৰ বন্ধ কৰি দিলে। ভক্ত সকলে উচ্চ স্বৰত নাম কীৰ্ত্তন কৰি আছে। তেওঁ সোধাত এটা কথা গম পালো যে মন্দিৰ কিছু সময়ৰ কাৰণেহে খোলা তাৰ পাছত আকৌ বন্ধ। গতিকে ভাগ্যবশত জগন্নাথ দৰ্শন আমাৰ হ'ল। মন্দিৰৰ পৰা প্ৰসাদ লৈ আমি বিদায় ললো। এই খিনিতে এটা কথা কোৱা ভাল এই মন্দিৰটো "চাচলে" বংশৰ গংগাদেৱ নামৰ ৰজা জনে নিৰ্মাণ কৰিছিল। "জগন্নাথ" মন্দিৰ আৰু 'লিংগৰাজ" মন্দিৰ দেখাত একেই গতিকে ইয়াক সমসাময়িক বুলি ভাবিব থল আছে।

গাড়ীত উঠাৰ পাছত গাইডজনে কলে যে আমি এতিয়া পুৰীৰ সমুদ্ৰ তৃত" লৈ যাম। তাত হোটেল আছে ভাত খাব পাৰিম আৰু সাগৰত গা ধুব পাৰিম। অলপ পাছতে আমাৰ গাড়ী সাগৰৰ পাৰে পাৰে চলিব ধৰিলে। এটা সময়ত গৈ হোটেলৰ সন্মুখত ৰ'ল। মই সেই প্ৰথম সাগৰ দেখিছো। গতিকে মোৰ মনত যিটো ভাৱ হৈছিল আজি মই ভাষাৰে বুজাব নোৱাৰিম। গাড়ীৰ পৰা নামিয়ে গৈ সাগৰৰ পানীত নামিলো। ঢৌয়ে গোটেই গা তিয়াই দিলে। তথাপি ফুৰ্ত্তি। সীমাহীন সাগৰে আকাশ চুই আছে। মই কল্পনা ৰাজ্যলৈ উৰি গৈছিলো। গা ধুব নিয়া হাফপেণ্ট গাড়ীতেই থাকিল। গা-ধোৱা কিন্তু নহল। প্ৰথম দিনৰ কথাটো সাগৰৰ ঢৌক ভয় খালো। Beach অত বহুতো ফটো উঠিলো। সচাই খুব ভাল লাগিছিল মোৰ। Beach ৰ পৰা আহি হোটেলত ভাত খালো। ইয়াতো নিৰামিষ। অৱশ্যে ভাল বনাইছিল। মোৰ প্ৰিয় দৈতো আছেই। ইয়াত অৱশ্যে আমি নিজে ভাতৰ পইচা দিলো। ভাত-পানী খাই আমি কোনাৰ্ক অভিমুখে যাত্ৰা কৰিলো। বাটত গাইডজনে কোনাৰ্ক "সূৰ্য্য মন্দিৰ"ৰ বিষয়ে থুল-মূল ভাৱে বাখ্যা দিলে।

এই কোনাৰ্কৰ "সূৰ্য্য মন্দিৰ" নামতহে মন্দিৰ ইয়াত পূজা পাতল নহয়। কাৰণ ইয়াৰ অতি দুখ লগা কাহিনী এটা আছে। এই মন্দিৰ নিৰ্মাণ কৰা মিস্ত্ৰীক তেওঁলোকৰ আত্মীয়স্বজনৰ লগত কোনো ধৰণৰ সম্পৰ্ক ৰাখিব দিয়া হোৱা নাছিল। এই মন্দিৰ নিৰ্মাণ কৰোতে ২১ বছৰ সময় লৈছিল ( 12-35-1256-AD )। এই ২১ বছৰ ধৰি তেওঁলোকে ঘৰৰ লগত কোনো সম্পৰ্ক ৰখা নাছিল। কিন্তু এদিনাখন এই মন্দিৰ নিৰ্মাণৰ দায়িত্বত থকা বৰ মিস্ত্ৰী "বিছু মহাৰাজ"ৰ পুত্ৰই দেউতাকক বিচাৰি তাত ওলাল গৈ। সেই সময়ত মন্দিৰৰ প্ৰায় কাম শেষ হৈছিল। মাত্ৰ মন্দিৰৰ ওপৰৰ কলচিটো পৰা নাছিল। তেতিয়া বৰ মিস্ত্ৰীৰ পুত্ৰই লগাব দেউতাকৰ অনুমতি লৈ কলচিটো মন্দিৰৰ মূধচত স্থাপন কৰিলে। কিন্তু নামি আহোতে পিছলি পৰি তেওঁৰ মৃত্যু হয়। সেয়ে তাত পূজা পাতল নহয়। ই অপবিত্ৰ। পিছত ৰজাই মিস্ত্ৰীবোৰকো হত্যা কৰিছিল। মন্দিৰটোৰ সৌন্দৰ্য্য সচাই মোহনীয়। মন্দিৰৰ প্ৰবেশ দ্বাৰত ওপৰা-ওপৰিকৈ মানুহ, হাতী, সিংহৰ মূৰ্ত্তি আছে। এইটো জৈন, বুদ্ধ আৰু হিন্দু ধৰ্মৰ প্ৰতীক বুলি গাইডজনে কলে। ইয়াৰ পাছতে নৃত্য শালা। তাৰ পাছত মূল মন্দিৰ। মূল মন্দিৰটো সূৰ্য্য দেৱতাৰ ৰথৰ চক্ৰবৰ ওপৰত যেন লাগে। কাৰণ দুফালে ৰথ চক্ৰ আছে। এই চক্ৰবোৰত চাই আগতে সময় গননা কৰিব পাৰিছিল বোলে। মন্দিৰটো বাহিৰ ভাগৰ বেৰ নানা ধৰণৰ শিলত কটা চিত্ৰ আছে। ইয়াত প্ৰত্যেক বয়সৰ মানুহৰ মনোৰঞ্জন কৰিব পৰা চিত্ৰ আছে। ইয়াত এটা সূৰ্য্য দেৱতাৰ ঘোৰাত উঠি থকা ধুনীয়া মূৰ্ত্তি আছে। এই চিত্ৰবোৰ চাই ভাব হয় আমাৰ বৰ্ত্তমান সভ্যতা উন্নত নে সেই সভ্যতা উন্নত আছিল। বৃটিছ জাহাজৰ পৰা মৰা কামানৰ গুলি লাগি সূৰ্য্য দেৱতাৰ হাত দুখনৰ লগতে মন্দিৰটোৰো বহুতো ক্ষতি হয়। এই মন্দিৰৰ উত্তৰ দিশত দুটা হাতীৰ মূৰ্ত্তি আৰু দক্ষিণ দিশত এটা ঘোৰাৰ শিলত কটা মূৰ্ত্তি আছে। এই খিনিতে এটা কথা কোৱা ভাল হব। এই মন্দিৰৰ মূল মন্দিৰৰ ভিতৰত সোমাব দিয়া নহয়। দুৱাৰ বন্ধ। বৃটিছৰ

দিনৰ পৰাই। কাৰণটো কোনোৱে নাজানে। বহুতে বহুতো সন্দেহ কৰিছে। তাৰে এটা হ'ল, "হয়তো মন্দিৰটো ভাঙি পৰিব পাৰে" বুলি। এই মন্দিৰ এৰি আহিব মন যোৱা নাছিল। কিন্তু বাধ্য। ভাব হৈছিল অসমতনো নাই কি? মাত্ৰ সংৰক্ষণৰ অভাৱ। চৰকাৰী প্ৰচেষ্টা পুতৌ লগা। ইয়াতেই সেই দিনালৈ আমাৰ ভ্ৰমণৰ সামৰণি মাৰি ভুৱনেশ্বৰলৈ যাত্ৰা কৰিলো। বাটত আমাৰ ভ্ৰমণটো কেনে লাগিল কবলৈ গাইডজনে অনুৰোধ জনালে। চাৰে কলে। ছাত্ৰৰ মাজৰ পৰা মই কলো। মোক অসমীয়াত লাহে লাহে কব দিলে। কাৰণ মই তেওঁক উৰিয়া ভাষাত লাহে লাহে কব দিছিলো আৰু কথাবোৰ বুজি পোৱা বুলি কৈছিলো। কাৰণ এই দুটা ভাষা চেষ্টা কৰিলে বুজিব পাৰি। তাৰ পাছত ৰাস্তাত Bore নহবৰ বাবে Video অত হিন্দী চিনেমা এখন দেখুৱালে নাম "ধৰমবীৰ"। ৰাতি প্ৰায় ন মান বজাত আমাৰ থকা ঠাই পালো। পিছদিনা মাদ্ৰাজত যাম। ভাত হৈয়ে আছিল। ভাত পানী খাই ৰাতি ষ্টেচনত কটোৰাৰ ঠিক কৰিলো। P.A. ৰাওৱে বাধা দিছিল। Train পিছদিনা ৰাতিপুৱা ৫ বজাত থকা বাবে তেওঁৰ কথা ৰখা নহল। কাৰণ তেওঁলোকক ইমান পুৱাই কষ্ট দিব বেয়া লাগিল। আকৌ "পুলকাৰ"ত ষ্টেচনত গলো। ৰাতি ষ্টেচনত থাকি ৯ অক্টোবৰ পুৱা মাদ্ৰাজ অভিমুখী Train অত উঠিলো। আমাৰ বাবে এটা ডবা হাওৱাৰ পৰা তলা লগাই অনাইছে C.M. এ। আমাক বিদায় দিব আহে ৰাও আৰু অন্য এজন মানুহ। তেওঁলোকে আমাৰ লগত দুজন গাৰ্ড দিয়ে, উৰিষ্যাৰ সীমালৈ। এনেকৈয়ে ভুৱনেশ্বৰত এপইচাও খৰচ নকৰাকৈ দুদিন কটালো। আহোতে উৰিষ্যাৰ প্ৰাকৃতিক সৌন্দৰ্য্য, বুৰঞ্জী গৰকা ঠাইবোৰ আৰু মুখ্য মন্ত্ৰী বিজু পাটনায়কৰ আতিথ্যতৰ কথা বৰকৈ মনত পৰি আছিল আৰু আজিও মনত পৰে।

# আমি কি জানো কি নাজানো

সংগ্ৰাহক—শ্ৰীযামিনী চৌধুৰী
স্নাতক ৩য় বাৰ্ষিক (কলা)

প্ৰশ্ন :—

১। বিশ্ব বিখ্যাত ফুটবল খেলুৱৈ আৰ্জেণ্টিনাৰ ডিয়াগো মাৰাডোনাৰ সম্পূৰ্ণ নাম আৰু উপনাম কি ?

২। পৃথিৱীৰ কোন দুজন কবি অন্ধ আছিল ?

৩। কোন জন বিখ্যাত লেখকৰ ছদ্মনাম কুইজ আছিল ?

৪। স্বাধীনতাৰ পিছত অসমৰ প্ৰথম গৰাকী ৰাজ্যপালৰ নাম কি আছিল ?

৫। বৰ্ত্তমান বিশ্বৰ মাৰাত্মক A. I. D. S. ৰোগৰ সম্পূৰ্ণ নাম কি ?

৬। বিশ্বৰ বৃহত্তম বিমান বন্দৰটো ক'ত অৱস্থিত ?

৭। পৃথিৱীৰ সাতবিধ আচৰিত বস্তুৰ ভিতৰত উল্লেখযোগ্য তাজমহলৰ উচ্চতা কিমান ?

৮। ভাৰতৰ জাতীয় খেল কি ?

৯। প্ৰথম অসমীয়া মহিলা লেখিকা কোন ?

১০। ভাৰতৰ প্ৰথম টেষ্টটিউৱ শিশুটোৰ জন্ম কেতিয়া আৰু শিশুটোৰ নাম কি ?

১১। পৃথিৱীৰ কোনখন দেশক বগাহাটীৰ দেশ বুলি কোৱা হয় ?

১২। ১৯৯৬ চনৰ অলিম্পিক খেল ক'ত অনুষ্ঠিত হব ?

১৩। ভাৰতৰ কোনজন ৰাষ্ট্ৰপতি বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্ব্বাচিত হৈছিল ?

উত্তৰ সমূহ :—

১। সম্পূৰ্ণ নাম—ডিয়াগো আৰ্মাণ্ডো মাৰাডোনা আৰু উপনাম—লিটিল পেলে।

২। গ্ৰীচৰ হোমাৰ আৰু ইংলণ্ডৰ মিল্টন।

৩। চাৰ্লচ ডিকেন্স।

৪। স্বৰ্গীয় চাৰ চালেহ মহম্মদ আকবৰ হাইদাৰী।

৫। Acquired Immune Deficiency syndrome.

৬। ছৌদি আৰবৰ ৰাজধানী নগৰ ৰিয়াধৰ ওচৰত থকা কিং খালিদ ইনটাৰনেচনেল এয়াৰপৰ্ট। ইয়াৰ মুঠ মাটিকালি প্ৰায় ২২১ কিলোমিটাৰ।

৭। ১৭৮ ফুট।

৮। কাবাডী।

৯। পদ্মাৱতী দেৱী ফুকননী।

১০। ১৯৭৮ চনত ৩ অক্টোবৰ তাৰিখে।
দুৰ্গা আগৰৱালা।

১১। থাইলেণ্ড।

১২। আমেৰিকাৰ আটলাণ্টা চহৰত।

১৩। নীলম সঞ্জীৱ ৰেড্ডি। (৬ষ্ঠ)

# কবিতা

## কবিতাৰ কৰণী ঃ

১। পৃথিৱী আৰু প্ৰযুক্তি ঃ — কুমাৰী মৌচুমী চহৰীয়া
২। স্মৃতিত ঃ — মিচ্ জ্যোতিমা শইকীয়া
৩। দুঃসময় ঃ — কুন্তলিকা শৰ্মা
৪। কোলাহল ঃ — শ্ৰীনিৰ্মল চন্দ্ৰ কলিতা
৫। এটি নতুন অনুৰাগ ঃ — কুমাৰী অৰ্পনা ঠাকুৰীয়া
৬। মই পৰিত্যক্ত বন্দী কবি ঃ — শ্ৰীঅৱনী মোহন শৰ্মা
৭। এটা মিঠা প্ৰতিশ্ৰুতি ঃ — শ্ৰীবিকাশ চৌধুৰী
৮। এটা প্ৰেমৰ কবিতা ঃ — শ্ৰীদীনেশ ডেকা
৯। বিগলিত কণ্ঠ ঃ — শ্ৰীনাৰায়ণ চন্দ্ৰ শৰ্মা
১০। মৰিচিকা ঃ — শ্ৰীসতীশ চহৰীয়া
১১। সূৰ্য্য সম হোৱা ঃ — শ্ৰীজয়ন্ত গোস্বামী
১২। বিভংস ঃ — মহাদেৱ নাথ
১৩। মৰিচিকা ঃ — মালা ডেকা
১৪। বনলতা ঃ — চিকন চন্দ্ৰ বৰুৱা
১৫। সময় ঃ — শ্ৰীকৰুণা কান্ত শৰ্মা
১৬। মাতৃ ঃ — শ্ৰীপ্ৰনন্দ চন্দ্ৰ কলিতা
১৭। আলোড়ন ঃ — শ্ৰীনিৰুপমা ডেকা (মইনা)
১৮। বহাগ ঃ — দীপিকা শৰ্মা
১৯। প্ৰতীক্ষা ঃ — শ্ৰীডিম্বেশ্বৰ বৰুৱা

# পৃথিৱী আৰু প্ৰযুক্তি

—কুমাৰী মৌচুমী চহৰীয়া
স্নাতক ২য় বাৰ্ষিক ( কলা )


সময়ৰ উদং বুকুত—
আঘাত হানে আজি
মানুহৰ প্ৰজ্ঞাই !
দেশে দেশে মাথোঁ আয়োজন ....
হিংসাৰ ।


বিজ্ঞানৰ হাতত ধৰ্ষিতা পৃথিৱীক
শান্তনা দিব কোনে ?

বাতৰি কাকতত একেই শিৰোনামা,
'ভয়ানক অট্টহাস্য প্ৰযুক্তিৰ—
সকলোতে অস্ত্ৰৰ ঝংকাৰ'।
কবিৰ অংকিত পৰিণতি
কাকতৰ চুকত অৱহেলিত ....

মাতাল সময়ে
পুনৰ পুনৰ সৃষ্টি কৰিছে
একোখনকৈ লক্ষীপথাৰ .....
অভিশপ্ত,
শৰবিদ্ধ,
ৰক্তাক্ত !!— ●








# স্মৃতিত

মিচ্ জ্যোতিমা শইকীয়া
উচ্চতৰ মাধ্যমিক কলা শাখা
দ্বিতীয় বাৰ্ষিক

তাইৰ চুলিবোৰ আউলী বাউলী
হৈ আছিল
হয়তো তাইৰ জীৱনলৈ
বিৰাট ধুমুহা আহিছিল ॥
তৰাৰ ক্ষীণ পোহৰত
মই দেখিছিলো
হাত দুখন,
শিকলিৰে বন্ধা আছিল ।
তাই কান্দিছিল
মই হাতত জুইশিখা
তুলি লৈছিলো, কিয় ?
নেজানো !
তাইৰ চিঞৰ শুনিছিলো
ক্ৰমান্বয়ে ক্ষীণ হৈছিল
চিঞৰবোৰ । ●






# কোলাহল

শ্ৰীনিৰ্মল চন্দ্ৰ কলিতা
স্নাতক ৩য় বাৰ্ষিক (কলা)
মঙ্গলদৈ মহাবিদ্যালয় ।

কোলাহল
শিয়াল, কাউৰী, কুকুৰৰ
আস্ফালন
অনাটন সৰ্ব্বহাৰাৰ
টনাটনি
তেজপিয়া শোষকৰ
প্ৰতিযোগিতা
দেশপ্ৰেমিক ৰাজনীতিজ্ঞৰ
অগ্ৰগতি
বিজ্ঞান, আগ্নেয়াস্ত্ৰৰ
আন্দোলন—
নিৰপৰাধী মুক্তিকামী
জাতীয় বীৰৰ
ধুৰলী কুঁৰলী
গুলি, বাৰুদ, বিস্ফোৰকৰ
হাঁহি-ধেমালি
মন্ত্ৰণা দাতা শকুনিৰ
আতংক
সৰ্ব্বহাৰা নিৰীহৰ ●



# দুঃ সময়

কুন্তলিকা শৰ্মা
স্নাতক ( কলা ) ২য় বাৰ্ষিক

সময়বোৰ কালৰ বোকোচাত উঠি
গৈ আছে অবিৰাম,
অসীমত সীমা বিচাৰি ০০০০

দুঃখবোৰ এতিয়া মোৰ লগৰীয়া
ফাগুনৰ বতাহ চাতিৰ দৰে
সি মোক সাৱটি ধৰে...... ।

নিশ্চিত কাৰোবাৰ খোজৰ শব্দত
ভূ কম্পিত হয়,
বতাহে কাণে কাণে কয়,
বচোৱাঁ বঃচোৱাঁ বচোৱাঁ।০০০০০
প্ৰাণহীন বুকু ভেদি,
বৈ যায় শোনিত নিজৰা,

দুঃখবোৰেই এতিয়া মোৰ লগৰীয়া।

প্লাৱনধাৰাৰ মাজত মৰি মৰি
জীয়াই থাকিবলৈ দিয়া ●




# 'এটি নতুন অনুৰাগ'

—কুমাৰী অৰ্পনা ঠাকুৰীয়া
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

ফাগুণ আহিলেই হেনো
পলাশ ফুলে......
পিছে পলাশ ফুলে
বনত নে মনত ?

সেই যে জোনাকত.......
গান গোৱা,
আৰু দিন নাই।
পিছে জোনাক বোৰো
আৰু আজি নাই......
জোনাকৰ সলনি
তেজ ৰঙা আকাশ।
শৰতৰ সন্ধিয়াৰ আকাশতো
তৰাফুল নাই.....
তৰাফুলৰ সলনি
এটুকুৰা ক'লা ডাৱৰ। ●





# মই পৰিত্যক্ত বন্দী কবি

শ্ৰীঅৱনী মোহন শৰ্মা
স্নাতক ১ম বাৰ্ষিক কলা শাখা

কোনো এক অচিন দেশৰ
মই পৰিত্যক্ত বন্দী কবি।
সাগৰৰ পাৰৰ ঢৌ বোৰ চাই থকা
মই ভোকাতুৰ কবি,
এই জগতৰ।
দেহ মোৰ থৰক বৰক,
মৃত্যুৰ ক্ষণ গণি ৰৈ আছোঁ
আগন্তুক দিনবোৰলৈ চাই।
মুখাপিন্ধা ভদ্ৰলোক,
জনতাৰ সেৱক সকলৰ আস্ফালনত,
মোৰ অলীক কল্পনাৰ আঁত হেৰাই যায়
আকাশেৰে উৰি যোৱা চৰাইবোৰ চাই চাই,
মোৰো ডেউকা মাৰি মাৰি
উৰি যাবৰ মন যায়
কোনো এক অজান দেশলৈ।
যেতিয়া সিহঁতে বিকৃত স্বৰেৰে
খিল্‌খিলাই হাঁহে,
মোৰ চকুযুৰি সেতাঁ পৰি যায়,
বিষাদত স্তব্ধ হয় মোৰ হৃদয়,
ভাব হয় মই যেন অভিশপ্ত। ●



# এটা মিঠা প্ৰতিশ্ৰুতি

শ্ৰীবিকাশ চৌধুৰী
স্নাতক ১ম বাৰ্ষিক ( বিজ্ঞান শাখা )


দিছিলা এদিন
এখনি বগা খামৰ চিঠি
হয়তো তাত আছিল
ব্যাকুল মনৰ
অব্যক্ত ৰাগিনী।
ভাল পোৱাৰ প্ৰতিশ্ৰুতি—
অ, এটা মিঠা প্ৰতিশ্ৰুতি।
চিঠিৰ মাজত পালো—
এটা তেজ ৰঙা কাঁইটীয়া গোলাপৰ কলি,
হয়তো এয়াও এক প্ৰতিশ্ৰুতি ;
যুঁজ দিয়া সংঘাতৰ সতে।
আলফুলে থৈ দিলো
মোৰ দায়েৰীৰ পাতত,
কিন্তু—
হায়! শুকায় লেৰেলি গ'ল
বহীৰ মাজত,
ৰঙীণ পাহি বোৰো নোহোৱা হ'ল
নাথাকিল কোনো চিনচাব
এয়াই জানো প্ৰতিশ্ৰুতি তোমাৰ ? ●





# এটা প্ৰেমৰ কবিতা

শ্ৰীদীনেশ ডেকা
স্নাতক তৃতীয় বৰ্ষ (কলা)



বগুৱা বাই আহিলো তোমাৰ কাষলৈ
পানীৰ মাজেদি তোমাৰ মুখখন চুই চাবলৈ
নদীখনক কিন্তু কেতিয়াও কোৱা নাই
কাৰোবাৰ কেঁচা কলিজাক কাঢ়ি নিবলৈ
বাটৰ দুবৰিয়ে মোক দাবী কৰিলে মই কি কম ?
কোন হ্ৰদত বাৰু হৃদয়খন লুকুৱাই থম ?
ফাগুনী বা-ত গছৰ পাত সৰে, গছ নমৰে
বৰদৈচিলাত কাৰোবাৰ হৃদয় সৰে, মৰম নমৰে
মৰিলেও মনত পৰে, মৰমক অমৰ কৰে হৃদয়ে
হৃদয় দিয়া-নিয়া বৰ টান কিন্তু একেবাৰে সহজ কথা
যিদৰে পুৱাৰ ৰ'দালিয়েই দেখুৱাই দিয়ে দিনটোৰ লেঠা
তোমাৰ পৰা মৌলৈ যিমান দূৰ বাট
বগুৱা বাই আহিলে তাৰ অ'াট নেহেৰায়
মই কিবিয়া কাঢ়ি কাকো কোৱা নাই
হৃদয়খন কোনখন হৃদত লুকুৱাই থলো
তোমাৰ কাষৰ পৰা উভতি আহি
আকৌ বুলাই চাম লাহি আঙুলিৰে
বিজুলী বাঁহেৰে তৈয়াৰী বাঁহী
চাই লম সেয়া বাৰু কাৰ ওঁঠৰ হাঁহি ...। ●

## বিগলিত কণ্ঠ

শ্রীনাৰায়ণ চন্দ্ৰ শৰ্ম্মা
স্নাতক দ্বি-বৰ্ষ (কলা)

মই যদি এটি গান গাওঁ
সৌ উচ্চ দালানবোৰ খহি পৰিব,
যদি মই অস্ত্ৰ লওঁ সিহঁতৰ শ্বাস ৰুদ্ধ হব।
যদি মই জনতাৰ বুকুত চেতনা জগাওঁ,
শোষণৰ জৰি ৰঘুমলাই কপৌৰ ভাও লব
আকাশত নতুন জ্যোতিষ্ক বিৰিঙিব ॥
শত শলিতাত
তোমাৰ বুকুৰ তেজৰ শ্ৰাদ্ধ তাতেই আছে ॥
বিৰিঙিব শোভা জননীৰ মুখত যেন
শৰতৰ মুক্ত আকাশৰক্ষী ধাননী পথাৰত।
তোমাৰ পুত্ৰই আজি সাৰ পাইছে, আই
তুমি বসন্তত গাধোৱা প্ৰকৃতি বোৱাৰী।
আজি নিজৰাই পানী দি, হৰিণীৰ তৃষ্ণা দূৰ কৰি
আৰু কবিৰ বুকুত নতুন বন্তি জ্বলাই,
আন্ধাৰ কৰিছে দূৰ। আই তুমি ধন্য।
এয়া বন্ধুই তোমাক দিব স্বাধীনতা
সি উদিত সূৰ্য্য হৈ ৰ'ব আৰু
নিজৰ নাম লৈ বিশ্ব দৰবাৰ কঁপাই তুলিব ॥

## আলোড়ন

শ্ৰীনিৰুপমা ডেকা (মইনা)
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

সেই ৰক্তাক্ত·········
জুই কুৰাৰ ফিৰিঙতিবোৰ
অ'ত ত'ত সিঁচৰিত হ'ল।
সৌৱা··········· ·· ······
ওচৰত থকা এইবাৰ নকৈ সজোৱা
বৰফৰ ঘৰটোৰ লগতে
বহু অতীতৰ নিঃশেষ হ'ল।




সময়ৰ নিষ্ঠুৰ আহ্বানত
এইবাৰো বানপানী আহিল
চঞ্চলতাৰ প্ৰবাহ মান গতিত,
উপঙি অহা "শ" বোৰ দেখি
সযতনাই থোৱা ইতিহাস বোৰৰ
এনেদৰেই সমাধি ঘটিল ॥



## মৰীচিকা

শ্ৰীসতীশ চহৰীয়া
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক
(কলা শাখা)

বাসনাৰ বলি হৈ
বিচাৰি ফুৰিছিলো
তোমাক
চিন্তাৰ চাকনৈয়াত।
তুমি দেখা দিছিলা
নিশাৰ প্ৰহৰি হৈ
চকৰিৰ দৰে উৰি উৰি।
তোমাৰ ৰং চঙীয়া
পাখী দুযোৰ দেখি
মৰমতে পমি গৈ
খেদি ফুৰিছিলো
কেৱল তোমাক ধৰিবলৈ।
কিন্তু, তুমি মোক
উপহাস কৰি
বিদ্ৰূপৰ হাঁহি মাৰি
ইদালে সিদালে পৰি
উৰি ফুৰিছিলা।
মোক ধৰা নিদিয়াকৈ;
(মোৰ) বুকুৰ পৰা ওলাই
আহিছিল বুকু ভঙা
এটি তপত হুমুনীয়াহ।



# সূৰ্য্য সম হোৱা

শ্ৰীজয়ন্ত গোস্বামী
স্নাতক ( কলা ) ১ম বাৰ্ষিক

আজি অসম কিয় অশান্ত
হোৱা নাই ক্ষান্ত
অসমীয়া,
আজি অসম কিয় শোষিত
নাই হোৱা মুক্ত
স্বাধীনচিতিয়া।
এইয়াই জানো গণতন্ত্ৰ ?
এইয়া নহয় গণতন্ত্ৰ
এয়া হ'ল সাম্ৰাজ্যবাদ
নাম তাৰ স্বৈৰতন্ত্ৰ।

সেয়ে জাগা
জাগা তুমি নবীন অসমীয়া
হোৱা তুমি বিপ্লবী ৰণুৱা

গোৱা তুমি মুকুতিৰ গান
সূৰ্য্য সম হোৱা প্ৰাণ
হোৱা তুমি স্বাধীন চিতিয়া ●



# বিভৎস


মহাদেৱ নাথ
উঃ মাঃ দ্বিতীয় বাৰ্ষিক
(বিজ্ঞান)

উদভ্ৰান্ত ক্ষণত বিভৎস
অশৰীৰী অট্টহাস্য
সেমেকি গ'ল
শীতৰ নিগূঢ় বাস্তৱতা।

কোনোবা গাভৰুৰ
হৃদয়ভৰা আলিংগনে
কোনো কলংকিতাৰ
নিৰ্লজ্জ কামকেলি।

কোন সেয়া ...... ?
ভগনিয়া নে নিগূঢ় বাস্তৱতা ?
হয় বাস্তৱতা
মানুহৰ মানসিকতা
পৰি ৰ'ল পৌৰসভাৰ
গভীৰ দাস্তবিনত।

গছকি গ'ল
ফটা কাগজৰ টুকুৰাৰ দৰে
এজাক উলংগ পুৰুষে ●



# মৰীচিকা •

মালা ডেকা
স্নাতক (কলা) ২য় বাৰ্ষিক

এতিয়া আমি কেৱল
ভৱিষ্যতৰ অপেক্ষাতেই ক্লান্ত।

কিয়নো বৰ্তমান বোৰ
পাৰহৈ গ'ল
দূৰ দিগন্তৰ অতীতলৈ,

আৰু ভৱিষ্যত বোৰ
হৈ পৰিল মাথোঁ
আজিৰ বৰ্তমান।

কেৱল মাথোঁ
পৃথিৱী খনিহে
থাকিল বৈ
অতীতৰ এক শিহৰণ লৈ
পুণৰ বৰ্তমানৰ বাবেই ●




## মাতৃ

শ্ৰীপ্ৰনন্দ চন্দ্ৰ কলিতা
মঙ্গলদৈ কলেজ
স্নাতক ১ম বাৰ্ষিক (কলা)

ভাল পাওঁ জন্ম-দাত্ৰীক
যতনে তুলিছে আমাক,
যত বাধা-বিঘিনি কৰিছে অতিক্ৰম
চেনেহৰ পুতলিক কৰিছে মৰম।
ৰূপ-গুণ হ'ব পাৰে নিঃকিন দাত্ৰী
তথাপি তেওঁ মোৰ মৰমৰ মাতৃ।

ভাল পাওঁ জন্ম-দাত্ৰীক
যতনে তুলিছে আমাক,
ক'ত পাম এনে মাতৃ বিশাল ম্ৰতত
জীৱন তেজিব পাৰে সন্তানৰ নামত,
মুকুখ হ'লেও, মাতৃৰ উদা মনৰ
জগত বাসী তেওঁৰ অতি হেপাহৰ।

ভাল পাওঁ জন্ম-দাত্ৰীক
যতনে তুলিছে আমাক,
নোৱাৰো সুজাব ধাৰ ইহজনমত
যতযাতনাত পৰি ভুগিছে আমাত,
সৰ্ব দোষ গুণ হৰি, লোৱা মোৰ ভকতি
জনমে জনমে কৰো তোমাক মিনতি ●





## ব'হাগ

দীপিকা শৰ্মা
স্নাতক ২য় বাৰ্ষিক
( কলা শাখা )

হৃদয়ৰ বাকৰিত পুহি ৰাখিছোঁ
এটি অদৃশ্য বাসনা
প্ৰতিটো ঋতু ব'হাগ হওক....

চকুৰ পতাত
সূৰুয মুখী আকাশৰ
স্বপ্ন দোলে

জোনাকত বহি কবিতা লিখোঁ
কপাহ-কোমল সেন্দুৰীয়া শব্দৰ সংবেদন
কলিজাৰ তপত উমেৰে
গঢ়ো কবিতাৰ ছন্দ

বতাহত হাচ্‌না হানাৰ তীব্ৰতা
মাথোঁ আস্বাদিত এটি ব'হাগ ●



## এটি গীত

ৰচনা : শ্ৰীচন্দ্ৰ প্ৰসাদ শইকীয়া
স্নাতক মহলা

বৰ্ষা ! তুমি আকৌ এবাৰ আহা
আকাশ চমকা বিজুলী শিখাৰে
আকৌ এবাৰ হাহাঁ॥

তুমি ধাৰাষাৰ বৃষ্টি ধাৰাৰে
ধৰা ওপচাই দিয়া ;

পাহাৰ ভৈয়াম নদী নিজৰাৰ
প্ৰাণ কৰা মতলীয়া,

সেউজ সানি তুমি
শুকান ঘাঁহনি
কৰি তোলা মনোমোহা॥

কাজল মেঘৰ আৰু লুকাই
লুকা ভাকু কিয় খেলা
বসন্তৰে শেষত কিয়
পাতা নতুন ৰঙৰ খেলা ●



# বনলতা

চিকন চন্দ্ৰ বৰুৱা
স্নাতক (কলা)

(১)

বনলতা এয়া তোমাৰ চকুত
কিহৰ জুই
মৰমৰ চাৱনি
নে জ্বলন্ত অগ্নিশিখাৰ
যি শিখাই নিঃশেষ কৰিব পাৰে
চঞ্চলা, চপলা, উতনা চগাক ।।


(২)

তুমি হৰিণৰ পোৱালি
দৃষ্টি তোমাৰ, মোৰ প্ৰেমৰ উৎস
যৌৱনৰ কোঁহে কোঁহে আঁত নিছিগা
এৰাঁ সূতাৰ দৰে বগাই গৈছে
মোৰ প্ৰেম বনলতা
তোমাৰ হৃদয় বিচাৰি ।।

(৩)

দেখা নাছিলোঁ কোনো কালত
সাগৰৰ দৰে গভীৰ তোমাৰ চাৱনী
অনুভৱো কৰা নাছিলোঁ
ইমান বহল হৃদয় যেন পৃথিৱী
তুমিয়ে বনলতা সেই অধিকাৰিণী
মোৰ অকম্পিত, বাস্তৱৰ বাণী ।। ●





# প্ৰতীক্ষা

শ্ৰীডিম্বেশ্বৰ বৰুৱা
অধ্যাপক, অসমীয়া বিভাগ

মোৰ বুকুৰেদি বৈ যোৱা
সোণোৱালী নদীখন হেৰাই গ'ল
বিস্মৃত সময়ৰ বুকুত ।

হৃদয়ত থুপ খাই ৰ'ল
এচমকা পোহৰ ।

ৰূঢ় বাস্তৱৰ কাৰাগাৰত
অবৰুদ্ধ হ'ল
মোৰ আত্মবিশ্বাস ।

জীৱন সন্ধিয়াৰ নীড়মুখী পখী ।
বিপন্ন ৰাতিপুৱাৰ
অবিৰাম প্ৰতীক্ষা । ●

# সময়

শ্ৰীকৰুণা কান্ত শৰ্ম্মা
স্নাতক ২য় বাৰ্ষিক
( কলা )

আৰু নিলিখোঁ
মধুৰ কবিতা
প্ৰাণ মোৰ কৰ্কশ হ'ল ।
এখন মাত্ৰ তৰোৱাল দিয়া
তাৰেই লিখোঁ বালিত, মাটিত
চিহ্ন ৰব যুগ যুগান্তৰলৈ
আৰু বহুতৰ দৰে
সেয়ে আৰু নিলিখোঁ
মধুৰ কবিতা
প্ৰাণ মোৰ কৰ্কশ হ'ল
কাব্যলংকাৰ হুল হ'ল,
চিন্তা মোৰ স্থবিৰ হ'ল,
দিনবোৰ নগ্ন হ'ল ।
চিন্তাই নাপায় স্থান,
বিদ্যাই নাপায় মান,
দেশ গুচি শ্মশান হ'ল,
সেয়ে আৰু নিলিখোঁ
মধুৰ কবিতা
হিয়া মোৰ কংকৰ হ'ল ।●



# আমি কি জানো কি নাজানো

শ্ৰীদিব্যজ্যোতি চহৰীয়া
স্নাতক মহলা কলা শাখা

প্ৰশ্ন ঃ—

১। পৃথিৱীৰ সৰ্ববৃহৎ ছপাশালটো কি?

২। জলবিদ্যুতৰ ব্যৱহাৰ পৃথিৱীৰ কোনখন দেশে পোন প্ৰথমে কৰে?

৩। "ওৱাৰ এণ্ড পিচ্" গ্ৰন্থখনিৰ লিখক কোন?

৪। পৃথিৱীৰ বৃহত্তম মন্দিৰটোৰ নাম কি?

৫। "হস্পিতাল" শব্দটো ক'ৰ পৰা লোৱা হৈছে?

৬। "ক্ৰাইম এণ্ড পানিচমেণ্ট" নামৰ কালজয়ী উপন্যাস খনিৰ লিখক কোন?

৭। অক্সিজেন গেছৰ আবিষ্কাৰক কোন?

৮। ১৯০৪ চনত গঠিত ফিফা ( F.I.F.A. )ৰ সম্পূৰ্ণ অৰ্থ কি?

৯। ইউৰেনাচ গ্ৰহৰ আবিষ্কাৰক কোন?

১০। জীৱনৰ প্ৰথমখন টেষ্ট মেচ খেলি শতক আৰু দ্বিশতক ৰান সংগ্ৰহ কৰা খেলুৱৈগৰাকী কোন?

১১। অসমলৈ অহা প্ৰথম জাহাজ কি?

১২। "Memory of the Second World War" নামৰ গ্ৰন্থখনিৰ লিখক কোন?

১৩। "Mani Camp" গ্ৰন্থখন কোনে লিখিছিল?

১৪। বিশ্বৰ বৃহত্তম বাতৰি প্ৰতিষ্ঠান "ৰয়টাৰ"ৰ প্ৰতিষ্ঠাপক কোন?

১৫। B. B. C. T. V. ত প্ৰচাৰিত প্ৰথম ভাৰতীয় ধাৰাবাহিকখন কি?

১৬। West Indies দলৰ প্ৰাক্তন অধিনায়ক ভিভিয়ান ৰিচাৰ্ডৰ সম্পূৰ্ণ নামটি কি আছিল?

১৭। এছিয়াৰ আটাইতকৈ পুৰণি ৰেল ষ্টেচনটোৰ নাম কি?

১৮। চীনৰ হাতলৈ যোৱা অৰুণাচলৰ উপত্যকাটোৰ নাম কি?

১৯। কুটুবমিনাৰ কোন চনত নিৰ্মাণ কৰা হৈছিল?

২০। কুষ্ঠৰোগৰ বীজাণু কোনে আবিষ্কাৰ কৰিছিল?

২১। নাজিসকলে কৰা অত্যাচাৰৰ হুবহু ৰূপ থকা ছবিখনৰ নাম কি?

**উত্তৰ সমূহ ঃ**

১। চিকাগ'ত অৱস্থিত আৰ. জ্যামিনি ছপাশাল।

২। আমেৰিকা যুক্তৰাষ্ট্ৰ।

৩। কাউন্ট লিউ টলষ্টয়।

৪। আঙ্কুৰ ৱাট।

৫। লেটিন ভাষাৰ 'হচ্‌পেছ' শব্দটিৰ পৰা ( হচ্‌পেছ—অতিথি )।

৬। ফিওদৰ লিওটভলেস্কি।

৭। জোচেফ পিৰ্চলে।

৮। **Faderation of the International Football Association.**

৯। ছাৰ উইলিয়াম হাৰ্চেল। ১৭৮১ চন।

১০। লবেঞ্চ ষ্টো ; ওৱেষ্ট ইণ্ডিজ।

১১। 'যমুনা' ; ১৮৪৭ চনৰ ১৩ আগষ্ট তাৰিখে আহিছিল।

১২। উইলিয়াম চাৰ্চিল।

১৩। এড্‌লফ হিটলাৰ।

১৪। পল জুলিয়াচ ৰয়টাৰ।

১৫। শ্ৰীকান্ত।

১৬। আইজাক আলেকজেন্দাৰ ভিভিয়ান বিচাৰ্ড।

১৭। বোম্বে চিটি।

১৮। চাঙদৰাং-চু।

১৯। ১১৯৪ চনত।

২০। হেনচেন বেচিলান।

২১। গেৰিলা।

## গল্প

**গল্পাঞ্জলি ঃ**


১। গল্প লিখাৰ গল্প : দীনেশ ডেকা ॥ ১ ॥

২। এটি মূল্যৱান বস্তু : পবিতা দেৱী ॥ ৫ ॥

৩। মোৰ মৃত্যুত : সীমান্ত কুসুম শৰ্মা ॥ ৮ ॥

৪। প্ৰতিশোধ : জয়া দেৱী ॥ ১৩ ॥

# গল্পাঞ্জলি





# গল্প লিখাৰ গল্প

শ্ৰীদীনেশ ডেকা
স্নাতক তৃতীয় বৰ্ষ ( কলা )

এয়া মোৰ বন্ধুমহল। সপ্তাহৰ সাতোটা দিনতেই যিকোনো এটা সময়ত লগ লাগো। দেশ-বিদেশৰ কথা পাতো ; বন্ধুৰ বুকুৰ বাতৰি লওঁ। কেতিয়াবা দুজনে, কেতিয়াবা তিনিজনে। আৰু কেতিয়াবা একেবাৰে সাঁত-আঠজনমান হয়গৈ। সংখ্যা বেছি হ'লে বন্ধুমহল জমি উঠে। জাকে-জাকে হাঁহিৰ খলকনি। তথাপি মোৰ দৰে কিজানি গোটেই কেইজনেই অনুভৱ কৰে যে বন্ধুমহলত তিনি চাৰিজনেই যথেষ্ঠ। তেতিয়া সকলো দিশেই সীমিত হৈ থাকে। যেনেকৈ আজি আমি চাৰিজনে হৃদয়ে হৃদয় দিয়া কথা পাতি আছো ; হাঁহিছো। যি মন যায় তাকে কৈছো! কলেজৰ চাৰ-বাইদেউহঁতক লৈ আলোচনা-সমালোচনা কৰিছো। এনে কিছুমান ব্যক্তিৰ কথা পাতিছো যাক আমি গোটেইকেইজনেই একেবাৰে পদানত জাতি হৈ অন্তৰেৰে প্ৰণিপাত জনাইছো। ইত্যাদি-ইত্যাদিৰ মাজতে কবি বন্ধু ভাৰতৰ দুই এটা কবিতা পাঠ। সমাজ সচেতক অতুলৰ সাম্প্ৰতিক পৰিস্থিতিক লৈ দিয়া বক্তৃতাৰ ফুলজাৰি। মাজতে আমাৰ মহলৰ স্থায়ী বন্ধু ধনেশ্বৰৰ উক্তি—

: আৰে ভাই দীনেশ, আমাৰ কবলগীয়া শেষ। এতিয়া আমি আপেক্ষিত কেৱল তোৰ এটা ভাল গল্প শুনাৰ আশাত!"

: "নহয় অ', তই যে কিতাপে পত্ৰই ইমানবোৰ গল্প লিখ তাৰ আচল বস্তু ক'ত পাৱ অ'? মানে কেতিয়া কেনেকৈ আৰু কি কাৰণত গল্পৰ পাতনি মেলা?"

—ধনেশ্বৰৰ গল্প শুনাৰ আগ্ৰহক বাধা দি অতুলৰ এই জিজ্ঞাসাৰ প্ৰশ্ন।

: "আঘাত বুইছা, আঘাত।" মই ক'লো—"মানসিক আঘাতৰ মাধুৰ্য্যতাত মোৰ গল্পৰ সৃষ্টি। আচলতেই সেই কথাটোকে মই তহঁতক কেইদিন মানৰ আগৰে পৰা কম কম বুলি ভাবি আছো—যাৰ মাজেদি তহঁতে শুনি যাবি মোৰ গল্পৰ পাতনিৰ পৰা শেষলৈকে।"

: "আৰে কোৱা ভাই-কোৱা। গল্পৰ মাজেদিয়েই এতিয়া জীৱনটোক নিঃশেষ কৰিবা--তেনে গল্পৰ মাজেদি তোমাৰ জীৱনৰ চিনাকী দিয়া। যাৰ মাজেদি সৰি পৰিব। জীৱন জোনাকৰ জোনালী হাঁহিৰ। সুবিমল মুকুতা০০০"—কবি নহয় অথচ কবিতা পঢ়ি ভাল পোৱা আমাৰ সকলোৰে বান্ধৈ চিত্ৰই বন্ধু মহলত প্ৰবেশ কৰিয়েই এইলানি আবেদনময় কবিতাৰ সংলাপ গাই দিলে। বন্ধু মহলৰ সংখ্যা পাঁচজন লৈ বৃদ্ধি পালে।

: আচলতে কি জানা?" মই ক'বলৈ ধৰিলো—"পৃথিৱীৰ গতিৰ দৰে আমাৰ জীৱনটোও গতিময়। হঠাৎ এই জীৱনৰ গতিত যতি পৰাৰ সম্ভাৱনা তেনেই নুই কৰিব নোৱাৰি। মাজে মাজে জীৱনৰ জটিলতাত ময়ো থমকি ৰওঁ। ৰ'ব লগীয়া হৈছে। আজি অ'ত; কালি ত'ত। প্ৰতিটো পৰীক্ষাৰ মাজতেই এবাৰ-দুবাৰ কৈ ড্ৰ'প দিও; দিব লগা হ'ল - এটা ভাল ৰিজাল্টৰ আশাত। কিন্তু মনে মনে মই নিজৰ সামৰ্থহীনতাকেই স্বীকাৰ কৰোঁ।

এই গল্প-উপন্যাস নখাত হাত নিদিয়া হ'লে এতিয়া কিজানি মই তইঁতৰ দৰে ল'ৰা-ছোৱালীক কলেজীয়া শিক্ষা দান কৰিব পাৰিলোহেঁতেন। যি হ'ক—এনে চিন্তা বা সম্পূৰ্ণ ব্যক্তিগত কাৰণত চহৰৰ মাজ-মজিয়াত মই বেগা-বেগীকৈ খোজ দিলো। আলোচনী কেইখনমান লৈ আবেলি যেনে-তেনে ঘৰ পাব লাগিব। সিফালে 'প্ৰকাশ' নামৰ আলোচনীখনে মোৰ এটা গল্পৰ কাৰণে মোক বাৰুকৈয়ে জুলুম কৰিব লাগিছে। বৰষুণ অহাৰো সম্ভাৱনা—যদিও ৰ'দেই দি আছে।

: "এই দীনেশ! অলপ ৰ'বানা! চিনি পাইছা?" প্ৰথমে সন্দেহ হৈছিল যদিও তাই মতাৰ পিছত মই দৃঢ় হ'লো। প্ৰাক্ মুহূৰ্ত্তত নিজৰ ধৃষ্টতা প্ৰকাশ পাব বুলিয়েই তাইক দেখাৰ লগে লগেই মই তাইৰ ফালে নোচোৱাকৈয়ে অনুমান কৰি গৈছিলো—কোন হ'ব পাৰে বাৰু? একদম চিনাকী মুখ!"

: "ইঃ ৰাম! ভুল হোৱা নাই যদি নিশ্চয় ধৰিব পাৰিছো। বাঃ আজি কিমান দিনৰ মূৰত এই দেখা-দেখি! বেচ শকত-আৱত, ওখ-পাখই হ'লা দেই!"

: "আৰু তুমি? একেবাৰে কেচুৱাটো হৈ আছা দিয়া! মই যে ইমান চাই থাকো তোমাক দেখা পাম, লগ পাম বুলি। জনপ্ৰিয় গল্পকাৰ হৈ গলাতো! য'তে ত'তে লগ নোপোৱা হৈ গ'লা। আজি কিন্তু তোমাৰ লগত বহুত কথা পাতিম। এদিন তুমি মোক দিয়া ভুকুটোৰ প্ৰত্যুত্তৰ দিবলৈ মই যে কিমান আগ্ৰহী!"

এইজনী, মনালিছা। মনালিছা দত্ত। অসীম দত্তৰ ছোৱালী। যোৱা পৰহিদিনা খনেই শুনিছিলো সিহঁত মানে তেওঁলোক আকৌ এই চহৰলৈ আহিছে। অসীম দত্ত প্ৰতিভাশালী পুলিচ ইন্সপেক্টৰ। আৰু মাক সীমা দত্তই নজনা কথা একো নাই; নপঢ়া কিতাপ আলোচনী খুব কমেই হে আছে। তেওঁলোকৰ আদৰৰ জীয়ৰী মনালিছা। ঘৰত মাতিছিল মীনা বুলি। ময়ো মাতিছিলো। কিয়নো তাই মোৰ শৈশৱৰ লগৰী। প্ৰাথমিক পৰ্য্যায়ত একেলগে পঢ়া-শুনা কৰিছিলো। স্কুললৈ আহোতে বেগত যি খোৱা বস্তু লৈ আহে তাৰ আধা ময়ো খাওঁ। মাকে তাইক প্ৰথমতে স্কুললৈ আগবঢ়াই থৈছিলহি। মোৰ লগত চিনাকী হোৱাৰ পিছত আমাৰ ঘৰত আহি তাইক মোৰ লগত যাবলৈ দিয়ে। তাৰ পিছতেই তাইৰ মাক-দেউতাকৰ বন্ধুত্ব মোৰ মা-দেউতাৰ লগত। গৰমৰ বন্ধত মীনাহঁতৰ ঘৰলৈ ফুৰিবলৈ গলে দুদিন মানৰ ঠাইত এসপ্তাহৰ মূৰত মাহঁতে আনিব গলেহে ঘৰলৈ আহোঁ। ঠিক সেইজনী মীনা যে—আজিৰ এই মনালিছা দত্ত! চিত্ৰশিল্পী; কবিতাৰ শিল্পী! আচলতে বিশ্বাস নহয়। কিন্তু এই ভুকুটো! সেই-টোটো মুঠেও নোহোৱা নহয়! হঠাৎ দেউতাকৰ চাকৰি বদলিকৰণ হয় উজনি অসমলৈ; ডিব্ৰুগড়লৈ। তাৰ ঠিক দুদিনমানৰ আগতে তাই মোক এপাহ সতেজ ফুল উপহাৰ দিছিল—:"আমি ইয়াৰ পৰা পৰহিলৈ যামগৈ নহয়! মই আৰু স্কুললৈ নাহো; তোমালোকৰ ঘৰলৈয়ো!" —কি কয় এইজনীয়ে! এই আকৌ এই আকৌ কলৈ যায়? মোৰ কিন্তু খং উঠি গ'ল—মাৰিলো এটা প্ৰচণ্ড ভুকু। তাই দুখ পাইছিল—আৰু মোৰ ওচৰৰ পৰা খং কৰি গুচি গ'ল। গ'ল-গলেই। একেবাৰে এইমুহূৰ্ত্তৰ আগলৈকে।

: "কিয় এই নীৰবতা? একেবাৰে নিবোকা চামোনটো হৈ ৰ'লা দেখোন!"

: নাই, নাই। তোমাৰ কথাকে ভাবিছো। কি জনী যে আছিলা! এতিয়া হ'লাগৈ এজনী জনপ্ৰিয় মনালিছা। জীৱনৰ হাঁহি আৰু আনন্দৰ অনুভূতিৰে বোৱাই দিছা কবিতা। তোমালৈ মোৰ ঈৰ্ষা লাগিছে। মই আচলতে সেই মীনাজনীকেই বিচাৰো, যাৰ মাজেদি বৈ পৰিব আমাৰ শৈশৱ; যৌৱনৰ প্ৰাক্মুহূৰ্ত্তবোৰ ..।"

: "বলা ৰেষ্টুৰাতেই বহোগৈ। এনেকৈ আৰু বাটৰ মাজত বাট কৰি নাথাকো।"—ৰেষ্টুৰাত বহি কাটলেট্, আমলেট যি আনিব দিলে খালো। চামুচৰ জন-জননিৰ মাজেৰে নীৰৱতাবোৰ ভঙ্গ হয়। তাৰ মাজতে দুখন মুখৰ আলাপবোৰ।

: "আচ্ছা মীনা, তোমাৰ কবিতাবোৰ বাৰু কিহৰ কাৰণে লিখা হয় ?

: "ধেৎ কবিতা লিখাৰ কিবা কাৰণ থাকিব পাৰে নেকি ? যেতিয়াই আবেগৰ ঢল বৈ পৰে তেতিয়াই বোৱাই দিও, বচ্ !"

: "নহয়, মানে এই আবেগটো তোমাৰ ক'ৰ পৰা আহে ?"

: আচলতে প্ৰথমতে মোৰ শৈশৱৰ গানবোৰ গোৱাৰ ইচ্ছা আছিল কবিতাৰে। পিচলৈ গৈ যিকোনো বিষয়ক লৈয়েই লিখিব পৰা হ'লো। তুমি বাৰু কেতিয়া আৰু কেনেকৈ গল্প লিখিব ললা ?

: 'বুইছা মীনা, অভিজ্ঞতা। এটা ভাল অভিজ্ঞতা, এটা ভাল গল্পৰ আহিলা। এই ধৰা আজি মই তোমাক লগ পালো—ইয়াক লৈয়েই মই এটা গল্প লিখিম। সচাঁ জীৱনৰ সচাঁ ফলশ্ৰুতিবোৰ সজাই দিও কলমেৰে। আৰু তেতিয়াই বিভিন্ন কাকত আলোচনীবোৰত উৰি ফুৰে মোৰ এই "হিয়াৰ পখিলাবোৰ"।

: "উৰক তোমাৰ হিয়াৰ পখিলা মখা ! মই তোমাক ইমানবাৰ মাতিলো আমাৰ ঘৰলৈ, তুমিতো নগলাই—চিঠিখনৰো উত্তৰ নিদিলা। বাঃ গল্পকাৰৰ এতিয়া কি গল্প লিখাৰ গল্প শুনিবা ! সচাঁ জীৱনৰ সচাঁ ফলশ্ৰুতি ; সচাঁ জীৱনৰ সম্পূৰ্ণ পদচ্যুতি হ'লেহে বেছি ভাল হ'লহেঁতেন !" এই মীনাজনী আকৌ কেতিয়াৰ পৰা ইমান আত্মীয়াভাবাপন্ন হ'ল ? বহুদিন লগ নোপোৱাৰ ফলশ্ৰুতিত নে শৈশৱৰ অৱনতিত এই আকোৰগোজ স্বভাৱৰ বশৱৰ্ত্তী ? তাই এতিয়া চিত্ৰ আঁকে কবিতাৰ ; সুৰৰ বাবে তৈয়াৰ কৰে গান। য'ত প্ৰস্ফুটিত হয় শৈশৱ আৰু কৈশোৰৰ বহুতো মান অভিমান ; বিৰহ আৰু বেদনাৰ মাধুৰ্য্য দান। মুখলৈ চালে ক্ষোভ আৰু আক্ষেপৰ দোপাল-টকা বান। কাৰ অন্তৰত কিহৰ হুংকাৰ কোনেও নাজানে। নাজানে মীনাই, নাজানে এই গল্পকাৰে ; নাজানে আমাৰ দৰে আনেও। মই নিজৰ বুকুখন খেপিয়াই চালো-নাই, ঠিকে আছে। মীনাক দেখোন অতি গহীন দেখা গ'ল। তাই বহুতো কথাই ক'লে। শৈশৱৰ কথা ; কৈশোৰৰ আধা দিনৰ কথা। তাইৰ কবিতা লিখা কলমটোৰ কথা। যিটো মই তাইৰ জন্মদিনত উপহাৰ দিছিলো। তাই লিখা বহুতো কবিতাই মোৰ নামত উপহাৰ দিছে। মই পঢ়িবলৈ পাইছো নে নাই সুধিছে। পঢ়াৰ নামত স্নাতকোত্তৰ ডিগ্ৰীটো লৈছে। হয়তো যিকোনো এটা লিটাৰেচাৰ চাৱজেক্টত। কথাবোৰ শুনি মোৰ জীৱনটোলৈ উভতি চালো। জীৱন-টোৰ কথা ভাবিলো ; নকলো। তাই বেয়া পাই যাব।

: "বুইছা দীনেশ, অহাকালি মোৰ জন্মদিন। বিশেষ আয়োজন নাই। তুমি যেনে তেনে আমাৰ ঘৰলৈ যাবা ! তোমাৰ বাবে মই মোৰ নিজা কোঠাতো (ড্ৰয়িং ৰুম ?) ধুনীয়াকৈ সজাই থম। দেউতা চাকৰিৰ সংক্ৰান্তত ৰাতিপুৱা ডিব্ৰুগড়লৈ যাব। পিছদিনাহে আহিব। মা ও অফিচৰ পৰা সন্ধিয়াহে আহি পাব। চি, এল, নাই বোলে ; অফিচলৈ যাবই লাগিব। গতিকে দিনৰ ভাগতে তুমি এপাক মাৰিবা। মোৰ যে ক'বলগীয়া বহুখিনি আছে ..... ।" মীনাজনী গ'লগৈ। যাওঁতে শাৰীখন আৰু চুলিবোৰ একেলগে উৰা দেখা পালো। ৰ'দ নিদিলে কিন্তু নুশুৱালেহেতেন !

ৰাতিপুৱা দহ বাজিলগৈ। ব্যস্ততাৰ মাজৰ পৰা নিজকে মুকলি কৰিব পৰা নাই। মীনাই মাতিছিল। নিশ্চয় যাব লাগিব। তাই নামাতিলেও গ'লহেতেন। আমনি পালেও আজি কিছুকথা তাইক কম ; তাইৰ জন্মদিনৰ চানেকী ৰূপে। মোৰ মনৰ মণিকোঠত তাইক আজিৰ পৰা আকৌ নতুনকৈ জন্ম দিম। যিটো জন্মৰ কথা তাই আৰু মোত বাদে কোনেও নাজানে। পিছলৈ জানিলে জানক। এজন জনপ্ৰিয় গল্পকাৰৰ বাবে সেয়া গৌৰৱ। আকাশলৈ চালো—দুই এচপৰা বগা ডাৱৰ। বৰষুণ নিদিয়ে। চহৰৰ মাজ-মজিয়াত নহলেওঁ চহৰৰ গা চুই থকা পুলিচ বিষয়া অসীম দত্তৰ ঘৰ পালোগৈ। মীনাজনী থকাৰ কাৰণে বোধহয় ফুলনিখন বেছি ধুনীয়া হৈছে। পূৰ্ণ বিকশিত বেলি ফুল এপাহ মোৰ সন্মুখতে সৰি পৰিল। ফুলটোই কিন্তু ফুলাৰ হাঁহিকেই মাৰি আছিল। বোধহয় অলপ

পিছতেই ই সজীবতা হেৰাব। লেৰেলি যাব! তথাপি বুটলিলো। একেবাৰে তাইৰ খোপাতেই গুজি দিমগৈ। ধেৎ! কিবোৰ যে ভাবিছো! বেলিফুলনো কোনোবাই খোপাত গুজেনে? কৰবী হ'লে কিন্তু বেছ্ শুৱালেহেতেন! ..... ঘৰৰ ভিতৰলৈ সোমাই গ'লো। ক'তা! ড্ৰয়িং ৰুমটো দেখোন তেনেই বিশৃংখল। টেবুল আৰু চেল্ফট কিছুমান অপৰিপাতি কিতাপৰ স্থায়ীত্ব। দেশী বিদেশী গল্প কবিতাৰ আলোচনী। মই মীনাক মাত দিলো। কাণ-সাৰ নাই। আগৰ অভিজ্ঞতা অনুসৰি---তাইৰ নিজস্ব কোঠাটো পালোগৈ। বা: কি সুন্দৰ! বেৰত আৰি থোৱা আছে মোৰ শৈশৱৰ ফটো এখন। আল্মাৰীত তাইৰ প্ৰিয় কিতাপবোৰৰ সংৰক্ষণ। আৰু মেজত কিছুমান কবিতাৰ দম। সেয়া তায়েই লিখা। কাষৰ ফালে মোৰ প্ৰকাশ পোৱা কেইখন মান গল্প পুথি। দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' কবিতা পুথিখন মেলা অৱস্থাত আছে। বোধহয় অলপ আগতে 'সাগৰ দেখিছা' কবিতাটো পাঠ কৰিছিল। আৰু এয়া তাই শুই আছে—হাতত এটা চোকা পইজনৰ বটল আৰু এটা কবিতাৰ আধৰুৱা যেন লগা পাণ্ডুলিপি লৈ। কবিতাটি এই :

"কবিতাৰ কদম কাইটীয়া
তুমি নুবুজিবা
জীৱনৰ জটিলতা জানিছা যদি
তাত ভৰি নিদিবা
মোৰ কবিতাবোৰ কেৱল তোমাৰ বাবে
তোমাৰ সুখৰ বাবে ....."

মই অনুমান কৰিছো— তাই অলপ আগতে শেষ নিশ্বাস ত্যাগ কৰিছে। কাৰণ তাই জ্বলোৱা ধূপডাল এয়া শেষ হওঁ হওঁ। আজিৰ পৰা এই ব্যৰ্থতাৰ কবি মিচ্ মনালিছা দত্তক আৰু কেতিয়াও লগ নেপাম। তাইৰ এই মৃত্যু (মৃত্যু নে আত্মহত্যা?) কিয় হ'ল মই এতিয়া জানো। মৃত্যুৰ আগতে কিন্তু নাজানিছিলো। এতিয়া কেৱল এটা স্থিৰ অনুমান কৰিছো। তাইৰ দেউতাক এজন ভাল পুলিচ বিষয়া। নিশ্চয় ইয়াৰ তদন্ত চলাব। তেওঁ এই বিষয়ত কৃতকাৰ্য্যতা লাভ কৰক।

এয়া তাইৰ কবৰৰ বেদীত এজন জনৈক গল্পকাৰ জন সমুদ্ৰৰ মাজতো অকলশৰীয়া হৈ ঠিয় হৈ আছো। তাইৰ জন্মদিনত উপহাৰ দিবৰ কাৰণে মই একো অনা নাই। কিন্তু তাইৰ কৱিতাৰ পাণ্ডুলিপিবোৰ মই প্ৰকাশ কৰি মোৰ অন্তৰত তাইক মহান কৰি ৰাখিম। এটা যীশুই মোক এই কামত নিশ্চয় সহায় কৰিব! তাইক জীয়াই ৰখাৰ প্ৰতিশ্ৰুতিত মই এইপাহ বেলিফুল আৰু এই গল্পটি তাইৰ নামত তাইৰ কবৰৰ বেদীত উছৰ্গা কৰিলো। কবৰ তলীৰ পৰা তাই এই গল্পটি পাঠ কৰিব আৰু নিশ্চয় বুজি পাব মোৰ গল্পৰ চিৰন্তণ, চিৰসেউজ ইতিহাস ...... ।

---

[ বি: দ্ৰ: ১৯৯২ ৰ কলেজ সপ্তাহৰ জমা দিয়া গল্প প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত। ]

গল্প

# ‘এটি মূল্যবান বস্তু’

শ্ৰীপৰিতা দেৱী
স্নাতক ২য় বাৰ্ষিক

ৰাতিপুৱা বিচনাৰ পৰা উঠিয়েই মনিকাৰ মনত পৰিল, আজি কলেজ সপ্তাহৰ শেষৰ দিন। ৰাতিপুৱা ১০ বজাৰ পৰা ভেশচন প্ৰতিযোগিতা আৰম্ভ হব। আৰু সন্ধিয়া ৫ বজাৰ পৰা বঁটাবিতৰণী সভা। গতিকে, আজি তাইক কোনে পায়। “বোলো এনেয়ে বুঢ়ী নাচনী তাতে নাতিনীয়েকৰ বিয়া”। ঘৰৰ কামখিনি খৰ খেদাকৈ কৰি নিৰ্দিষ্ট সময়ৰ আগতে মনিকা কলেজ পালেগৈ। ভেশচন প্ৰতিযোগিতাত এজন ল’ৰাই মাইকী মানুহৰ হৈ বৰ জমাইছে। সিহঁত এজনক ছোৱালী ল’গ হৈ হাঁহিৰ কোলাহলৰ মাজত কিন্তু এজনী ছোৱালী কিন্তু নীৰৱে বহি থকা দেখি মনিকাৰ হঠাং চকুত পৰিল। তাই স্তব্ধ হৈ ৰৈ ছোৱালীজনীৰ পিনে চালে। ছোৱালীজনী দেখিলে এনেকুৱা ভাৱ হয় যেন, তাইৰ অন্তৰত কিছুমান পুঞ্জীভূত বেদনাই খুপ খাই আছে। মনিকাই কাষতে বহা বন্দনাক সুধিলে। ঐ বন্দনা সেই ছোৱালীজনী তোমালোকৰ ঘৰৰ ওচৰৰ নেকি? বন্দনাই ক’লে কিয় সুধিলা? তাইৰ ঘৰ আমাৰ ওচৰতেই।

“চোৱানা আমি ইমান জমাই আছো। তাই ইমান আনন্দ মুখৰ পৰিবেশতো মন মাৰি আছে।

“তাই মই দেখাৰ পৰাই তেনেকুৱা। কেতিয়াবা মুখামুখীকৈ পৰিলে হাঁহি এটা মাৰি গুচি যায়।

“চিনাকী কৰি দিবা ছোৱালীজনীৰ লগত।” বন্দনাই ক’লে “ব’লা।”

ঘৰলৈ উভটি আহোঁতে গোটেই বাটচোৱাত মনিকাৰ সেই ছোৱালীজনীলৈ মনত পৰি আছিল। তাইৰ নাম আছিল বন্তি। চিনাকী ক্ষণৰ মৰম লগা মুখ খনিৰ ফালে চাই কথা পাতি থাকোতে বন্তিক বহুতো কথা সুধো বুলি মনলৈ আহিছিল যদিও মনিকাই সেইদিনা একো নুসুধিলে।

পিছদিনা খনৰ পৰা গতানুগতিক ভাবে সিহঁতৰ ক্লাছ আৰম্ভ হ’ব ধৰিলে। এনেতে বন্তিক কলেজ 44 কমৰ কাষতে অকলে বহি থকা দেখি মনিকা আগবাঢ়ি আহিল আৰু বন্তিৰ লগত বহিল। মনিকা আৰু বন্তিৰ এনাজৰী ডাল ভালদৰে বান্ধ খালে। মনিকা হঁতক তাতে বহি থকা দেখি যোগমায়াহঁত সিহঁতৰ ওচৰলৈ আহিল। মনিকাই সেইদিনা পিউৰ চিল্কৰ শাড়ী এখন পিন্ধি গৈছিল। তাইক দেখি যোগমায়াহঁতে ক’লে “বাঃ মনিকা বেলেগ লাগিছে পূজাৰ শাড়ী নেকি?” নিজৰ কিবা এটা বস্তু ভাল লাগে বুলি ক’লে ছোৱালী বোৰে সাধাৰণতে বৰ ভাল পায়। মনিকা ইয়াৰ ব্যতিক্ৰম নহয়। মনিকাই ক’লে আচলতে কি জানা মায়ে দৰমহা পালে মোলৈ কিবা এটা আনিবই। মাক যদি কওঁ মোক নালাগে তুমিয়ে ল’বা মায়ে কয় এতিয়া তহঁতৰহে দিন। আমাৰতো গ’লেই আৰু। আচলতে মাতৃ বোলা বস্তুতো, এনেকুৱা

এটা পৃথিৱীত বস্তু, নাই যাক মাতৃৰ লগত তুলনা কৰিব নোৱাৰি। সিহঁতৰ আলোচনা ক্ৰমে গধুৰ হৈ আহিল। হঠাৎ মনিকাৰ চকুত পৰিল বন্তি সিহঁতৰ মাজত নাই। মনিকাই ইফালে সিফালে চাওঁতে তাইক auditorium ৰূমৰ ওচৰত থিয় হৈ ওচৰৰ সৰিয়হ দৰাৰ পিনে চাই কিবা ভাবি থকা দেখিলে। মনিকাই বন্তিক মাতি সুধিলে তুমি আমাৰ মাজৰ পৰা কিয় গুচি আহিলা। নাই এনেয়ে আহিলো। তাত থাকি ভাল নালাগিল দেখোন।

তোমাৰ নো ক'ত আমাৰ লগত থাকি ভাল লাগিব। আমি হাঁহি ধেমালী কৰি থাকিলে, তুমি ভাল নোপোৱা নহয়। তুমি কিয় আঁতৰত থাকিব বিচৰা, তেতিয়া বন্তিয়ে ক'লে "মই কেতিয়াও আঁতৰি থাকিব নিবিচাৰো মনিকা। মোৰ পৰাহে বং ধেমালী বিলাক আঁতৰি থাকে।"

মই জানো বন্তি। তুমি কিয় তেনেকৈ কৈছা। অন্তৰৰ পুঞ্জীভূত বেদনাবোৰ গুপ খুৱাই ৰাখিলে, বেদনা নকমে বৰং বাঢ়েহে। সেই বেদনা সমূহ আনৰ আগত প্ৰকাশ কৰিলে, বহুখিনি শান্তি পোৱা যায়। কিন্তু তোমাৰ বুকু-ভৰা বেদনাবোৰ গুপ খুৱাই ৰাখিলে, বেদনা নকমে বৰং বাঢ়েহে। সেই বেদনাসমূহ আনৰ আগত প্ৰকাশ কৰিলে বহুখিনি শান্তি পোৱা যায়। কিন্তু তোমাৰ বুকুভৰা বেদনা-বোৰ পুহি ৰাখি, সেইবোৰ যেন অটল গহ্বৰৰ মাজলৈ ঠেলি লৈ গৈছা। বন্তিয়ে ক'লে মোৰ অন্তৰততো তেনে কোনো বেদনা গুপ খাই থকা নাই।

ফাঁকি নিদিবা বন্তি, তোমাৰ কৰুণ মুখখনি দেখিলেই মোক কয় তোমাৰ জীৱনৰ কথাবোৰ জানিবলৈ আৰু দুখৰ সমভাগী হ'বলৈ মোৰ বৰ ইচ্ছা হয় জানা। তুমি অতীতৰ দিনবোৰৰ কথা ৰোমন্থন কৰি লাভ নাই।

অনাগত দিনবোৰৰ কথাহে ভাবিব লাগে। তেতিয়া বন্তিয়ে ক'লে অতীতক পাহৰিবলৈ চেষ্টা কৰিলে সি সিমানেই উজ্বল হৈ উঠে। হাঁহে যেনেকৈ বোকাৰ মাজৰ পৰা সাৰ অংশ বুটলি খায়; সেইদৰে মহাকালৰ হাতৰ পৰশত মোৰ অতীতৰ দুখবোৰ নিগৰি নিগৰি ওলায়েই থাকে। তুমি আজি শুনিব ওলাইছা যদি শুনা। মোৰ জীৱনৰ কাহিনী। মোৰ নিজৰ বুলিবলৈ কোনো নাই। তুমিয়েই মোৰ জীৱনৰ চিৰলগৰী হৈ পৰিছা। কলেজলৈ আহি তোমাক লগ পালে, মোৰ সকলো দুখ আঁতৰি যায়। আকৌ ঘৰখন পালে সেই নৰক যন্ত্ৰণা। চকু পানীখিনি মচি পুনৰ ক'লে পিতৃ-মাতৃৰ মৰম জনাৰ আগতেই মা-দেউতাক হেৰুৱালো। অকলশৰীয়া হোৱাত মামাই মোক লৈ আহিছিল। মোৰ ঘৰখন এৰি আহিব ইচ্ছা হোৱা নাছিল। কাৰণ ভগা পজা হ'লেও ঘৰ বোলা বস্তুটো মোৰ কাৰণে বেলেগ। মোৰ বিবেকে ঘৰখন এৰি আহি-বলৈ ক'ব নোখোজে। কিন্তু মই যে নিৰুপায়। তাৰ পিছত মামাৰ সৈতে গুচি আহি মোৰ মৰমৰ ঘৰখন চিৰদিনৰ কাৰণে এৰি থৈ আহিলো। মামাহঁতৰ ঘৰত আইতা ঢুকুৱাৰ পিছত মামীৰ পৰা লাহে লাহে প্ৰতাৰণা শুনি থাকিব লগাত পৰিল। মামা ৰাতিপুৱা চাকৰীলৈ ওলাই যায়। সন্ধিয়া ঘৰ সোমাই। গতিকে দিনটো কি ঘটিছে সেইবোৰ মামাই নেদেখে।

কেতিয়াবা স্কুলত ভাত নোখোৱাকৈ যাব লাগে। এইদৰে হায়াৰ চেকেণ্ডেৰী পাচ কৰি কলেজত নাম ভৰ্ত্তি কৰিলো। মামীৰ অনিচ্ছা সত্বেও মামাই নাম লগাই দিলে। Part 1 পৰীক্ষাৰ ওচৰ চাপিল। পঢ়িবৰ সময়ত মোৰ মনটো বহুত কথাই খেলি মেলি কৰি থাকে। কিয়নো ৰিজাল্ট বেয়া হ'লে মামীয়েতো মোক শুধাই নেৰিব। এইবোৰ কথা ভাবি ভাবি পৰীক্ষা হ'লত বহিলোগৈ। পৰীক্ষাৰ বিজাল্ট ওলাল। ৰিজাল্ট বেয়া হোৱাত মামীয়ে মোক ক'লে—কলেজৰ বতাহ লাগিল আৰু ক'ত পাচ কৰিব। কিন্তু মামাই আকৌ মোক ভালদৰে পঢ়ি পৰীক্ষাটো দিব দিলে। এইবাৰ ৰিজাল্ট কিন্তু ভাল হ'ল। আকৌ কলেজলৈ আহিলো বহুতো ৰঙীন কল্পনা মনত বান্ধি।

এদিন মোৰ কাৰণে মামীয়ে ওচৰৰে ল'ৰা এটাৰ লগত বিয়া দিবলৈ থিক কৰিলে। মামাক সেই সম্পৰ্কে কোৱাত মামাই ক'লে তাইৰ সন্মতিটো লব লাগিব। তেতিয়া মামীয়ে ক'লে চকুক শুধি চাউল নৰহাই নহয়।

মোৰ মনটো সময়ত হাঁহাকাৰ কৰি উঠিছিল। এজন অচিনাকী যুৱকক লৈ। যাৰ আগমনে মোৰ জীৱনত জ্যোৎস্না নমাব, ধৰণী আকৌ মোৰ চকুত সেউজীয়া হৈ উঠিব। কিন্তু আশাৰ কলিবোৰ পাহি মেলিব নৌপাওঁতে মৰহিবলৈ ধৰিলে। মই যেন ইমান দিনে আকাশত চাং পাতিহে আছিলো। সেই ল'ৰাজন চৰিত্ৰহীন। তেনে-কুৱা যুৱকৰ লগত বিয়া হৈ মই কেতিয়াও সুখী হ'ব নোৱাৰো। হব পাৰে তেওঁ কৌটিৰ পতি। কিন্তু সুখী দাম্পত্য জীৱনৰ কাৰণে ধন সম্পত্তিয়ে সকলো নহয়। মোৰ এইবোৰ কথা ভাবিলে, জীয়াই থকাৰ বাছি লোৱা পথকে লম বুলি দৃঢ় সংকল্প কৰিছো।

এনেতে হুৰ মুৰাই ক্লাছ শেষ কৰি এজাক ছোৱালী সিইঁতৰ ফালে আহি আছে। সিহঁতৰ মাজৰ পৰা বন্দনাই ক'লে। বাঃ ক্লাছ বাদ দি অথনিৰে পৰা ইমান কি কথা পাতিছানো? তেতিয়া মনিকাই কথাতো পাতলাই দিয়াৰ মানসৰে ক'লে—নাই অ, বিশেষ কথা পতা নাই, এই কেইটা ক্লাছ কৰিম নহয়। নাই ক্লাছ ১২ টাৰ পৰা কেঞ্চেল কৰিলে।

ঘৰলৈ গৈ মনিকাৰ প্ৰতি মুহূৰ্ত্তত বস্তিৰ কথাবোৰ মনত পৰি আছে। সেইদিনা তাই আহি একোৰে নাখালে। মাকে ক'লে অ! আজি ভোকেই নোহোৱা হ'লনে! আনদিনা দেখোন চিঞৰি অহা মা কি আছে দিয়া। মোৰ বৰ ভোক লাগিছে। তেতিয়া দ্বীপ দাদাকে নোকো-ৱাকৈ থাকিব নোৱাৰিলে। কিহে আইজনী, কলেজত কিবা ঘটনা ঘটিল নেকি? একেবাৰে সৰল হৈ আছা দেখোন। তেতিয়া মনিকাই ক'লে, মই তোমাক এটি মূল্যবান বস্তু দিম বুলি ভাবিছো। অকল তোমাকেই নহয় মা আৰু দেউতাকো। দাদাকে ক'লে উৱা মোৰ চোন শুনিয়েই ভয় লাগিছে। দিয়াৰ পিছত মূচ্ছা নাযাও তো।

তুমি সদায় ধেমালী বুলিয়েই ভাবা। সময়ত দেখিবা। অহাকালিয়ে দিম বাৰু। কিন্তু তোমালোকে যথাযোগ্য সন্মান কৰিবাতো। দেউতাকে ক'লে—"বাঃ মোৰ সৰু ছোৱালীজনীয়ে আমাক এটি মূল্যবান বস্তু দিব আকৌ আমি গ্ৰহণ নকৰিলে হ'বনে।

ৰাতি শুবৰ সময়ত মাকক বস্তিৰ সকলো কাহিনী ক'লে। মাকে তেতিয়া ক'লে তাইক এদিন আমাৰ ঘৰলৈ লৈ আহিবাচোন। মোৰ চাবলৈ বৰ মন গৈছে। আইয়ে দেহি। তাই ইমান দুখ কষ্ট নেওচি আছে।

পিছদিনা যথাসময়ত মনিকা কলেজলৈ গৈ বস্তিক লগ ধৰিলে। আৰু তাইক মাকহঁতে মতা বুলি ক'লে। তাই আহিব সংকোচ বোধ কৰিছিল যদিও পিছত আহিল। মণিকাহঁতৰ ঘৰলৈ আহি বস্তি যেন, সকলোৰে আদৰ মৰম বোৰেৰে বৰ সন্তুষ্ট হ'ল। যিহেতুকে তাই তেনেকুৱা মৰম কাৰোপৰা পোৱা নাই।

ডাইনিং টেবুলত একেলগে গোটেই কেইটাই ভাত খাবলৈ বহোতে দাদাকে ক'লে – মণিকা তুমি দেখোন আজি মূল্যবান বস্তু দিয়াৰ কথা আছিল। দিয়া এতিয়া হীৰা নে মুকুতা! তেতিয়া তাই ক'লে মূল্যৱান বস্তুটো তোমাৰ সন্মুখত আছে। এইবুলি কৈ বস্তিৰ হাতখন ককায়েকৰ হাতৰ লগত ধৰাধৰি কৰি দি ক'লে মই দেউতা মালৈ এজনী সৰ্ব-সুলক্ষণা বোৱাৰী আৰু দাদালৈ আনিলো এজনী নবৌ।

তাৰ পিছত মাক দেউতাকে ক'লে-- তোমাৰ পৰা এনেকুৱা মূল্যৱান বস্তু পাম বুলি আমি কোনোদিনেই ভৱা নাছিলো। বস্তি আৰু দ্বীপে লাজতে তলমূৰ কৰিলে।

❀ ❀ ❀

# "মোৰ মৃত্যুত"

: সীমান্ত কুসুম শৰ্ম্মা :

মাজ চোতালতে এইয়া মোৰ মৃতদেহ। চাৰিওফালে এজুম মানুহ। নিস্তব্ধ-নিমাত-নিতাল। পোহনীয়া কুকুৰটোৱে বাৰান্দাৰ এচুকত বহি মাজে মাজে দীঘলীয়া ৰাওচি জুৰি তাৰ ক্রন্দন প্রতিধ্বনিত কৰিছে।

"তেজখিনি সেই কাপোৰখনেৰে মচি দিয়া চোন"— কোনে জানো কলে—

কোনোবাই মচি দিলে। কাৰো মুখত মাত নাই। নিঃশব্দে যেন সময় পাৰ হৈ গৈছে। মাথো সময়ৰ পদশব্দৰ উমান দিছে মোৰ মৃতদেহৰ মূৰৰ পিনে থকা কাৰোবাৰ হাতঘড়ীটোৱে।

টিক্ টিক্ টিক্......যথেষ্ট প্রকট হৈ আহিছে শব্দটো। ইজনে সিজনৰ মুখলৈ চাইছে—যেন ঘড়ীৰ শব্দটোৱে নির্জ্জনতা ভঙ্গ কৰাৰ অপচেষ্টা চলাইছে। ঘড়ী পিন্ধি থকা জনৰ ভয় ভয় ভাৱ কিজানি সেই শব্দই মোৰ নীৰৱ টোপনিত ব্যাঘাত জন্মাই।

যাৰ চকুত তিৰ বিৰাইছিল তৰালি
বুকুত গুন গুনাইছিল মৌ মাখি,
যি আজি নিজানে নিতালে শুই আছে
শিতানত তাৰ তেজেধোৱা মাটি........

টুপকৈ সৰি পৰিল জয়ন্তৰ অশ্রু দু-টোপাল মোৰ ৰক্ত সিক্ত কপালত। হঠাৎ তাৰ বুকুভঙা কান্দোনে চৌদিশে বেদনাৰ অকাম্য বতাহ বোৱাই পেলালে। লগে লগে পৰিৱেশটোত যি ইমান সময় নীৰৱ নিতাল আছিল— কিবা খেলিমেলি লাগিল। বাপা, কামাখ্যা, টুটাহঁতেও যেন বন্ধ কৰি ৰখা কান্দোনটোক আৰু দমন কৰিব নোৱাৰিলে। মোৰ মৃতদেহৰ ওপৰত থকা বগা কাপোৰখন চকুপানীৰে সিক্ত হৈ উঠিল। এইয়া যেন ভন্টা, মামনি, জুৰিহঁতৰ মোলৈ বুলি উসৰ্গা কৰা অশ্রু অঞ্জলী। কন্দা নাই কেৱল বিমান নামৰ গোৱাৰ লৰাটোৱে। তেতিয়াৰে পৰা সি বাৰান্দাখনতে বহি আছে। দুচকুত তাৰ বেদনা মিশ্রিত একুৰা জুই। সি যেন মোক বাৰে বাৰে ক'ব বিচাৰিছে– "ভাগি (দোস্ত), তই যিটো কৰিব নোৱাৰিলি নকৰিলি মই তাক কৰিমেই।" দ্বিজুদাই বাগৰি বাগৰি পৰিব খোজা জয়ন্তক ধৰি লৈ তাৰ ওচৰতে বহুৱাই দিলে। —আৰে দ্বিজুদাইও চোন কান্দি আছে। কান্দি কান্দিয়েই বাকীবোৰক শান্তনা দিয়াত লাগিছে।

: হাঃ হাঃ হাঃ—জোৰেৰে হাঁহি দিবৰ মন গৈছিল। যি নিজেই সাগৰৰ পানীত ডুবি আছে সি আকৌ বৰষুণত তিতাজনক বচাব যায়।

'ঘেলটেউত্'—অস্বাভাবিক শব্দ এটাত বিমানে মূৰ তুলি চালে। সোণটিয়ে ঘৰৰ বাতামৰ বাবে কাঠ কাটি থকা ঠাইৰ পৰা হাতত বটালি লৈয়েই গুচি আহিল। চাইকেলখন ৰাস্তাত পেলাই থৈ মানুহৰ ভিৰ ঠেলি ঠেলি বিমানৰ ওচৰ পালেহি। বিমানে মূৰ তল কৰিলে।

: "কি হ'ল? কেনেকৈ হ'ল?" —সোণটিয়ে ফোপাইছে।

: বিমান নীৰৱ—

: "ঐ নকৰ কিয়?" সোণটি ব্যগ্র।

: "এটা এটাকৈ ল'ৰা মাৰি শেষ কৰিব—সিফালে সিহঁতে আকৌ আলোচনা কৰে ... " বিমানে ভোৰভোৰাই উঠিল। সোণটিয়ে কথা বিলাক বুজা নাই। কাক সুধিলে আচল কথাটো গম পাব সি ধৰিব পৰা নাই।

: "কি হব আৰু ?" বিমানে আকৌ আৰম্ভ কৰিলে-- কালি নিশা কমাণ্ডেটৰ লগত কৰবাৰ পৰা আহি পালে। মোৰ ঘৰত দুয়োটাই ভাত খালে। তাৰ পিছত ই মোৰ তাতে থাকি গ'ল। ভাত খাই উঠি এনেয়ে কেৰমখন উলিয়াই লৈছো। এনেতে আমাৰ নিচেই কাষত কাৰোবাৰ কথোপকথন। তাৰ কাণ দুখন সজাগ হৈ উঠিল। ....."

কালি নিশাৰ মোৰ মৃত্যুৰ ঘটনাটো যেন মই মোৰ চকুৰ আগত দেখিবলৈ ধৰিলো।

"কমাণ্ডেট অৰূপক শইকীয়া বৰুৱা ই মোক অন্য এঘৰত থাকিম বুলি কৈ যোৱাৰ পিছতেই যেন মোৰ গাটো চেবাইছিল। গাৰ ওচৰতেই হিন্দী কথোপকথন শুনি মই লগে লগে ঘৰৰ পিছফালৰ কচুবনি ডৰাত নিজকে লুকুৱাবৰ চেষ্টা কৰিলো। বিমানো মোৰ পিছে পিছে আহিব খোজাত মই তাক বাধা দিলো। সি নেমানে পিছে তেতিয়া তাৰ লগত তৰ্ক কৰাৰ সময় নাছিল, ইতিমধ্যে অসামৰিক পোছাকত চৰকাৰী গুন্দাবাহিনী হাতত Self loading rifle লৈ চোতাল পাইছিল হি। মই ৰাতিৰ আন্ধাৰৰ সুযোগ লৈ দৌৰিবলৈ ধৰিলোঁ। হঠাৎ মোৰ মনলৈ ভাব আহিল--সিহঁতে যেন চাৰিওফালে ঘেৰি ধৰিছে। মই ওলোটা ফালে ঘূৰি বাও হাতে তামোল গছৰ মাজে মাজে দৌৰিলো। আন্ধাৰ যদিও বাটপথ খিনি মই চিনি পাওঁ।

ভাবিলো ধৰাই দিও নেকি ? ধৰা দিলে মোক লগত লৈ আকৌ সেনাধিনায়কক বিচাৰিব। দেহৰক্ষী হৈ যদি নিজেই ধৰাই দিবলগীয়া হয় তেন্তে তাতকৈ বিশ্বাস ঘাটকী কাম আৰু এটা নহব।

সন্মুখৰ ফালে কোনোবা দুজন সন্তৰ্পণে আগুৱাই অহা গম পালো। ৰিভলভাৰটো উলিয়াই ললোঁ। সন্মুখত থকা কঠাল গছ ডালত কোনোমতে গাটো লুকুৱালো। কাষেৰেই দুটা জোৱান পাৰ হৈ গ'ল। দুয়োটাকে বগৰাই কাৰ্বাইন আৰু এচ্ এল্ আৰ টোলৈ যুক্তি চাবলৈ মন গৈছিল। পিছ মুহূৰ্ত্ততে ভাবিলো--গুলীৰ শব্দত সিহঁতে মোৰ উপস্থিতি অনুমান কৰি ললে মোৰ বিপদ হব— কিয়নো সিহঁত কমেও দুশ। আকৌ গছৰ আৰ লৈ লৈ আগবাঢ়িলো। এক ফালং মান আঁতৰত বাহ কেইজোপা পাৰ হলেই নৈখন পাম। তেতিয়া হয়তো মই নৈখন পাৰ হলেই ৰক্ষা পৰিম। অতি সন্তৰ্পণে মেকুৰী খোজেৰে আগবাঢ়িছো। একদম সন্মুখতে দেখিলো এজন জোৱানে মোৰ ফালে পিছ দি দি হাতত ৰাইফললৈ আগবাঢ়ি আছে। মই মানুহটো কপিব ধৰিলো। হাতত ৰিভলভাৰ সন্মুখত চিকাৰ তথাপিতো মোক বিবেকে বাধা দিছে-- 'মূৰ্খামি নকৰিবি।' আনফালে যুদ্ধ বিৰতি ঘোষণা। সৈন্যটো আগবাঢ়ি নেদেখা হোৱাত মই দৌৰিব ধৰিলো। খুউব ভাগৰ লাগিছিল। পিচফালৰ পৰা তিনিজনমানে 'ৰুকো' 'ৰুকো' বুলি চিঞৰিলে। মই মৃত্যু ভয়ত কান্দি কান্দি দৌৰিছো। নৈখনৰ সিটো মূৰলৈ হাউলি থকা বাঁহডাল পাবলৈ আৰু অলপ বাকী এনেতে কাণৰ কাষেৰে মিলিটেৰী বুলেট বিলাক সো-সোকৈ পাৰ হৈ গ'ল। হে প্ৰভু, মোৰ হাতত ৰিভলভাৰ সিহঁতৰ হাতত ৰাইফল। মই এটা কিন্তু সিহঁত কমেও দুশটা। এইয়া কি ন্যায় প্ৰভু ? কোনোমতে বাঁহডালত উঠিলো। কিন্তু নৈখনৰ দুয়োপাৰে সৈন্যৰ আবেষ্টনী। মই মোৰ কৰ্ত্তব্য থিৰ কৰিলো। গ্ৰেনেডটো খুলি নিজৰ গাতে ফুটাই দিলো। ভৰি অংশ চিগি টুকুৰা টুকুৰ হ'ল। লগে লগে পানীত বাগৰি পৰিলো। মোৰ চিন্তা শক্তি নোহোৱা হৈ গৈছিল। শেষ শক্তিকন প্ৰয়োগ কৰি ৰিভলভাৰৰ নলী মূৰত লগাই ট্ৰিগাৰ টিপিলো। তাৰ পিছত অন্ধকাৰ। তাৰ পিছতো পাচজন মান জোৱানে মোক উপৰ্যুপৰি গুলীয়ালে।

সেই কমটোৰ দুৱাৰখনত প্ৰচণ্ড শব্দ। হঠাৎ খোলা চুলিৰে, অসংলগ্ন কাপোৰেৰে ভয় লগা মূৰ্ত্তি ধৰি মোৰ মা দৌৰি আহিল। কাৰো মুখত মাত নাই। প্ৰত্যেকেই মাৰ পিনে চাইছে। ইমান সময়ে মাক ওচৰৰ মাইকী

মানুহবোৰে ধৰি কমৰ দুৱাৰখন বন্ধ কৰি ধৰি আছিল। ভিৰ ফালি মা মোৰ ওচৰ পালেহি। চকু বিস্ফোৰিত ...

: "তই ক'ত গলি-হে?" থোকাথুকি মাত। এইবাৰ কিন্তু কোনোৱে মাক আঁতৰাই আনিবৰ সাহস কৰা নাই। হঠাৎ মায়ে কাপোৰখন টান মাৰি গুচাই দিলে।

: "ইমান দিন হ'ল--তোক মই ওচৰৰ পৰা দেখি নেপালো। আজি চাৰি বছৰে তই মোৰ লগত শোৱা নাই। তই মোৰ লগত ভালদৰে কথা পতা নাই। মোৰ তোক বহুত কথা কব লগীয়া আছিল--বহুত মৰম আছিল, মই কবও নেপালো, দিবও নেপালো।" --মায়ে মোৰ মুখখনৰ ওচৰত বহি লৈ থোকাথুকি মাতেৰে কৈ আছে। মৃতদেহৰ চাৰিওফালে বহি থকা ছয়নিকা, মামনি হঁতে ইটিয়ে সিটিৰ মুখলৈ চাইছে। কিন্তু কোনোৱে মাক ধৰিবৰ সাহস কৰিব পৰা নাই।

লগে লগে মায়ে বতাহ কপাই দিলে-

: "আৰু আজি ইমান দিনৰ মূৰত যেতিয়া ঘূৰি আহিলি তেতিয়া তোৰ দেহত জীৱ নাই। মই এতিয়া কাক লৈ জীয়াই থাকিম? মোক কোনে মাজনিশা আহি দুৱাৰত চকিয়াই ভাত খুজিব? মই কাৰ বাবে সাৰে থাকিম?"

মাৰ কান্দোনত যেন মোৰ দুখ লাগি গৈছিল। এইবাৰ মায়ে চাদৰৰ আচল ফালিছে। সৌৱা ঘৰৰ চালৰ পাৰ চৰাই কেইটাইও মনে মনে চাই আছে। শান্তিৰ পাৰৰ অশান্তিৰ সতে সহবাস মাৰ চাদৰৰ প্ৰায় অংশ টুকুৰা টুকুৰি। কোনেও বাধা দিয়া নাই--

: "চাওঁ, চাওঁ মূৰটো ডাঙ, তেজ খিনি মচি দিওঁ"-- মায়ে যেন জীয়াই থকা ল'ৰা এটাকহে কৈছে।

গ্ৰেনেড্ লগা ভৰি দুখন মায়ে সাৰটি ধৰি প্ৰত্যেক তেজ ওলোৱা ঠাইত কাপোৰেৰে বান্ধি দিছে--যেন ঘৰৰ ন বছৰীয়া উৎপতীয়া ল'ৰাটোৱে অতপালি কৰি ভৰিৰ ছাল ছিগি আনিছে আৰু তাক ধমকি দি মাকে ভৰিৰ ছাল ছিগা টুকুৰাত কাপোৰেৰে বান্ধি আছে। দিনটোৰ উৎপাতৰ অন্তত যেন ল'ৰাটো এতিয়া নিশব্দে শুইছে।

মায়ে হঠাৎ টুটাক ঠাপ মাৰি সুধিলে। মাই চিঞৰিলে।

: তেজ বিলাক দেখোন নবয়েই। মই কি কৰো এতিয়া? --মায়ে মোৰ মূৰত ধৰি ধৰি কান্দিব ধৰিলে--

: অ মোক ল'ৰাটো ঘূৰাই দে ঐ।

"কোন আছ? ঐ মোক ল'ৰাটো দে ঐ" হঠাৎ মা চেতনা বিহীন হৈ পৰিল। ৰূপক, টুটা হঁতে ধৰি নি মাক কমত সুমুৱাই দিলে। বিষাদ গ্ৰস্থ বন্ধুবোৰে আলোচনা কৰি পৰিবেশটোৰ গহীনতা কিছু কমালে।

: "ক্লাবৰ নাটক চাটক আৰু একো নহব--" বাপাই মাটি খুচৰি আছে।

: কিয় নহব? আমি তাৰ নামতেই All Assam Competition পাতিম।

: "মই আজিয়েই কথা দিলো যে তাৰ নামত মই শ্ৰেষ্ঠ অভিনেতা জনলৈ অভিমুন্যু বটা আগবঢ়াম।"

—বিমানে কথাখিনি কৈ নখ কামুৰি আছে।

– "বাপা তোৰ মনত আছেনে বৌতাৰ ..

জয়ন্তই আকৌ হুক হুকাই কান্দিব ধৰিলে।--

: "ৰাতিপুৱাই বিচনাতে দিগদাৰি কৰিছিল। কম পালি পাৰিলোনে তোক? তই মোক সচাঁকৈয়ে বহুৱা সাজি এৰি থৈ গলি। বহুতো নকবলগীয়া নকৰিব লগীয়া তই মোক ..." —বেচেৰাৰ থোকাথুকি মাত।

এতিয়া ছাগে মোৰ সতীৰ্থ তথা সাংগঠনিক কৰ্মীবোৰৰ মানসিক অৱস্থা অতি বেয়া। সৌৱা জেনেৰেল হেড্ কোৱাটাৰলৈ যোৱা ৰাস্তাত প্ৰথম পহৰা চকী, ডিফেন্স-১। আঠজন সশস্ত্ৰ-সন্ত্ৰস্ত যুৱক। চকুত সিহঁতৰ সহকৰ্মীক হেৰুউৱাৰ বেদনা।

ঘন জঙ্গলৰ মাজেৰে লুংলুঙীয়া ৰাস্তাটো। সৌৱা ডিফেন্স-২। সকলো নীৰৱ।

--কমাণ্ডেন্ট--কাষত গা-ৰক্ষী দিলীপ--গকুল। হাতত দুয়োৰে কাৰ্বাইন। মৰিশালীৰ নিৰ্জনতা বিৰাজ কৰিছে-কেৱল কমাণ্ডেন্টৰ ফোপনি। অৰূপ শইকীয়া বৰুৱা নামৰ ওখ পাখ মানুহজনে ব্যস্ত ভাবে অহা যোৱা কৰিছে ওখ বহল চোতালখনৰ ইমূৰৰ পৰা সিমূৰলৈ। বাকী যুৱক-যুৱতী সকল নিজ নিজ কৰ্মত ব্যস্ত। সকলোৱে চকুত মৃত্যু

ভয়ৰ যাতনা। সিহঁতেও বুজিছে যে 'কলী ফেটীৰ' আগত সিহঁতৰ মৰণ সমাগত। তথাপিতো সিহঁত অচল অটল। সিহঁতৰ প্ৰিয় হাঁহিমুখীয়া কমৰেড্‌জনৰ মৃত্যুত সকলো ম্ৰিয়মান। কিন্তু কোনেও এটা কথা কোৱা নাই। কোনেও অকণো চকুপানী টোকা নাই। কন্দাটো যে সিহঁতৰ সংবিধান বহিৰ্ভূত। বেচেৰাহঁত বৰ দুৰ্ভগীয়া। হঠাৎ কমাণ্ডেন্ট তম্বুৰ ভিতৰলৈ সোমাই গ'ল। সকলোৰে চকু শীৰ্ষ নেতাজনৰ ওপৰত।

নেতাজনে দুখ খণ্ডত ভাগি পৰিছে।

: "তই ভাল কৰিলিনে বেয়া কৰিলি মই নেজানো কমৰেড। কিন্তু তই নিজে মৃত্যুক আকোৱালী ললি কিয়? সিহঁতৰ যদি এটাকো হত্যা কৰিলিহেঁতেন মই-মই-মই..." সেনাধিনায়কৰ মাত থোকাথ্‌কি—।

: কিন্তু তই কিয় মাৰিবি? এতিয়া যে যুদ্ধ বিৰতি। তাতে তই নিষ্ঠাবান কৰ্মী। নিয়ম উলংঘা নকৰ। তই মৰা নাই কমৰেড্--মোৰ সোঁহাতখনক কোনোবাই কাটি নিলে। ইমান দিনে মোৰ শৰীৰটোৰ ৰক্ষী হিচাবে যিখিনি কৰিলি মই তাৰ প্ৰতিদান দিম। অভিমন্যুক মৰা দি তোক হত্যা কৰাৰ প্ৰতিশোধ মই লমেই।" কমাণ্ডেন্টৰ চকুপানীত যেন সকলোৱে কন্দাৰ সাহসকণ বিচাৰি পালে।

হঠাৎ বজ্ৰ হুংকাৰি আদেশ দিলে আকাশ বিদীৰ্ণ চিঞৰে নিৰ্জন বননি কপাই তুলিলে —

: "মই সেনাধিনায়ক অৰূপ শইকীয়া বৰুৱাই এইয়া যুদ্ধ বিৰতি উঠাই লোৱা বুলি ঘোষণা কৰিলো। আজি নিশা ৮-৪৫ বজাত পাচনি ঘাটৰ শত্ৰু শিবিৰ আক্ৰমণ কৰা হব। মোৰ লগত আঠজন কমৰেড্ থাকিব। আমাৰ লগত অস্ত্ৰ থাকিব। এটা G-2, তিনিটা কাৰ্বাইন, এটা L.M.G., দুটা S.L.R.। সকলো সৈনিকে আৰ্মচ আৰু এমিউনেচন ৰেডি কৰক।"

হঠাৎ পৰিবেশ সলনি হৈ গ'ল। দুখত ভাগিপৰা শিবিৰটোৰ সৈনিকে এইবাৰ শক্তি আহৰণত ব্যস্ত হৈ পৰিল।

"চাল্লা স্বাৰ্থপৰ চব। যিটো কৰিব নোৱাৰে সেইটো কৰিব যায়। সুবিধা ভোগীহঁত এই সৰু কৰ্মী বিলাকক লৈ খেলা খেলিছ। যেতিয়া আলোচনা কৰিব লগা আছিল তেতিয়া নকৰিলি আৰু এতিয়া নিজৰ সুৰক্ষিত বেহুৰ যেতিয়া বেৰ বিলাক খহি পৰিল তেতিয়াহে বুজিলি। আজি তেৰ বছৰৰ মূৰত যেতিয়া বহু মৰিলি বহু নৰিল তেতিয়াহে তহঁতক বিবেকে কলে যে ভাৰতীয় সৈন্যৰ তুলনাত তহঁতৰ অস্তিত্বই নাই। তহঁতেতো সুবিধা ভোগ কৰিয়েই আছ কিন্তু লগত এঘাৰ, বাৰ হেজাৰ টকা থকা স্বত্বেও আনে খোজাতো সংগঠনৰ পাচ টকাটোও উলিয়াই দিবলৈ টান পোৱা এই কৰ্মী বিলাকৰ পুৰষ্কাৰ চৰকাৰী গুলী—।" —বিমানৰ খণ্ডাল ভোৰ ভোৰনিৰ কোনো প্ৰত্যুংত্তৰ নাই।

আকৌ কোনোবাই মোৰ শুভ্ৰ বস্ত্ৰখন মুখমণ্ডলৰ ওপৰৰ পৰা ডাঙি দিলে।

: "দাদা, মোক মটৰ চাইকেলত উঠাম বুলি কৈছিলি— কেতিয়া উঠাবি? মোৰ ৬ষ্ঠ শ্ৰেণীৰ বিজ্ঞানৰ কিতাপ খন আনিম বুলি কৈছিলি দেখোন—ক'ত কিতাপ? এতিয়া কিতাপ নানি পেলাই—টোপনি ধৰা ভাও ধৰিছ। মোক বিহুত তই কিয় হাফপেন্ট দিম বুলি কৈছিছি?"

মোৰ বাৰ বছৰীয়া ভাইটোৰ কৰুণ কান্দোন ধ্বনি। মই শুনা নাই।

: "অ' দাদা ঐ--মায়ে কান্দি আছে তই উঠচোন। তোৰ আকৌ পেট বিষাইছে নেকি?"

এই দহ বছৰীয়া ভনী জনী, বেছেৰীয়ে একো বুজা হোৱাই নাই আৰু মোৰ ভাইটোৰ বাবেতো মই জীৱনত একো কৰিব নোৱাৰিলো। অথচ ডাঙৰ ককায়েক হিচাবে মোৰ কিমান দায়িত্ব আছিল কিমান আশা কৰিছিল সিহঁতে। আৰু মোৰ বিধৱা মা-জনী? কোনে লব এতিয়া সিহঁতৰ দায়িত্ব?

মোৰ মৃতদেহ এতিয়া শ্মশানৰ শীতল মাটিত। লগৰ কেইটা-মানে চিতা সাজিছে। মানুহৰ লানি নিচিগা ভিৰ। কিমান যে ফুলৰ মালা। বহু কৰিম-বহু পাম-বহু লম বুলি

ভাবি থাকোতেই দেখোন জীৱনটো শেষেই হ'ল । কি পালো—কি নেপালো তাৰ দেখোন হিচাব কৰাই নহ'ল ।

তই মৰিলেই মোৰ সুখ হব। তই মৰাৰ দিনা মই এটা ডাঙৰ ভোজ দিম বুলি ধেনালীতে কোৱা জয়ন্তও এতিয়া কান্দি ভাগি পৰিছে। তেন্তে কিনো এই জীৱন — ইয়াৰ অৰ্থনো কি ?

কিছুমানে মূৰ তুলি শ্মশানৰ গেট খনলৈ চাইছে। কোনোবা আহিছে ছাগে। চকু বিলাক দেখোন সন্দিহান। সম্ভৱ কিবা নতুন ঘটনা ঘটিব। ইমান মানুহ অথচ ইমান নীৰৱ। কি হ'লনো —

শুধ বগা সাজেৰে সোৱা কোনোবা এজনী আহিছে। ককাললৈকে পৰা এমূৰ খোলা চুলি। আয়তাকাৰ চকু আৰু কঁপি থকা এজুৰি লাহী ওঠ। সকলোৱে দেৱী সদৃস মানৱী লৈ ব' লাগি চাই আছে। এখুজি দুখুজিকৈ আগবাঢ়ি আহিল। লগে লগে থেলা হেচা কৰি কিছুৱে বাট এৰি দিলে। বগা কপাহী সাজ আৰু থালী ভৰিৰে মোৰ ওচৰত ৰ'ল — কাৰোলৈকে চোৱা নাই। আঠুকাঢ়ি লৈ কাপোৰখন গুচাই মোৰ স্পন্দন বিহীন চকুযুৰি লৈ চাই থাকিল। কপা ওঠ দুটিৰে অলপ হাঁহিলে। চকুযুৰি সজল হৈ উঠিল। কপালত মোৰ চুমা খালে আৰু আঞ্জলি পাতি দিলে তিনিটা ৰক্ত গোলাপ। তাৰপিছত অহা বাটে গুচি গ'ল লাৱনী গাভৰুজনী।

ক'ত জানো পঢ়িছিলো —
আহিবা তুমি মোৰ চিতাৰ কাষত —
কলিজা ৰঙা তিনিটা ৰক্ত গোলাপ
আনিবা তোমাৰ আচলত —
চুমা আকি ঘুৰি যাবা
অহা বাটে নিৰলে, অকলে —

এখন নীৰৱ নাটকৰ, নীৰৱ দৰ্শক হৈ ৰ'ল সকলো।

অহাকালি হয়তো মই পঢ়া স্কুলখন হাফ হব। হয়তো মই পঢ়া কলেজতো বন্ধ পালন কৰিব। কৰিম চাবে হয়তো মোৰ গুণ গৰিমা বৰ্ণাই দুখ লাগি যোৱাকৈ ধুনীয়া এটা বক্তৃতা দিব।

ক্লাবৰ লৰা কেইটাই হয়তো মোৰ নামত দুবছৰমান কিবা প্ৰতিযোগীতা পাতিব। তাৰ পিছত আকৌ নিজৰ কামৰ বাহিৰে বেলেগ কথা চিন্তা কৰিবলৈ সময় নহব। মই আকৌ পাহৰণীৰ গভঁত হেৰাই যাম।

কিন্তু মোৰ ভাই, ভনী আৰু বিধৱা মা-জনীৰ কথা কোনে চিন্তা কৰিব। কৰিব নে চিন্তা মোক শ্বহীদ ঘোষণা কৰা সকলে ? তেওঁলোকে কৰিবনে যাৰ বাবে নিজকে আহুতি দিলো। তেন্তে কাৰ বাবে এইয়া কৰিলো ? মোৰ মৃত্যুৱেও যদি একো এটা কৰি দিব নোৱাৰিলে তেন্তে এই মৃত্যুৰ সাৰ্থকতাই ক'ত ? নেলাগে মোক এই মৃত্যু। মোৰ মৃত্যুৰে ভাই-ভনী-মাক লোকৰ বাবে নিঠকুৱা কৰিব নোখোজো। মই এতিয়া বিবেকদংশনত ভুগিছো। প্ৰভু মোক এই মৃত্যু নেলাগে। মোক দুবছৰৰ বাবে সুনাম নালাগে — মোৰ নামত প্ৰতিযোগীতাও পাতিব নেলাগে— । মই কিয় মৃত্যুক সাৱটি ললো — ? মই কিয় আত্মহত্যা কৰিলো ? মোৰ কি হ'ল—মোক পুনৰ জীৱন দান দিয়া প্ৰভু।

মায়ে মোক গাত ধৰি জোকাৰিলে —"এই ৰাতি বাৰটাত সোমাবি—এতিয়া দহ বজালৈ সপোন দেখি দেখি চিঞৰি থাকিবি। উঠ।"

● ●

গল্প

# ‘প্ৰতিশোধ’

শ্ৰীজয়া দেৱী
স্নাতক দ্বিতীয় বৰ্ষ (কলা)
মঙলদৈ মহাবিদ্যালয়

গেট্‌খন খুলিয়েই পুলিছ কেইজন মানৰ সৈতে ডেকা ল'ৰা কেইজনমান সোমাই আহিল। পুলিছ এজনৰ হাতত এটা ডাঙৰ কুকুৰ, সম্ভৱ চোৰধৰা কুকুৰ। ডেকা কেই-জনৰ পিন্ধনত সাধাৰণ পেণ্ট চাৰ্ট।

"আহক, আহক বহক।" প্ৰতীক ৰুমৰ দৰ্জাখন খুলি পুলিছ ইন্সপেক্টৰ জনৰ ফালে চাই দেউতাকে মাতিলে। তেওঁ যেন আগতেই জানে এওঁলোক আহিব বুলি। এওঁ-লোকৰ কাৰণেই তেওঁ যেন অপেক্ষা কৰি আছিল।

"আমি আপোনাৰ ঘৰত বহিবলৈ অহা নাই, আমাক ছোৱালী উলিয়াই দিয়ক।" খঙেৰেই ডেকা এজনে কৈ উঠিল। লগৰ কেইজনেও সমানে কৈ উঠিল। দেউতাক যেন আচৰিত হ'ল। পুলিছ ইন্সপেক্টৰ জনৰ ফালে চাই সুধিলে "কি হৈছে ছাৰ? মই একো বুজিব পৰা নাই।"

"এওঁলোকে থানাত এখন এজাহাৰ দিছে আপুনি বোলে দুমাহমান আগতে এওঁলোকৰ গাঁৱৰ পৰা ছোৱালী এজনী আনিছিল কাম বন কৰাকৈ। আৰু আজি পাচ দিন মান আগতে ছোৱালী জনীৰ মাক অাহোতে তাই ঘৰলৈ যোৱা বুলি কৈছে। কিন্তু ছোৱালীজনী ঘৰলৈ যোৱা নাই। সেয়ে আমি তদন্ত কৰিবলৈ আহিছো।" পুলিছ ইন্সপেক্টৰজনে ক'লে।

"চাওঁক, ছোৱালীজনী সেই দিনাই মানে মাক আহিবৰ দিনাই ঘৰলৈ যাওঁ বুলি গৈছে আৰু এতিয়ালৈকে ঘূৰি অহা নাই।" আপোনাৰ ঘৰৰ পৰা ছোৱালী ওলায় যোৱা কোনেও দেখা নাই। তাইক আপুনি হত্যা কৰিছে নাইবা বিক্ৰি কৰিছে মনে মনে। আমাক আজি ছোৱালীৰ সন্ধান লাগিবই। উলিয়াই দিয়ক ক'ত আছে তাই। ডেকা ল'ৰা কেইজনে ধমকনিৰ সুৰত ক'লে।

"Shut up nonsense, কি ক'ব বিচাৰিছা তোমালোকে মই হত্যা কৰিছো? বিক্ৰি কৰিছো?"

"হয় আমি ঠিকেই কৈছো আমাক ছোৱালী লাগে।" এটা উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হ'ল।

পুলিছ কেইজনে ধমক দিয়াতহে পৰিৱেশটো অলপ শান্ত হ'ল। "চাওঁক শইকীয়া ছোৱালী যেতিয়া আপোনাৰ ঘৰৰ পৰাই নোহোৱা হৈছে গতিকে আপুনি কিবা এটা কৰক।" পুলিছ ইন্সপেক্টৰ জনে ক'লে। দেউতাকৰ কপালৰ ৰেখা কেইডাল সামান্য ভাবে কোচ খোৱা সি দেখা পালে।

বাৰাণ্ডাৰ চুক এটাত থিয় হৈ এই সকলোবোৰ কথা লক্ষ্য কৰি আছিল ৰাজুই। দেউতাকে যে ইমান মিছা কথাবোৰ কয়। দীপা বা তো ঘৰলৈ যোৱা নাই। সি সকলো জানে। সেইদিনা সন্ধিয়া সিহঁতৰ ঘৰলৈ দুজন মস্ত গোঁফ থকা ডাঙৰ মানুহ আহিছিল। দেউতাকৰ লগত কিবা কিবি কথা পাতি এজাপ টকা উলিয়াই দিছিল। কি কথা পাতিছিল সি শুনা নাছিল। তাৰ পিছত দেউতাক আৰু মানুহ দুজন দীপা বাৰ ৰুমৰ ফালে গৈছিল। এইখিনি সময়ত তাৰ মাকে গোসাই ঘৰত চাকি জ্বলাই থাকে। দীপাইও তাইৰ ৰুমৰ থাপনাত সদায় চাকি দিয়ে এইখিনি সময়তে। মানুহ তিনিজন দীপাৰ ৰুমৰ সন্মুখ

পালে। ৰাজুও মনে মনে গৈ আছিল কিনো কৰে চাবলৈ বুলি।

তাৰ এই মানুহ দুজনক একেবাৰে ভাল নালাগে। আগতেও সি দেখিছে এই মানুহ দুজনে দীপাবাৰ ফালে কেনেকৈ ৰ' লাগি চাই থাকে কি যে অসভ্য মানুহ! দেউতাকহঁত দীপাৰ ৰুমৰ ভিতৰলৈ সোমাই গ'ল। খিৰিকীৰ ফাকেৰে চাই সি দেখিলে চাকি জ্বলাই থকা দীপা বাৰ হাতত চোন দেউতাকে থাপ মাৰি ধৰি গাৰ ফালে টানি নিলে। তাই চিঞৰিব খুজিছিল যদিও আন এজনে মুখত সোপা দি ধৰিলে।

"দীপা বাক কিয় তেনেকৈ ধৰিছা? তাই উশাহ লব কেনেকৈ? তাইত এৰি দিয়া!" চিঞৰিব খুজিও সি বৈ গ'ল। ইজন মানুহে ৰুমৰ লাইটটো অফ কৰি দিলে। সি আৰু একো নেদেখিলে। দীপা বাক দেউতাকে কিয় তেনেকৈ ধৰিলে? মানুহজনে কিয় মুখত সোপা দিলে? তাই উশাহ ল'ব কেনেকৈ? লাইটটো নুমুৱাই দিলে কিয়? অসংখ্য প্ৰশ্নই তাৰ শিশু মনত কৌতূহলৰ সৃষ্টি কৰিলে।

তাৰ মনত আছে—এদিনাখন আবেলী দেউতাকৰ লগত বুঢ়ী মানুহ এজনী আৰু ডাঙৰ ছোৱালী এজনী আহিছিল। ছোৱালী জনীক থৈ বুঢ়ীজনী পিচদিনা পুৱাই গুচি গৈছিল। তাৰ মাকক ছোৱালীজনী চোৱাৰ দায়িত্ব দিছিল। বুঢ়ীজনীয়ে ইমান মৰম কৰিছিল তাক। ছোৱালী-জনীৰ নাম দীপা। তাৰ দীপা বা হৈছিল অতি সোনকালে। দীপা বাক তাৰ প্ৰথম দেখাৰে পৰা খুউব ভাল লাগিছিল। ইমান ধুনীয়া দীপা বা।

সিহঁতৰ ঘৰৰ ওচৰৰে মন্টুহঁতৰ ঘৰলৈও ইদিনাখন ছোৱালী এজনী আহিছে। গাঁৱৰ ছোৱালী ওচৰত কলেজ নাই, সেয়ে ইয়াতে থাকি কলেজত পঢ়িব। মন্টুৰ পেহি-য়েকৰ ছোৱালী বোলে। দীপা বা ও চাগে তাৰ কোনোবা সম্বন্ধীয়া মানুহৰ ছোৱালীয়েই হব। কলেজত পঢ়িবলৈ আহিছে। কিন্তু তাৰ ধাৰণা ভুল হ'ল। সি গম পালে তাই কলেজত পঢ়িবলৈ অহা নাই। সিহঁতৰ ঘৰত কাম বন কৰিবলৈহে আহিছে।

দীপা বাক তাৰ বৰ ভাল লাগে। খুউব মৰম কৰে তাক। গাখীৰ আনি দিয়ে, নাখাও বুলিলেও জোৰকৈ খুৱাই দিয়ে। কাপোৰ ধুই দিয়ে। স্কুললৈ অনা-নিয়া কৰে। সময় পালে তাৰ লগত খেলে। গীত গায়, ধুনীয়া গীত গাব পাৰে। তাৰোপৰি ভন্টীক লৈ ফুৰে, চাহ বনায়, ভাত বনায় আৰু যে কিমান কাম কৰিব লাগে তাই। কেতিয়াবা তাৰ বৰ বেয়া লাগে দীপা বা জনীলৈ!

খিৰিকীৰে অহা এচমকা পোহৰত তাৰ ভাৱনাত যতি পৰিল। ৰুমটোত লাইট জ্বলি উঠিল। কিন্তু এয়া কি? দীপা বাৰ গাত দেখোন কাপোৰ প্ৰায় নায়েই! চুলি-বোৰো আউলী-বাউলী হৈ বিচনাত পৰি আছে। দেউতাক আৰু মানুহ দুজনে তাইৰ হাতত ধৰি, বুকুত কান পাতি কিবা যেন পৰীক্ষা কৰিছে। তাৰ খং উঠি গ'ল দীপা বা জনীলৈ। তাইনো বাৰু কি? দেউতাকহঁতক চৰিয়াই দিব নোৱাৰেনে? চিঞৰি দিব নোৱাৰেনে? কিয় তাই তেনেকৈ পৰি আছে উঠি যাবওটো পাৰে তাই।

"ছিঃ বৰ বিপদ হ'ল, এনেদৰে মৰিব বুলিতো ভবা নাছিলো, কি কৰা যায় এতিয়া?" দেউতাকৰ কথাষাৰ আহি তাৰ কাণত পৰিল।

"মৰিল!" তাৰ মানে দীপা বা মৰিল? তাই আৰু কেতিয়াও নামাতে? কথা নকয়? নেখেলে। তাক গান গায়ো নুশুনাই আৰু গাখীৰ আনিও নিদিয়ে? কিন্তু দীপা বাৰ কি হৈছিল? অসুখ হলেহে মানুহ মৰে। তাইৰটো একো অসুখ হোৱা নাছিল। তেনেহ'লে দেউতাক আৰু এই মানুহ দুজনে তাইক মাৰিলে নেকি? নিশ্চয় মাৰিব লাগিব? নহলে মানুহ এনেয়ে নমৰে। বেয়া লাগিল তাৰ। দুচকুৰে বৈ আহিল তপত চকুলো। চিঞৰি চিঞৰি কান্দিবৰ মন গ'ল তাৰ। দেউতাক আৰু মানুহ দুজনলৈ অসম্ভৱ খং উঠিল। দেউতাকৰ বন্দুকটো চলাব পৰা হ'লে সি তেতিয়াই গুলিয়াই মাৰিলে হয় তিনিও জনকে।

মানুহ এজনে ৰুমৰ বাহিৰলৈ আহি কিবা চালে তাৰ পিচত দীপাৰ মৃত দেহটো দাঙি নি বাৰীৰ পিচফালে গাত এটা খান্দি-পুতি থলে। ওপৰত শুকান গছ পাত

জাপি দিলে চিন নোহোৱাকৈ। মানুহ দুজন গলগৈ। দেউতাকক তাৰ সাধু কথাত শুনা ৰাক্ষসটো যেন লাগিল। দীপা বাক কিয় মাৰিলা? চিঞৰি চিঞৰি সুধিবৰ মন গৈছিল তাৰ। প্ৰতিবাদী মনটো তাৰ বেছি প্ৰতিবাদী হৈ উঠিল।

ৰাতি তাৰ গা বেয়া লাগিছে বুলি ভাতো নাখালে, নপঢ়িলেও। বাৰে বাৰে দীপা বা লৈ মনত পৰি সি উচুপি থাকিল।

দুপৰ ৰাতি সি শুনিলে দেউতাকৰ লগত মাকৰ কিবা তৰ্ক লাগিছে। মাকে দীপা বাৰ নাম ধৰি কন্দাও তাৰ কাণত পৰিল।

"ছাৰ এইফালে আহক।" পুলিছ ইন্সপেক্টৰ জনৰ ফালে চাই দেউতাকে মাতিলে। ৰুমৰ ভিতৰত কিবা কিবি কৈ এখন চেক জেপত সুমুৱাই দিলে। মানুহক দেখুৱাই পুলিছ কেইজনে ৰুম কেইটা এবাৰ চালে কুকুৰটোও ঘূৰালে। তাৰ পিছত বহীত কিবা কিবি লিখিলে। "এই সকলো বোৰ মিছা প্ৰমাণ হ'ল! মিছা মিছি মানুহজনক দিগদাৰি দিয়া হ'ল। বলক এতিয়া।" পুলিচ ইন্সপেক্টৰ জনে ক'লে। লগত অহা ডেকা কেইজনে কিবা কব খুজিছিল। পুলিচ ইন্সপেক্টৰ জনে ধমক দিয়াত সিহঁত নিমাতে বল। দেউতাকৰ মুখত এটি কুটিল হাঁহি বিৰিঙি উঠিল।

ইমান মিছলীয়া দেউতাক। পুলিচ ইন্সপেক্টৰজনেও টকাৰ চেকৃখন পায়েই একো বিচাৰ নকৰিলে। এটা প্ৰশ্নও নুসুধিলে দেউতাকক। দীপা বাক মাৰিও দেউতাক আজি সাৰি যাব পাৰিব। মানুহে মানুহক ইমান অত্যাচাৰ কৰিব পাৰে, ঠগাব পাৰে; তাৰ মৰমৰ দীপা বাক মাৰি পেলাব পাৰে, ইমান নিষ্ঠুৰ মানুহবোৰ। তাইৰ বুঢ়ী মাক জনীয়ে চাগে কিমান কান্দিছে। নাই সি কেতিয়াও সাৰি যাব নিদিয়ে। দীপা বাক মাৰি পেলোৱাৰ প্ৰতিশোধ সি লবই! কঠোৰ হ'ল সি।

"শুনক চোন—আমাৰ দেউতাই মিছা কথা কৈছে, দুজন মানুহৰ লগ লাগি দেউতাই দীপা বাক মাৰি পুতি থৈছে, আহক, মই দেখুৱাই দিম।" গেটৰ ওচৰ পোৱা পুলিচে আৰু ল'ৰা কেইজনক সি মাতিলে।

"ৰাজু" দেউতাকে ধমক দিলে। সকলো আচৰিত হ'ল। পুলিচ ইন্সপেক্টৰ জনে ক'লে—সৰু ল'ৰা মুখত যি আহিছে তাকে কৈছে বলক বলক।" তেওঁ খৰধৰ লগালে। ল'ৰা কেইজনে কিন্তু নেৰিলে, সিহঁত আহিলেই। বাধ্য হৈ পুলিচ কেইজনো আহিল। শুকান গছ-পাতেৰে ঢাকি থোৱা গাতটোৰ পৰা দীপাৰ মৃত দেহটো উলিয়াই আনোতে মানুহবোৰে নাকত ৰুমাল লব লগা হৈছিল। অসহ্য গোন্ধত।

সন্ধ্যা হৈ আহিছিল গোসাই ঘৰত চাকি জ্বলাব অহা (ৰাজুৰ) মাকে তাক সাঁৱটি ধৰি কঁপালত চুমা এটি আঁকি দিছিল।



# আমি কি জানো কি নাজানো

সংগ্ৰাহক—এম, আব্দুল খালেক
স্নাতক ১ম বাৰ্ষিক (কলা)
মঙ্গলদৈ মহাবিদ্যালয়

১। বিশ্বৰ উচ্চ প্ৰতিভাশীল ব্যক্তিজন কোন আছিল ?
উত্তৰ : লিওনাৰ্ডো ডা ভিঞ্চি। তেওঁ একেৰাহে চিত্ৰকৰ, ৰাজমিস্ত্ৰী, অভিযন্তা, বৈজ্ঞানীক, ঈত্যাদি আছিল।

২। পৃথিৱীৰ ভিতৰত আটাইতকৈ ডাঙৰ দ্বীপটো কি ?
উত্তৰ : গ্ৰীণলেণ্ড দ্বীপ।

৩। আটাইতকৈ দীঘল ৰেলৰে প্লেটফৰ্ম খনৰ নাম কি আৰু ই ক'ত অৱস্থিত ?
উত্তৰ : প্লেটফৰ্ম খনৰ নাম হ'ল ষ্টৰভিক। ই চুইডেনত অৱস্থিত।

৪। পৃথিৱীৰ দীঘল নদী খনৰ নাম কি ?
উত্তৰ : নীল নদী। ই ৬৬৪৮ কিঃ মিঃ দীঘল।

৫। পৃথিৱীৰ আটাইতকৈ ওখ বিল্ডিংটো কি ?
উত্তৰ : চিকাগোত অৱস্থিত চিআৰচ টাৱাৰ। ই ৪৪০ মিটাৰ ওখ।

৬। "ইয়েলো ৰিভাৰ" বুলি কোনখন নদীক কোৱা হয় ?
উত্তৰ : চাইনাৰ হোৱাংহো নদীক।

৭। মানুহৰ পিছত দ্বিতীয় বুধিয়ক প্ৰাণী কি ?
উত্তৰ : ইউৰোপৰ বিভাৰ (Beaver) নামৰ এবিধ এন্দুৰ জাতীয় প্ৰাণী।

# মহৎ লোকৰ বাণীঃ

এই দেশৰ বাবে মই জীয়াই আছোঁ। এই দেশৰ বাবে মই জীয়াই থাকিবলৈ মৰণপণ কৰিছোঁ। ৰনুৱা-বনুৱা হালোৱা এই সকলোৰে মাজত মই আছো---মোৰ দেশৰ বাবে।

'মোৰ দেশ' : হীৰেণ ভট্টাচাৰ্য্য।


ভাই সময় বুজি আহিবা এদিন, ফুমাৰি চোতালত
লগে ভাগে খাম তুখৰ ধানৰ এসাজ ভাত।

( গৰখীয়া ল'ৰাৰ গীত )
হীঃ ভঃ

তুমি প্ৰস্ফুটিত গোলাপৰ সুবাস উপভোগ কৰিবলৈ বিচাৰানে? যদি বিচৰা তেন্তে তুমি গোলাপৰ কাঁইট কেইডালো গ্ৰহণ কৰিব লাগিব। হাস্যময়ী উষাৰ মাধুৰ্য্য উপভোগ কৰিবলৈ বিচাৰানে? যদি বিচাৰা তেন্তে তুমি নিশাৰ ঘোৰ অন্ধকাৰ অতিক্ৰম কৰি আহিব লাগিব। তুমি শক্তিৰ আনন্দ আৰু স্বাধীনতাৰ মাধুৰ্য্য উপভোগ কৰিবলৈ জানো নিবিচাৰা? যদি বিচাৰা, তেন্তে তুমি তাৰ কাৰণে মুল্য পৰিশোধ কৰিব লাগিব আৰু স্বাধীনতাৰ মূল্য হৈছে, কষ্টবৰণ আৰু ত্যাগ স্বীকাৰ।

---সুভাষ চন্দ্ৰ বসু

# সম্পাদনা সমিতি



উপদেষ্টা
অধ্যাপক ডঃ মহেন্দ্র প্ৰসাদ বৰুৱা



সভানেত্ৰী
অধ্যাপিকা উষা বৰা



উপসভাপতি
শ্ৰীনগেন শৰ্মা



তত্বাবধায়ক
অধ্যাপক ইদ্ৰিছ আলি



সম্পাদিকা
ববিতা কুমাৰী মাঞ্জু ডেকা



অধ্যাপক ডিম্বেশ্বৰ বৰুৱা
সদস্য



শ্ৰীঘনকান্ত বৰুৱা
কাৰ্য্যালয় সহায়ক



শ্ৰীদিলীপ কুমাৰ ডেকা
সদস্য



দিব্যজ্যোতি চহৰীয়া, সদস্য



ৰমেন ডেকা, সদস্য



মালা ডেকা, সদস্যা



অৰুণ ডেকা, সদস্য



নিভা ৰাণী দেৱী, সদস্যা



নিৰুপমা ডেকা, সদসা



ড° হৰি চন্দ্ৰ ডেকা
ভাৰপ্ৰাপ্ত অধ্যাপক
ছাত্ৰ একতা সভা



শ্ৰীদিলীপ কুমাৰ ডেকা
উপ সভাপতি
ছাত্ৰ একতা সভা।



শ্ৰীঅৰুণ ডেকা
সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা।



শ্ৰীমুকুট হাজৰিকা
সহঃ সাংস্কৃতিক সম্পাদক।



শ্ৰীতিলক হাজৰিকা
ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক।



শ্ৰীদ্বীপেন তালুকদাৰ
সহঃ সাধাৰণ সম্পাদক।



ওৱাহিদা ৰহমান
তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদিকা।



শ্ৰীপ্ৰশান্ত কুমাৰ শৰ্মা
সম্পাদক, খেল বিভাগ



শ্ৰীহীৰকজ্যোতি শৰ্মা
সম্পাদক, সাহিত্য বিভাগ।



শ্ৰীভূপেন শৰ্মা বৰুৱা
সমাজ সেৱা বিভাগৰ সম্পাদক।



ববিতা কুমাৰী মাজু ডেকা
সম্পাদিকা, আলোচনী বিভাগ



শ্ৰীইৰামণি বৰা
ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা।



শ্ৰীদিব্যজ্যোতি শৰ্মা
ব্যায়ামশালা বিভাগৰ সম্পাদক।



শ্ৰীপ্ৰসন্ন বৰ্মন
সুকুমাৰ কলা বিভাগৰ সম্পাদক।

## ১৯৯১-৯২ বৰ্ষৰ শ্ৰেষ্ঠ খেলুৱৈ সকল



শ্ৰীদিলীপ কুমাৰ ডেকা
শ্ৰেষ্ঠ ভলীবল খেলুৱৈ



শ্ৰীধ্ৰুৱজ্যোতি শৰ্মা
শ্ৰেষ্ঠ খেলুৱৈ



শ্ৰীপাপৰি বৰা
শ্ৰেষ্ঠা অন্তঃদ্বাৰ খেলুৱৈ
ছোৱালী



মিচ্ দিলৰুবা বেগম
শ্ৰেষ্ঠা বহিঃদ্বাৰ খেলুৱৈ
ছোৱালী



শ্ৰীবিনয় কুমাৰ নাথ
শ্ৰেষ্ঠ দৌৰবীৰ



মঃ তাৰিফুল ইছলাম
শ্ৰেষ্ঠ অন্তঃদ্বাৰ খেলুৱৈ (ল'ৰা)



শ্ৰীগজেন কুমাৰ ডেকা
শ্ৰেষ্ঠ বহিঃদ্বাৰ খেলুৱৈ (ল'ৰা)



শ্ৰীমধুসূধন ভট্টাচাৰ্য্য
শ্ৰেষ্ঠ সমাজকৰ্মী



শ্ৰীবিকাশ চৌধুৰী
শ্ৰেষ্ঠ দেহশ্ৰী প্ৰতিযোগী



শ্ৰীনিৰুপমা ডেকা
শ্ৰেষ্ঠা পাঞ্জা খেলুৱৈ



শ্ৰীদেবজিত বৰুৱা
বছৰৰ শ্ৰেষ্ঠ সমাজকৰ্মী

শ্ৰীশশীন্দ্ৰ চহৰীয়া আৰু শ্ৰীশৈলেন্দ্ৰ গোস্বামীয়ে ১৯৯১ চনৰ মে মাহত মধ্যপ্ৰদেশৰ NATIONAL TRAINING CENTRE PACHMARI ত অনুষ্ঠিত হোৱা ROVER/RANGER SAMAGEAM কেম্পত মঙ্গলদৈ মহাবিদ্যালয়ৰ CHILARAI ROVER CREW দলৰ পৰা অসমৰ হৈ প্ৰতিনিধিত্ব কৰিছিল।







শ্ৰীঅঞ্জু মণি দেৱী
শ্ৰেষ্ঠ সাহিত্যিক




শ্ৰীচিকণ চন্দ্ৰ বৰুৱা।
শ্ৰেষ্ঠ প্ৰাচীৰ কবি




জাকিৰ হুচেইন,
বছৰৰ শ্ৰেষ্ঠ তাৰ্কিক



শ্ৰীসীমান্ত কুসুম শৰ্মা
বছৰৰ শ্ৰেষ্ঠ অভিনেতা, নাট্যকাৰ, সাহিত্যিক, যোগাসন প্ৰতিযোগী
১৯৯০-৯১ চনৰ যুব মহোৎসৱৰ মুকাভিনয়ত সোণৰ আৰু ১৯৯১-৯২ চনত ব্ৰঞ্জৰ পদক বিজয়ী।



মঃ আব্দুল ৰফ আহমেদ
বছৰৰ শ্ৰেষ্ঠ গায়ক



১৯৯১ চনৰ ৩০ এপ্ৰিলৰ পৰা ১০ মেলৈ মধ্যপ্ৰদেশৰ উজ্জয়নী চহৰত হোৱা সিংহাহ কুম্ভমেলাত অসমক প্ৰতিনিধিত্ব কৰি স্বেচ্ছাসেৱক হিচাৱে অংশগ্ৰহণ কৰা মঙ্গলদৈ মহাবিদ্যালয়ৰ CHILARAI ROVER CREW"ৰ ৰ'ভাৰ স্কাউট সকল : বহি ( বাওঁফালৰ পৰা ) : সৰ্ব্বশ্ৰী ফুলেন কলিতা, অধ্যাপক ৰাজেন্দ্ৰ বৰুৱা ( ৰ'ভাৰলিডাৰ ), প্ৰনৱ শৰ্ম্মা। থিয়হৈ ( বাওঁফালৰ পৰা ) : সৰ্ব্বশ্ৰী উংসৱানন্দ গোস্বামী, পৰশমণি গোস্বামী, শশীন্দ্ৰ নাৰায়ণ কোৱৰ ( অধিনায়ক ), দীপাংকৰ চহৰীয়া [ কমলা ডেকাক ফটোত দেখা নগ'ল ]



১৯৯১ চনৰ ৯ মে'ৰ পৰা ২৯ মেলৈ বাংগালোৰৰ টি, নাৰাচিপুৰ ( কৰ্ণাটক ) নামৰ ঠাইত অনুস্থিত হোৱা N. C. C. ৰ "Advance Leadership" নামৰ সৰ্ব্ব-ভাৰতীয় camp ত North-East Region ৰ ১০ জন কেডেতৰ ভিতৰত ৪ জনেই মঙ্গলদৈ মহাবিদ্যালয়ৰ।

কেডেত সকল (বাওঁফালৰ পৰা : ক্ৰমান্বয়ে চি, কিউ, এম, এচ, আব্দুল খালেক ; এচ, ইউ ও, মধু সোধন ভট্টাচাৰ্য্য ; ইউ, ও, জাকিৰ হুছেইন ; চাৰ্জেন্ট, তৰুণ আজাদ ডেকা ( ছবিত দেখা নগ'ল )।

# ছাত্র একতা সভাৰ উপসভাপতিৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভনিতে যি সকল বীৰ পুৰুষে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত প্ৰাণাহুতি দিলে সেই সকলক শ্ৰদ্ধাৰে সোঁৱৰিছো আৰু যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে আমাৰ মাজৰ পৰা অকালতে চিৰদিনৰ বাবে স্বৰ্গগামী হ'ল সেই সকলোকো শ্ৰদ্ধাৰে সোঁৱৰিছো।

সমগ্ৰ দৰং জিলাৰ ভিতৰতে উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান মঙ্গলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপসভাপতিৰ দৰে গুৰুত্বপূৰ্ণ পদটিত বিপুল সংখ্যক ভোটেৰে জয়যুক্ত কৰি সমূহ ছাত্ৰ-ছাত্ৰীৰ সেৱা আগবঢ়াবলৈ সুযোগ কৰি দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

উল্লেখযোগ্য যে আমাৰ ছাত্ৰ একতা সভাৰ কাৰ্য্যকাল ছোৱাত তিনিজন অধ্যক্ষৰ সান্নিধ্য পাওঁ আৰু লগতে এই কাৰ্য্যকাল ছোৱাতেই মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ পদে পূৰ্ণাঙ্গতা লাভ কৰে। স্থায়ী অধ্যক্ষ ৰূপে নিযুক্তি লাভ কৰে আমাৰ সকলোৰে পৰিচিত শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত শিৱকান্ত শৰ্মাদেৱে। আমি আশা ৰাখিছো তেখেতৰ কৰ্ত্তব্য পৰায়ণতাৰ জৰিয়তে আমাৰ মহাবিদ্যালয় খনিয়ে বিভিন্ন দিশত উন্নতিৰ মুখ দেখিবলৈ পোৱাৰ লগতে সমগ্ৰ অসমৰ ভিতৰতে এখন লেখত লবলগীয়া মহাবিদ্যালয় ৰূপে পৰিচয় দিব পাৰিব।

কাৰ্য্যকালৰ চমু বিৱৰণ:—আমাৰ কাৰ্য্যকাল ছোৱাৰ ভিতৰত মঙ্গলদৈ মহাবিদ্যালয় খনিৰ উন্নয়নৰ হকে বিভিন্নাক কাম কৰিবৰ বাবে সংকল্প লৈছিলো তাৰে আংশিকহে আমি বাস্তৱত ৰূপ দিব পাৰিছো বুলি কব পৰা যায়। মহাবিদ্যালয় সপ্তাহকে ধৰি নামভৰ্ত্তীকৰণৰ ক্ষেত্ৰত যিবিলাক সমস্যাৰ সৃষ্টি হৈছিল সেই সমস্যা সমূহ দূৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাই আহিছোঁ। প্ৰাক্তন সাধাৰণ সম্পাদক শ্ৰীহিতেশ হাজৰিকা আৰু প্ৰাক্তন খেল বিভাগৰ সম্পাদক শ্ৰীধ্ৰুৱজ্যোতি শৰ্মাৰ সহযোগত আংশিক ভাৱে পানী যোগানৰ অভাৱ দূৰ কৰিবৰ বাবে সক্ষম হৈছিলো। মঙলদৈ মহাবিদ্যালয়ৰ অবিচ্ছেদ্য অংগ ছাত্ৰাবাস আৰু ছাত্ৰী নিবাস দুখনৰ কিছুমান বিশেষ অসুবিধা দূৰ কৰিব নোৱাৰিলেও গ্ৰীষ্ম কালত অধ্যয়নৰ সুবিধাৰ বাবে বিজুলী বিচনি কেইখনৰ সুবিধা কৰি দিবলৈ আমি সক্ষম হৈছিলো। লগতে মহাবিদ্যালয় খনিত বিজুলী বাতি আৰু বিজুলি বিচনী কেইখনৰ সুবিধা কৰি দিবলৈ আমি সক্ষম হৈছিলো। লগতে মহাবিদ্যালয়খনত বিজুলী বাতি আৰু বিজুলী বিচনীৰ অভাৱ দূৰ কৰিবলৈ চেষ্টা কৰিছিলো। আশা ৰাখিছো অধ্যক্ষ মহোদয়ে নৱাগত ছাত্ৰ একতা সভাৰ জৰিয়তে মহাবিদ্যালয়ৰ অভাৱ অভিযোগ সমূহ দূৰ কৰিব পাৰিব।

সদৌ অসম ছাত্ৰ সন্থাই আহ্বান কৰা গুৱাহাটী পশু চিকিৎসা বিজ্ঞান মহাবিদ্যায়ৰ শিক্ষা সংসদত মোৰ উপৰিও ছাত্ৰ একতা সভাৰ সতীৰ্থ সকলে অংশ গ্ৰহণ কৰে। সদৌ দৰং জিলা ছাত্ৰ সন্থাই আহ্বান কৰা শিক্ষা সংসদখনি, মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ তিৰোভাৱ তিথি, ফাতেহা-ই-দোৱাজ-দাহেম আৰু শ্ৰীশ্ৰীসৰস্বতী পূজা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ উপস্থিতিত সুচাৰুৰূপে অনুষ্ঠিত হৈ যায়। ইয়াৰোপৰি মহাবিদ্যালয়ৰ উন্নয়নৰ লগত জড়িত থকা কাম কাজ সমূহ চলাই নিবলৈ যৎপৰোনাস্তি চেষ্টা চলাই আহিছো।

ছাত্ৰ আৰু শিক্ষকৰ কৃতিত্ব:—১৯৯১-৯২ চনতে আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত হৰিশ চন্দ্ৰ ডেকাদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰদান কৰা ডক্টৰেত ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয়। লগতে আমাৰেই বন্ধুবৰ শ্ৰীকিৰণময় শৰ্মাই ভূগোল বিভাগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি তৃতীয়বাৰৰ বাবে মঙ্গলদৈ মহা-

# ENGLISH SECTION

**Articles :**

1. John Keats and Nature—sri Amulya Kalita.
2. Ramanujan : From a clerk to a legendary Figure—
Miss Mouchumi Goswami.
3. Alcoholism—Sri Rajeev Kr. Deka,

**Poems :**

1. On the Hill—Md. Ashadulla Haque.
2. Tears—Mr. Mukul Sarmah.

# "JOHN KEATS AND NATURE"

**Sri Amulya Kalita**
T.D.C. 2nd Year Arts

**"Beauty is truth, truth beauty—that is all ye know on earth, and all ye need to know."**
( Ode on a Grecian urn—**J. Keats** )

John Keats occupies a key-position in the history of Romantic Movement. Though Keats died quite young and could write poetry only for four years, his achievements in the field of poetry is so high that he is ranked with the great poets of his times. He was the last Emperor of the Romantics to be born and the first to die. His early death was the greatest loss English poetry has ever sustained.

**Keats as a poet of Nature :**

Keats loved Nature just for its own sake and for the glory and loveliness which he every where found in it. No modern poet has ever been nearer than he was to the simple poetry of the earth. His poetry is rich in the simple worship of a day. He gazed like Acteaon Nature's naked loveliness.

Keats's sentiment of Nature is simpler than that of the other romantics. He remains absolutely uninfluenced by the pantheism of Wordsworth and Shelley and loves Nature not because of any spiritual significance in her or any divine meaning in her but chiefly because of her external charm and beauty. The instinct of Wordsworth has to interpret all the operational of Nature by those of his own soul. For Shelley natural beauty was symbolical in two senses. In the visible glories of the world his philosophy saw the veil of the unseen ; and all the imagery of Nature's more remote phenomena was inseparable in his soul from visions of rediant future. But in keats the sentiment of Nature was simpler, more direct, and disinterested than in either of these two poets. He was gifted with a delighted insight into all the beauties of woods and fields. He loves flowers because of their beauty of colour, fragrant, smell, and softness. He loves the streams because of their music. He loves the snow, the moon and rainbow for their visual loveliness.

There is ample evidence of his love for nature's own sake in Keats's first volume of poems. In "I Stood Tiptoe", we have several Nature pictures showing Keats's delight in the beauties of nature. We have for instance the following lines—

"The clouds were pure and white as flocks new-shorn,
And fresh from the clear brook ; sweetly they slept
On the blue fields of heaven, and then there slept
A little noiseless noise among the leaves
Born of the very sigh that silence heaven.''

Keats personifies the powers of Nature. He looks at Nature like the Greeks, with wonder and childlike delight. He feels disillusioned with the spirit of enquiry and doubt, which has smothered simplicity and wonder and longs for the old good days of happy poetry :

"O brightest ! though no late for antique vons
Too, too late for the fond believing—lyre,

When holy were the haunted forest boughs
Holy the air, the water and the fire."

For Keats every object of Nature is hauntry by an attendent deity god or goddess. Thus the tree is haunted by the Dryad and the sea is haunted by the Naiads. He never saw any Oak tree without be holding the Dryad. In 'To a Nightingale' he writes :

"That thou, light-winged Dryad of the tree."

The forests are haunted by Fauns and Satyrs. Whoever wonders may happen to see in the forests pan playing on the flute. In the 'Ode-To Autumn' the poet treats Autumn as a goddess or a mythological women in the spirit of Greek worship of the object of Nature.

'In Fhancy,' the poet shows his keen observation when he gives us an inventory of Natural phenomena by mentioning the field mouse peeping from its Cell, the snake casting away its winterskin, the freckled eggs being hatched in the hawthorn tree, the hen—birds wing resting on her mossy, nest. etc.

In the 'Ode To Psyche', we again have a couple of exquisite pictures of Nature, Cupid and Psyche sre seen lying side by side :

"In deepest grass, beneath the whispering roof
of leaves and trembled blossoms, where there ran
A brooklet scarce espied.
Mid-hush'd, cool rooted flowers, fragrant eyed.
Blue, silver, white and budded Tyrian
They lay calm—breathing on the bedded grass."

This is, indeed, one of the best Nature pictures in Keats's poetry. We have the deep grass below and the leaves and blossoms up on the branches of trees, there is a brooklet close by and, above all, there are the hushed, cool-rooted, fragrant eyed flowers of various colours. It is a most inviting pictures.

Above all these sentenses prove that Keats was one of the supreme poets of Nature. Keats neither gives a moral life to Nature, as Wordsworth did nor attempts to pass beyond her familiar manifestations as Shelley did. But in Keats nature poetry, realism or the quest for pure truth informs of the Tennysonian School because all his Nature.

●●●

Bibliography :—

(1) John Keats ( Edited by Ramji Lall )
(2) The odes of John Keats ( Edited by—Girish Saxena )

# Ramanujan : From a Clerk to a Legendary Figure

**Miss Mouchumi Goswami**
T.D.C. II Year (Arts)

Mathematics became the soul, the love, the medi-ation in the life of an Indian youth, and one day, his youth became the twinkling Northern Star among he most brilliant mathematicians in the world. But the fe story of this man ended like a Greek tragedy. : was an unbelievable and amazing life from an rdinary clerk at Port Trust in Madras who succee-ed to a reputed mathematician and became a legen-ary figure in the history of mathematics. Who as that Indian youth ? He was Srinibas Ramanujan yengar.

It was on 22nd December, 1887 when, Ramanu-in was born in Erode in Madras. His father rinibas was a store keeper in a shop and mother as Komalatammal. Though, he passed the matri-ulation in 1903 and got admitted in Kubhakonom ollege in 1904, he could not get through the F.A, ecause, for him only mathematics was important nd no other subject.

Their poverty compelled him to join as a clerk Port Trust in Madras. But one who was born to a mathematician, what could prevent him from coming a mathematician ?

In 1911, his contribution was published as "Some operties of Bernoulli's numbers" in the journal of Indian Mathematical Society.

But his mind was not contended with these. In 113 he wrote a letter to Prof. G. H. Hardy of nity College, Cambridge university asking his opi-on on the theorems enclosed with the letter written him (Ramanujan). He left for England on 17th arch, 1913 being invited by Prof. Hardy.

Being born in an orthodox Brahmin family manujan remained a strict vegetarian in England o.

Together with Hardy, Ramanujan completed e research papers of the highest class, and soon, by dint of his extraordinary talent Ramanujan was elected as the 'Fellow to Royal Society' Trinity College, at the early age of thirty

Once Prof. Hardy was asked, "what is your greatest contribution to mathematics ?" Hardy's ans-wer was that his 'discovery of Ramanujan' was his greatest contribution to mathematics. He again said, "He was my discovery, but I did not invent him, like other great men he invented himself."

Ramanujan, as a person, was a bit shy, aloof. He had the virtues like self confidence, concentration, deep sincerety, etc. Ramanujan found beauty in numbers only. When he was admitted in Putney Hospital due to the attack of tuberculosis, he used his mathematics as a pain killer. There is an inte-resting story of that time. One day, when Hardy visited the hospital to see him, he told Ramanujan that the number, '1729' of the taxi by which he had come was a dull one. Ramanujan at once pointed out that it (1729) was the smallest number express-ible as the sum of two cubes in two different ways

(i) $1729 = 1000 + 729 = 10^3 + 9^3$

Again (ii) $1729 = 1728 + 1 = 12^3 + 1^3$.

Such a reply of Ramanujan showed his intellectual power as a genius. He was never restored to his former health and came back to India on 27th March, 1919.

Many books were written on Ramanujan, out of which the book, "The man who knew infinity — a life of the genius Ramanujan." Written by Robert Canigal, a Professor of Journalism in John Hopikins University is the most famous.

But this genius did not live long. Death snat-ched away Ramanujan from us on 26th April, 1919. The field of mathematics missed him profoundly. Can India expect such a mathematician in future ?

# ALCOHOLISM

**Sri Rajeev Kr. Deka**
**T.D.C. II year (Arts)**

I belive that the fundamental basis for an individual to become an alcoholic is an immature personality. While it is true that all immature persons do not become dependent on alcohol to relieve their tensions. I feel strongly that the psychological make-up of the alcoholic is his principal problem. While this in turn may be basically a biochemical abnormality, that is a long way from being established with objective data.

Just as alcoholism is a disease because the American Medical Association says it is, so drunkenness is a crime because the law-makers say it is. Thus we can create millions of criminals by the stroke of a legislative pen. It is likely that in a condition such as alcoholism, which spans the medical, the social, the economic, the legal and the legislative, that no single type of formula will provide a solution to the problem.

Alcoholics deny their problem. Denial is the alcoholic's main defence. Denial is also accompanied by an unconscious and irrational fear that to accept the existence of what is denied is to destroy oneself. Further, what is denied is grossly apparent to everyone. Finally, the consequences of denial permeate and affect one's entire existence.

It is a fact attested by every one familiar with the problem that those individuals who are strongly alcoholism-prone are in a sense marked men for life. They never are wholly out of danger so far as the affliction is concerned, and must watch their step continually as long as they live.

There are five stages of the behavioural effect of alcohol in the ascending order, namely jocose, ballicose, lachrymose, morose and finally comatose. Jocose is the essence of well being or euphoria when a person appears gay, jocular .. ... and breaks the barriers of reserve and difference. Under alcoholic influence a person thinks that he is more skilful when actually has become less skilful.

The alcoholic drinks not because he wants to kill himself ; he drinks to preserve himself and to maintain his integrity.

That prolonged excessive drinking ultimately destroys rather than preserves, decomposes rather than maintains integrity, that its effects are opposite to those the drinkers seeks through it are among the paradoxes of alcoholism.

●●

(.. .. .. .. .. .. with the help of the following books.)

(i) The personality of the alcoholic—By Haward Blun

(ii) Alcoholism—By Max Haiman

# On the Hill

**Md. Ashadulla Haque**
T.D.C. II year

One day we climbed a hill,
And went to the tower
The cool breeze was blowing
Carrying sweet scent of flowers.
We were going side by side,
looking far and long,
And we were charmed very much
By sweet birds songs.
All are covered by tall trees
And green grass-
There was nothing left to climb
But a very small path.
When we reached the
Top of the hill,
We could not express
What feelings came to the mind
At last we sat down
under a bamboo tree
And began to exchange our minds
In the deep forest freely
A vast river is flowing—
Below the hill side,
The waves are waving brightly
As if a sea's tide.
Enjoying this scenery
Together from there,
Both our hearts were
Filled with great cheer.
As the beautiful river is full of
Bright and deep water,
So are our hearts are full of loves
To each and other.
Carrying a heavy future promise
To love each other
I came down slowly from the hill
With my loves.

●●

# Tears

**Mr. Mukul Sarmah**
T.D.C. 3rd year

Tears
Tears fell
With no sound
In the midnight,

When the wind blew on me
Fell the leaves of love
With no sound
Touched my heart.

Eyes
Eyes her smiling
Shot to me
With no sound
Like some flies.

I unbosomed and
Thanked her love
(That) she gave me
In my mental skies.

(So) Tears
Tears fell
With no sound
In the midnight.

●●

## Editors and Prof. In-Charge of Mangaldai College Magazine During 1958-92.

| Session | Editor | Prof. in-charge |
|---|---|---|
| 1958-59 | Shri Bodheswar Deka | Sri P. Bora |
| 1960-61 | Shri Soneswar Sarma | Shri D. Neog |
| 1961-62 | Shri Hara Gauri Adhikari | Shri P. Bora |
| 1962-63 | Shri Maheswar Kalita | Shri D. Neog |
| 1963-64 | Shri Tuwa Ram Deka | Shri D. Neog |
| 1964-65 | Md. Fazlul Karim | Shri D. Neog |
| 1965-66 | Shri Bashab Ch. Sahariah | Shri D. Neog |
| 1966-67 | Shri Hem Kanta Deka | Shri J. C. Sarma |
| 1968-69 | Shri Naren Hazarika | Shri J. C. Sarma |
| 1969-70 | Shri Prabhat Kr. Choudhury | Shri J. C. Sarma |
| 1970-71 | Shri Dinabandhu Sarma | Shri J. C. Sarma |
| 1971-72 | Md. Mahiuddin Jiaul Haque | Shri B. Kakati |
| 1972-73 | Shri Premananda Nath | Shri B. Kakati |
| 1973-74 | Shri Bhabendra Ch. Deka | Shri B. Kakati |
| 1974-75 | Shri Juran Ch. Kalita | Shri B. Kakati |
| 1975-76 | Shri Debendra Kr. Sarma | Shri B. Kakati |
| 1976-77 | Shri Bhaba Kt. Hazarika | Shri B. Kakati |
| 1977-78 | Shri Paramananda Razbongshi | Miss Naharun Nesba |
| 1978-79 | Shri Sailendra Kr. Sarma Baruah | Shri M. P. Baruah |
| 1979-81 | Shri Pankaj Kr. Goswami | Shri Bizay Goswami |
| 1981-82 | Shri Gajendra Baruah | Shri Bharat Sarmah |
| 1982-83 | Shri Biswajeet Goswami | Shri Bharat Sarmah |
| 1983-84 | Shri Dulal Baruah | Shri Bharat Sarmah |
| 1985-86 | Shri Siba Prasad Baruah | Shri Matiram Medhi |
| 1986-87 | Shri Minaram Hazarika | Shri Matiram Medhi |
| 1987-88 | Shri Bhabesh Baruah | Shri Matiram Medhi |
| 1988-89 | Shri Muktananda Sarma | Md. Idrish Ali |
| 1989-90 | Mumtaz Khanom | Shri Buddhin Ch Hazarika |
| 1990-91 | — | — |
| 1991-92 | Babita Kumari Majudeka | Md Idrish Ali |